# Assam Legislative Assembly Debates

सत्यमेव जयते

1988

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 18

The 20th March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022*

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 18

Dated the 20th March, 1979.

CONTENTS.


| | | Pagse |
|---|---|---|
| 1: | Questions ... ... ... ... ... | 5— 51 |
| 2. | Voting on demands for Grants ... ... | 52--164 |
| 3. | Miscellaneous ... ... ... ... | 164—173 |
| 4. | Calling Attention ... ... ... ... | 173—177 |
| 5. | Adjournment ... ... ... ... | 177 |

Proceedings of the third Session of the Assam Legistative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 20th March, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretries and 58 ( fifty eight ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 20th March, 1979

( To which oral answers were given )

———

Mr. Speaker :— I have received a communication from the Minister, Industries informing me that he will

not be adle to attend the House due to illness and as such the pending questions which were to be taken up today have been deferred to a later date. The questions would be taken up as soon as the Minister attends the House.

Shri Noorul Huda :— We wish him speedy recovery Sir.

বিষয় ঃ ষ্টেডফেদৰ নিমখ

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰে সুধিছে ঃ

* ২৩৩। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নিমখ ষ্টেডফেদৰ বাহিৰেও আন বেপাৰীয়ে বাহিৰৰ পৰা আনি বেচি দামত বিক্ৰী কৰি আছে নেকি ?

(খ) বৰ্ত্তমান ৪০ পইচা দৰত এবিধ নিমখ আৰু ১ টকা দৰত আন-বিধ নিমখ পোৱাৰ কাৰণ কি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩৩। (ক)— হয়।

(খ)— চৰকাৰে ষ্টেডফেদৰ জৰিয়তে অনা নিমখ প্ৰতি কিলো ৪০ পইচা দৰত বিক্ৰী হৈ আছে। নিমখৰ দাম আৰু বহনৰ নিয়ন্ত্ৰণ আদেশ নথকা হেতুকে কিছুমান স্বতন্ত্ৰ বেপাৰীয়ে আন

ৰাজ্যৰ পৰা বাহিৰলৈ আমদানী কৰি নিমখ খোলা বজাৰত বেছি দামত বিক্ৰী কৰিছে।

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, নিমখ বিতৰণ, বিক্ৰী আৰু মূল্যৰ ওপৰত কিবা আইনৰ ফালৰ পৰা নিয়ন্ত্ৰণ আছে নে নাই ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— নিয়ন্ত্ৰণ কৰিব পৰা নাই। কাৰণ এতিয়ালৈকে নিমখক অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে ধৰা হোৱা নাই। কিন্তু যোৱাবাৰ যোগান মন্ত্ৰীৰ সৰ্ব্বভাৰতীয় যিখন সন্মিলন হৈছিল তাতো এই সম্পৰ্কে আলোচনা হৈছিল। আমি আমাৰ ফালৰ পৰা নিমখক অত্যাৱশ্যকীয় বস্তুৰ ভিতৰত ধৰিবলৈ অনুৰোধ কৰা হৈছে।

শ্ৰীগোলোক ৰাজবংশী :— মন্ত্ৰী মহোদয়ে কৈছে যে কিছুমান ব্যক্তিগত বেপাৰীয়ে নিমখ আনি বেছি দামত বিক্ৰী কৰিছে। গতিকে এইটো কথা সচা নেকি যে চৰকাৰে আৱশ্যকমতে গ্ৰাহকক ষ্টেড-ফেডৰ জৰিয়তে নিমখ যোগান ধৰিব পৰা নাই ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমি চাহিদা মতেই নিমখ আনি বিতৰণ কৰাৰ ব্যৱস্থা কৰিছো। কিন্তু কিছুমান ক্ষেত্ৰত মই কালিও কৈছো যে আগতেও প্ৰশ্নত্তোৰত কৈছো যে আমাৰ বিক্ৰী কিছু কম আছিল। যিহেতুকে আমি সমবায়ৰ ওপৰত নিৰ্ভৰশীল হবলগীয়া হৈছিলো। সমবায়ে লোৱাৰ কাৰণে নিমখত লোকচান হোৱাৰ ভয়ত তেওঁলোকে লবলৈ নিবিচাৰে। সেইকাৰণে আমি এতিয়া ১৬০ খন ষ্টেটফেডৰ আউট লেটৰ ওপৰিও সমস্ত অসমৰ গাওঁ ভুঁইতেই ডি, চি, আৰু এচ, ডি, ও, ৰ সহযোগত সুলভ

মূল্যৰ দোকানৰ জৰিয়তে বিক্ৰী কৰিবলৈ নিৰ্দ্দেশ দিছো।

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :— মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে গাওঁৰ মানুহে গুৰ, চেনিৰ ব্যৱহাৰ নকৰিলেও নিমখৰ ব্যৱহাৰ কৰে। এই নিমখ মানুহৰ ওপৰিও গৰু, ম'হ আদিকো লাগে। এই নিমখ ষ্টেটফেডে চাহিদা মতে ননাৰ কাৰণে ব্যক্তিগত ব্যৱসায়ী সকলে নিমখ আনি চৰা দামত বিক্ৰী কৰি আছে। সেইকাৰণে এই নিমখ নিয়ন্ত্ৰণ কৰি দুখীয়া ৰাইজক সস্তা দামত দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব আৰু ইয়াকে কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):— আমাৰ চাহিদা মতে নিমখ আহি আছে। সেইমতে আমি নিমখৰ অভাৱ অনুভৱ কৰা নাই। এই কথা মই কালিও কৈছো যে আমাৰ উদ্দেশ্য হৈছে নিমখ বা অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী গাওঁৰ মানুহক সস্তা দামত দিয়াটো আমাৰ প্ৰধান কৰ্তব্য আৰু সেইটো প্ৰয়োজনো আছে। কিন্তু এই ক্ষেত্ৰত কিছুমান বাধা বিঘিনিয়ে দেখা দিছে। আমি এইবিলাক আঁতৰাই গাওঁৰ ৰাইজক সুলভ মুল্যত সস্তা দামত নিমখ দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীনুৰুল হুদা:— মন্ত্ৰী মহাশয় কি জানেন যে কোন কোন জায়গায় মানুষের ব্যবহারের অনুপযোগী লবন বিতরণ করা হয়েছে? আর লবন কি অত্যাবশ্যকীয় সামগ্রীর তালিকাভুক্ত হয়েছে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, মাননীয় সদস্যই প্ৰথমতে নিমখৰ মান অৰ্থাৎ কুৱালিটি বেয়া ধৰণৰ বুলি তেখেতে প্ৰকাশ কৰিছে। এইটো খবৰ আমি পাইছো। কিন্তু যি ঠাইৰ

পৰা এনেকুৱা বেয়া নিমখৰ খবৰ আমি পাইছো, খবৰ পোৱাৰ লগে লগেই সেইবিলাক বেয়া নিমখৰ বিতৰণ বন্ধ কৰি ভাল নিমখ দিয়াৰ বন্দৱস্ত কৰিছো। লগতে তেখেতে যিটো কথা কৈছে মই আগতেও কৈছো যে নিমখক অত্যাৱশ্যকীয় সামগ্ৰীৰ লিষ্টত ধৰা হোৱা নাই। সেইকাৰণে আইন সঙ্গত ব্যৱস্থা লবলৈ অসু-বিধা হৈছে। এইটো অত্যাৱশ্যকীয় সামগ্ৰী বুলি ধৰিলেই পৰ্য্যাপ্ত পৰিমাণে নিমখ দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীজীৱন বৰা :— অধ্যক্ষ মহোদয় দাম যিটো বাঢ়িছে সেইটো ষ্টেটফেডে নিমখ কমকৈ অনাৰ কাৰণে বাঢ়িছে নে বিতৰণৰ অসুবিধাৰ কাৰণে বাঢ়িছে। যদি কমকৈ অনাৰ কাৰণে বাঢ়িছে কি ব্যৱস্থা লৈছে আৰু যদি বিতৰণৰ অসুবিধাৰ কাৰণে বাঢ়িছে তেতিয়াহলে এইক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমাৰ নিমখৰ বছৰি চাহিদা হৈছে প্ৰায় ১ লাখ ২৫ হাজাৰ টন। আৰু আমাৰ প্ৰতি মাহে ১০ হাজাৰ ৪১৬ মেট্ৰিক টন নিমখ আমাক লাগে। সেইমতে কেতি-য়াবা কোনো কোনো মাহত ৰেগনৰ অভাৱৰ কাৰণে সমস্তখিনি আনিব পৰা নাযায়। গতিকে আমি ৰেগনৰ বন্দৱস্ত কৰি সমস্ত-খিনি অনাৰ ব্যৱস্থা কৰিছো। আৰু সেইমতেই ঠায়ে ঠায়ে নিমখৰ চাহিদা পূৰণ কৰিবলৈ লোৱা হৈছে। আমাৰ আগতে বিতৰণ ক্ষেত্ৰত সমবায়ৰ ওপৰত নিৰ্ভৰ কৰাৰ কাৰণেই আমাৰ বিতৰণত কিছু অসুবিধা হৈছিল। এইটো আমি এতিয়া দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। সেইকাৰণে নিমখৰ একো অসুবিধা এতিয়া হোৱা নাই বুলি মই ভাবো।

শ্ৰীপ্ৰমোদ গগৈ :— মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে ষ্টেটফেডৰ

বাহিৰেও কিছুমান ব্যক্তিগত ব্যৱসায়ীয়ে নিমখ আনে আৰু এইটো তেখেতে স্বীকাৰো কৰিছে। আমাৰ নিমখৰ যিমানখিনি চাহিদা এতিয়ালৈকে কম হৈ আছে। এইটো কথা সচা নেকি যে আমাৰ চাহিদা মতে ষ্টেটফেডে বাহিৰৰ পৰা নিমখ অনা নাই আৰু লগে লগে যিবিলাক ব্যক্তিগত ব্যৱসায়ী নিমখ অনাৰ কাৰণে পাৰমিট বা লাইচেন্স দিছে। যোৱা সময় চোৱাত কোন কোন ব্যক্তিগত ব্যৱসায়ীক নিমখ অনাৰ কাৰণে যোগান বিভাগে লাই-চেন্স বা পাৰমিট দিছে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— মই আগতেই কৈছো যে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো কথা কৈছে যে যোৱা মাহত আমাৰ কিছু অসুবিধা আছিল। কিন্তু আমি নিমখ অনাৰ পিচত এই অসুবিধা নোহোৱা হৈছে। ৰেলৰে ৰেগন আমি নিমখ অনাৰ কাৰণে পাইছো। লগতে ব্যক্তিগত ব্যৱসায়ীক যিহেতু নিমখ আনিবলৈ কোনো পাৰমিট বা লাইচেন্স দিয়া নাই। সেইকাৰণে লিষ্ট দিয়াৰ প্ৰয়োজন অনুভৱ নকৰো।

শ্ৰীছামচুল হুদা :— মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নিমখ বিতৰণ যিটো মৌলিক দায়িত্ব এইটো কোম্পানীয়ে বহন কৰিছে, চৰকাৰে বহন কৰা নাই। সেইকাৰণে নিমখ বিতৰণৰ মৌলিক দায়িত্ব চৰকাৰে গ্ৰহণ কৰিবনে ? আৰু লগতে বজাৰত চডিয়াম চলফেট থকা নিমখ চৰা দামত বিক্ৰী কৰা হৈছে যিটো ৰাইজৰ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক এইটো বন্ধ কৰাৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— মই কৈছোৱেই যে কোনো ঠাইৰ পৰা বেয়া নিমখ বিক্ৰী হোৱাৰ খবৰ আহিলেই আমি সেইটো বন্ধ

কৰি লগে লগে ভাল নিমখ বিক্ৰীৰ কাৰণে দিয়াৰ ব্যৱস্থা কৰিছো। আমি কোনো মিডিলমেনৰ যোগেদি নিমখ অনাৰ বন্দ-ৱস্ত কৰা নাই।

শ্ৰীচামচুল হুদা :— নিমখ বিতৰণত কোম্পানীৰ দায়িত্ব নে চৰকাৰৰ দায়িত্ব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( যোগান মন্ত্ৰী ) :— কোম্পানীৰ দায়িত্ব কতো নাই। মাননীয় সদস্য গৰাকীৰো দায়িত্ব আছে। কিয়নো সমবায় সমিতি আজি যিবিলাক আছে, সেইবিলাকৰ যোগেদি তেখেতৰ এলেকাত থকা বিলাকৰ ক্ষেত্ৰত দায়িত্ব তেখেতৰো আছে, এই বস্তু বিলাক যাতে উচিত ভাৱে বিতৰণ হব পাৰে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰা হৈছে। যিবোৰ ঠাইত সমবায় সমিতি সক্ৰিয় হৈ থকা নাই সেইবিলাক ক্ষেত্ৰত ষ্টেটফেডৰ জৰিয়তে পোনপটীয়া ভাৱে নিমখ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। গতিকে মাননীয় সদস্যৰ এলেকাত থকা অকৰ্ম্মণ্য সমবায় সমিতি বিলাক কৰ্ম্মপটু কৰি তাৰ দ্বাৰা ৰাইজক সহায় কৰাটো মাননীয় সদস্যৰো কৰ্ত্তব্য আছে।

শ্ৰীপ্ৰেমধৰ বৰা :— নিয়ন্ত্ৰিত মূল্যত নিমখ ষ্টেটফেডৰ জৰিয়তে যোগান ধৰাৰ ব্যৱস্থা কৰোতে সৰ্ব্বসাধাৰণ ৰাইজে লাভখোৰ কলা বজাৰীৰ হাতৰ পৰা বেছি দামত নিমখ কিনিবলগীয়া হোৱা কথা চৰকাৰে জানে নে নাজানে ? ইয়াৰদ্বাৰা চৰকাৰে কলা বজাৰী লাভখোৰ সকলক নিয়ন্ত্ৰিত কৰি লোৱাত ব্যৰ্থ হোৱা কথা বুবুজায় নে আৰু যদি বুজায় তেনেহলে কঠোৰ ভাৱে সেই ব্যৱসায়ী সকলক দমন কৰাৰ কাৰণে আৰু ৰাইজে যাতে কম আয়াসতে নিমখ পাব পাৰে তাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— মই ইতিমধ্যে কৈছোৱেই যে বিতৰণৰ ক্ষেত্ৰত মই মাননীয় সদস্য সকলৰ লগত একমত। গতিকে যিবিলাক ঠাইত সমবায় কৰ্ম্ম ঠ হৈ থকা নাই সেই বিলাক ঠাইত দৈনিক বা সাপ্তাহিক বজাৰৰ দিনা নিমখ বিতৰণ কৰাব কথা ব্যৱস্থা লোৱা হৈছে। কিন্তু যিহেতু কেন্দ্ৰীয় চৰকাৰে নিমখ অত্যাৱশ্যকীয় সামগ্ৰী বুলি ধৰা নাই গতিকে কলাবজাৰী ব্যৱসায়ী সকলক শাস্তি সম্মত ব্যৱস্থাৰে দমন কৰিবলৈ ব্যৱস্থা কৰিব পৰা নাই। গতিকে অতি সোনকালেই কেন্দ্ৰীয় চৰকাৰৰ পৰা এইটো আনি এই ব্যৱস্থা কৰা হব বুলি ভবা হৈছে।

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sri, from our experience for the last several months we have found that due to transport difficulties and for want of wagons there is dearth of salt, particularly in the remote district like Cachar. Will the Minister see that a rolling buffer stock is built up there before the rainy season so that the traders cannot take advantage and the price of salt may not sore high ?

Shri Dulal Chandra Barua (Minister) :— Yes, Sir, Government is started building a buffer stock at Chargola and as soon as it is built up that difficulty will be definitely removed.

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :— মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে

নিমখ কোনো কোনো ঠাইত চৰা দামত বিক্ৰী হৈছে। মই এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জনসাধাৰণক সহায় কৰিবৰ কাৰণে সমবায় সমিতিৰ জৰিয়তে নিমখ বিক্ৰী কৰাৰ ব্যৱস্থা অতি সোনকালে যদি নকৰে আৰু আন কাৰোবাৰ দ্বাৰা নিমখ যোগান ধৰি থকাৰ ব্যৱস্থা কৰে তেতিয়াহলে সমস্যা সমাধান নহব। কোকৰাঝাৰ মহকুমাৰ সমবায় সমিতি বিলাক ঠিক আছে আৰু অতি সোনকালে মন্ত্ৰী মহোদয়ে কোকৰাঝাৰৰ মহকুমাধিপতিয়ে যোগাযোগ কৰি নিমখ বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী):— চৰকাৰৰ ফালৰ পৰা ডি-চি,এচ-ডি-অ' সকললৈ স্পষ্ট নিৰ্দেশ দিয়া হৈছে যে সমবায় সমিতি যিবিলাক ঠাইত সক্ৰিয় হৈ আছে তাত অইন ব্যৱস্থাৰ দৰকাৰ নাই কিন্তু য'ত সমবায় সমিতি কৰ্ম্মঠ নহয় তাতহে ষ্টেট-ফেডৰ ফালৰ পৰা নিমখ বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ষ্টেটফেডৰ নিমখ চল্লিশ পইচাৰ বেছি দামত বিক্ৰী কৰা নাই। কিন্তু যিহেতুকে ট্ৰেডটো ৰেচ্ট্ৰিকটেড নহয় সেই কাৰণে চিধা-চিধি নিমখ ট্ৰাকেৰে আনি বেছি দামত বিক্ৰী কৰিছে। এইটো সঁচা কথা। কিন্তু এইটো দূৰ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীএ এন আক্ৰাম হুচেইন:— অসমলৈ পৰ্য্যাপ্ত পৰিমাণে নিমখ আহিছে। তেনে ক্ষেত্ৰত ষ্টেটফেডৰ কিমান গুদাম আছে, সেইবিলাকত কিমান নিমখ আছে আৰু বাফাৰ ষ্টকত কিমান নিমখ আছে হিচাপটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা, (যোগান মন্ত্ৰী):— বাফাৰ ষ্টক বুলি নাই। জিলা

আৰু মহকুমাৰ প্ৰধান কাৰ্য্যালয়ত ষ্টেটফেডৰ এশ ষাঠিটা আউটলেট আছে আৰু প্ৰায় বিৰাশীটা গুদাম আছে তাৰ বাহিৰেও নতুন নতুন ঠাইত খুলি নিমখ ৰখাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীএ.এন আক্ৰম হুচেইন :— বাফাৰ ষ্টকত কিমান আছে আৰু কোন কোন ঠাইত কিমান জনাব লাগে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা, (যোগান মন্ত্ৰী) :— এক লাখ এঘাৰ হাজাৰ নশ টন নিমখ আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অসমৰ কেইটামান হোলচেল কোঅপাৰেটিভ, ভিলেজ লেভেল কোঅপাৰেটিভ আদিৰ চেক্ৰেটাৰীয়ে নিমখ লৈ গৈ বাহিৰত বিক্ৰী কৰাৰ অভিযোগ পাইছে নে? যদি পাইছে তাৰ ব্যৱস্থা লোৱা হ'বনে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— হয় পাইছো। সেই বিলাকৰ ভিতৰত তেজপুৰ, নগাওঁ আৰু যোৰহাটৰো এটা অনুষ্ঠানৰ ওপৰত এই সম্পৰ্কত আইনসঙ্গত ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

শ্ৰীবিপিন হাজৰিকা :— মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পৰা গ'ল যে কিছুমান নিমখ ব্যৱহাৰৰ অনুপযোগী হৈছে। মই জানিব বিচাৰিছো সেই ব্যৱহাৰৰ অনুপযোগী হোৱা নিমখৰ পৰিমাণ কিমান সেইবিলাক কৰ পৰা অনা হৈছিল সেই কথাৰ লগতে কেতিয়া অনা হৈছিল সেই কথাও মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা, (যোগান মন্ত্ৰী) :— পৰিমাণটো এতিয়া দিব পৰা নহব। যি ঠাইৰ পৰা আহিছে তাৰ পৰা আহোতে বেয়া হৈ আহিছে। তেতিয়া বেয়া বুলি জনোৱা হৈছে।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :— চল্লিশ পইচা দামৰ নিমখ পাবলৈ নাই অথচ এটকা দামৰ নিমখ যিমান লাগে পোৱা যায় এই ব্যৱস্থাৰে ষ্টেটফেডক অধিক লাভ কৰিবলৈ সুবিধা দিয়াৰ কাৰণ কি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( যোগান মন্ত্ৰী ) :— ষ্টেটফেডে যিমান পৰিমাণৰ নিমখ লাগে সেই পৰিমাণৰ দিয়ে কিন্তু কিছুমান সমবায়ে নিমখ নিনিয়া কাৰণে অসুবিধা হৈছে। বৰ্ত্তমান এই অসুবিধা দূৰীকৰণৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীগজেন তাঁতী :— অসমলৈ অনা নিমখ অৰুণাচল, ভূটান, নগালেণ্ড আদি ঠাইলৈ যায় আৰু ষ্টেটফেডৰ জৰিয়তে অনা নিমখো বাংলা-দেশ, মেঘালয়, নগালেণ্ড, ভূটান, অৰুণাচল আদি ঠাইত বিক্ৰী হোৱা বহুত অভিযোগ ইতিমধ্যে প্ৰকাশ পাইছে সেইবিলাক অনুসন্ধান কৰিছে নেকি যদি কৰিছে সেইবিলাক ক্ষেত্ৰত ষ্টেটফেডৰ জৰিয়তে নিমখ আনিব ভাল ভাৱে বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা, ( যোগান মন্ত্ৰী ) :— ইতিমধ্যে খবৰ পোৱা হৈছিল আৰু বিশেষ বিষয়াৰ দ্বাৰা তদন্ত কৰাই কাছাৰৰ পৰা এটা ৰিপোৰ্ট পোৱা হৈছে আৰু বাকী বিলাকতো অনুসন্ধান কৰিবলৈ দিয়া হৈছে। এইটো সঁচা কথা যে অসমৰ বহু বিলাক কথাৰ বাবেও আমি কষ্ট ভোগ কৰিবলগীয়া হৈছো। বাংলাদেশলৈ কিছুমান বস্তু গুছি যায় আগতেও গৈছিল মাননীয় সদস্য সকল এইফালে থকাৰ সময়ত, এতিয়া কিন্তু অনুসন্ধান কৰি বিহিত ব্যৱস্থা লোৱাৰ কাৰণে চৰকাৰে উপযুক্ত ব্যৱস্থা লৈছে।

শ্ৰীনগেন বৰুৱা :— চাৰ, এটা তাৰংকিত প্ৰশ্নৰ কাৰণে ছয়টা মাত্ৰ পৰিপুৰক প্ৰশ্ন উত্থাপন হব পাৰে। যদি এনেকৈ এটা প্ৰশ্ন আলোচনা কৰোতেই কুৰি মিনিট যায় তেতিয়াহলে আধাঘণ্টা আলোচনাৰ যিটো ব্যৱস্থা আছে তাকেই কৰিব লাগে। কিয়নো তেনে নকৰিলে বাকী বিলাক প্ৰশ্ন আলোচনা কৰিবলৈ পোৱা নাযাব।

শ্ৰীগজেন তাঁতী :— এইটো অধ্যক্ষৰ কথা।

Mr. Speaker :— I am in the hands of the Hon'ble Members. If the Hon'ble Members put more supplementaries for a particuler question then naturally they will have little time to put supplementaries in other questions. Therefore, I would request the Hon'ble Members to come to the next question.

Re : Bhomoraguri, Bhojkhowa Chapari etc. Villages

Shri Jiban Bora asked :

*234. Will the Minister, Flood Control be pleased to state—

(a) Whether the Government is aware of the fact that more than ten thousand people residing in the village Bhomoraguri, Bhojkhowa Chapari,

Jorgarh, Koroiani Bangali, Koroiani Nepali and Rajbharal situated on the Western side of the River Morabharali and the Northern side of the Brahmaputra are very badly affected by the annual flood of both the rivers?

(b) Whether the Government have got any scheme to save these people from untold miseries and huge loss caused by the recurring floods?

(c) If so, whether the Government have drawn up any plan for providing such protection?

Shri Ramesh Mohan Kouli (Minister, Flood Control replied :

234— (a) Yes.

(b) & (c)— The Villages anected are situated in a lowlying cronically flood affected Zone, hence after examination no scheme to protect the area found to be technically feasible and economically viable.

Shri Jibon Bora :— Sir, may I know from the Hon'ble Msnister whether Govt. will take protective measures to save these people from untold miseries and huge loss caused by the recurring

floods or allow them to live on with it only by replysng that the villages affected are situated in a low lying or technically flood affected zone ?

Shri Ramesh Mohan Kouli ( Minister ) :— Sir, it is fact that the recurring floods have been affecting an area of 10,000 K. M. in this area directly. But, sir, we cannot forego the direction and advice given by the Technical Consultants: This matter was discussed in the meeting of the Board of Consultants on 6th and 8th of this month again and it was found that the villages affected were situated in lowlying areas. Therefore, the propsal was found technically not feasible.

Shri Jibon Bora :— Sir, may I know from the Hon'ble Minister whether in such cases high embankments will be constructed as protective measure just to save the people from untold miseries and heavy loss caused by the flood every year and to draw up scheme accordingly ?

Shri Ramesh Mohan Kouli (Minister) :— Sir, after the suggestion given by the Hon'ble Member when he met me last, I visited the area with my Engineers and I have instructed them to draw up alternative arrangements for that lowlying areas. Sir, the

matter is under examination now.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই যে ভোজখোৱা চাপৰিত তাৰ আশে পাশে থকা ঠাই বিলাকত যিখিনি মানুহ আছে তেওঁলোকে যোৱা ৫ বছৰে বানপানীত প্ৰপীড়িত হৈ আছে, সেই মানুহ খিনিক কিমান টকা সাহায্য দিবলগীয়া হৈছে আৰু কিমান টকা তেওঁলোকৰ সাহায্যৰ নামত খৰচ কৰা হৈছে সেইটো হিচাব মন্ত্ৰী মহোদয়ে জনাব পাৰিবনে ?

শ্ৰীৰমেশ মোহন কুলী (মন্ত্ৰী) :— যিবিলাক চৰ অঞ্চলৰ কথা ইয়াত আছে সেই অঞ্চলত কিমান দেমেজ হল সেইটো আমি পিছত দিব পাৰিম ।

Shri Ranendra Narayan Basumatori :— Sir, may I know from the Hon'ble Minister whether it is a fact that in the last meeting of the Board of Consultants, the Board disfavoured the propoal for protection of the villages which are eroded in a large scale ?

Shri Ramesh Mohan Kouli (Minister) :— Sri, the question relates to the anti-erosion measure and the Borad of Consultants had examined the technical feasiblity of the area. It is not that the Borad has disfavoured the proposal for taking anti-erosion measure of the area.

Shri Ranendra Narayan Basumatori :— Sir, may I know

from the Hon'ble Minister whether the anti erosion measure includes reaising of loylying areas, consrruction of embankments and boulder rebetnebts etc. ?

*Shri Ramesh* Mohan Kouli Minister) :— Sir, the anti-erosion measures are taken in several ways. There are temporary and permanent measures also. Raising or lowlying areas, construction of embankments and boulder rebetments are also anti-erosion meaures.

মঃ ছামচুল হুদা :— এইটো কথা সঁচানেকি যে মথাউৰি বন্ধাৰ ক্ষেত্ৰত ফিচাৰি আৰু মহলদাৰ সকলৰ স্বাৰ্থৰ খাতিৰত এই ঠাইত মথাউৰি নিৰ্ম্মাণ কৰিব পৰা নাই। যিহেতু মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এইটো টেকনিকেলি ফিজিকলত আৰু ইকনমিকেলি ভায়েবল নহয় চৰকাৰে পৰীক্ষা কৰি চাব নে ?

শ্ৰীৰমেশ মোহন কুলী (মন্ত্ৰী) :— ব্ৰহ্মপুত্ৰ আৰু মৰা ভৰলীৰ পৰা এই অঞ্চলত দুপাত পানী আহে, সেই কাৰণে এই অঞ্চলত অঁাচনি লোৱাত অলপ অসুবিধা হৈছে। কোনো ফিচাৰি বা মহলদাৰৰ ইনটাৰেষ্টৰ কথা ইয়াত অহা নাই।

Shri Prosad Chandra Doley :— Sir, this is a matter relating to the northern part of the river Brahmaputura. May I know from the Hon'ble Minister whether the protective measures for the

lowlying areas of Morigoan Subdivision will also be considered seriusly as the lowlying areas of Morigoan Subdivision are very badly affected by floods almost every year ?

Shri Ramesh Mohan Kouli (Minister) :— Yes, Sir, we are considering it seriously.

বিষয় ঃ নাহৰকটীয়া নগৰ, ফাকিয়াল আদিত বুঢ়ীদিহিং নদীৰ গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা

শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে ঃ

* ২৩৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুঢ়ীদিহিং নদীৰ গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ নাহৰকটীয়া নগৰ, ফাকিয়াল গাওঁ, নগা গাওঁ, উৰিঘামগুৰি, উষাপুৰ আদিত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(খ) এই নদীৰ বানপানী প্ৰতিৰোধৰ বাবে টিলিং ঘাটৰ পৰা নগা ঘাট পৰ্য্যন্ত এটি মথাউৰি দিয়াৰ বাবে ৰাইজে আজি বহুদিনৰ পৰা চৰকাৰৰ ওচৰত আবেদন কৰি আহিছে নেকি ?

(গ) এই আবেদন কাৰ্য্যকৰী কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

(ঘ) যদি লৈছে, তেন্তে এই আঁচনি কেতিয়া কাৰ্য্যকৰী হব ?

শ্ৰীৰমেশ মোহন কুলী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩৫। (ক)— নাহৰকটীয়া নাম ফাকিয়াল আৰু উষাপুৰত খহনীয়া প্ৰতিৰক্ষাৰ ব্যৱস্থা লোৱা হৈছে।

(খ)— হয়, ৰাইজৰ আবেদন পোৱা হৈছে।

(গ)— এই বিষয়ে যথাবিহীত অনুসন্ধান কৰি থকা হৈছে।

(ঘ)— প্ৰশ্ন নুঠে।

শ্ৰীশশ কমল সন্দিকৈ ঃ— অধ্যক্ষ মহোদয়, এই গাওঁ কেইখন যিকেইখনৰ কথা কোৱা হৈছে সেই কেইখন বুঢ়ীদিহিং নদীত জাহ যোৱাৰ অতিক্ৰম হৈছে। তাৰ ৰাইজে বহুদিনৰ পৰা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আবেদন নিবেদন কৰি আহিছে। এই সম্পৰ্কে কিবা প্ৰতিৰোধৰ ব্যৱস্থা লোৱা কাৰণে সম্ভৱনা আছে নে? যদি আছে সেই বিষয়ে জনাবনে?

শ্ৰীৰমেশ মোহন কুলী (মন্ত্ৰী) ঃ - মাননীয় সদস্যৰ জ্ঞাতাথে উৱাদিং নাথে আৰু তেওঁৰ লগত ৰাইজে ২৫-৫-৭৬ তাৰিখে এখন দৰ্খাস্ত দিছিল আৰু সেই দৰ্খাস্ত মতে বুঢ়ীদিহিংত ৪১ লাখ ৩১ হাজাৰ ৩ শ টকা এই নদীৰ বাওঁফালে মথাউৰি দিয়াৰ কাৰণে এষ্টিমেট তৈয়াৰ কৰি থকা হৈছে। নাহৰকটীয়া, উষাপুৰ, ফাকিয়াল, উৱিঘামলৈ প্ৰস্তাৱ চেংচন হৈ আছে।

শ্ৰীশশ কমল সন্দিকৈ ঃ— এই নদীৰ মথাউৰিত দুয়োফালৰ মাজভাগত ৫ কিলোমিটাৰ মান মথাউৰি নিদিয়াৰ কাৰণে সেইফালে পানী সোমায় সেই অঞ্চলটো ডুবাই দিয়াৰ সম্ভৱনা আছে। সেয়েহে

অহা বাৰিষা হোৱাৰ আগতে ৰাইজে আবেদন কৰিছে যে ইয়াত এটা মথাউৰি বান্ধিব লাগিব। এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই কিবা আশ্বাস দিবনে ?

শ্ৰীৰমেশ মোহন কুলী (মন্ত্ৰী) :— তেখেতে কোন ডোখৰৰ কথা কৈছে মই অৱশ্যে জানিব পৰা নাই। যিখিনি কথা কৈছে বুলি ভাৱিছো সেইখিনি যদি হয় তাত কাম আৰম্ভ কৰা হৈছে। নাহৰকটীয়াৰ পৰা জয়পুৰলৈ নগা গাৰলৈ ৪১ লাখ ৩১ হাজাৰ ৩ শ টকা এষ্টিমেট কৰি থকা হৈছে। এই বছৰত টেকনিকেল বৰ্ডে চেংচন এপ্ৰভেল দিলেই হল।

শ্ৰীশশ কমল সন্দিকৈ :— বতৰৰ আগজাননী মতে এইবাৰ প্ৰচুৰ বৃষ্টিপাত হোৱাৰ সম্ভৱনা আছে আৰু যদি সেইটোৱেই হয়, ডিব্ৰুগড় জিলাত প্ৰবল বানপানী হোৱাৰ আশংকা আছে ফলত ডিব্ৰুগড়, নাহৰকটীয়া দ্বীপত পৰিণত হব। সেইকাৰণে ইয়াক প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লবনে ?

শ্ৰীৰমেশ মোহন কুলী ( মন্ত্ৰী ) :— ইতিমধ্যে সেইবোৰ কাম চেংচন হৈ আছে আৰু ইয়াৰ ব্যৱস্থা লবৰ কাৰণে কাম আৰম্ভ কৰা হৈছে।

Starred Question No. 236 was not put, the Member being absent.

বিষয় ঃ গুৱাহাটী–হাজো–বৰপেটা ৰাস্তাৰ চেচা নদীৰ ওপৰৰ কাঠৰ দলং

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ২৩৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী, হাজো, বৰপেটা ৰাস্তাৰ চেচা নদীৰ ওপৰত যিখন কাঠৰ দলং আছে সেই দলংখন পকী দলংলৈ পৰিবৰ্ত্তন কৰা আঁচনি চৰকাৰে লৈছে নেকি?

(খ) যদিহে লৈছে, এই কাম কেতিয়াৰ পৰা আৰম্ভ হব?

(গ) উক্ত ৰাস্তাত আগিয়াঠুৰী পাহাৰৰ পশ্চিম কাষত পাহাৰৰ গাতে লাগি থকা যিখন কাঠৰ সৰু দলং আছে, সেই দলংখনৰ জৰাজীৰ্ণ অৱস্থাৰ কথা চৰকাৰে জানেনে?

(ঘ) যদিহে জানে, তেনেহলে এইখন এটা ডাঙৰ পকা পুললৈ পৰিবৰ্ত্তন কৰিবৰ বাবে আঁচনি চৰকাৰে লৈছে নেকি?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৩৭। (ক)— এই আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(খ)— উপৰোক্ত (ক) ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(গ)— হয়, জানে।

(ঘ)— পানীৰ পৰিমাণ অনুসৰি Double Lane Hume Pipe Culvert ৰ কাম কৰি থকা হৈছে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ:— মাননীয় অধ্যক্ষ মহোদয়, এই যে দলংখনৰ সংক্ৰান্তত যিটো ডবোল লেন হাম পাইপ কালভাৰ্টৰ কাম কৰি আছে, সেই দলংখন এক বিপদ সংকোল অৱস্থাত আছে,

মাননীয় মন্ত্ৰী মহোদয়ে সেইটো পৰীক্ষা কৰি চাবনে ? আৰু দ্বিতীয় কথা হ'ল হাজো, বৰপেটাৰ মাজৰ যিখন দলঙৰ কাম চলি আছে, সেই দলঙখন একেবাৰে থৰক-বৰক অৱস্থাত আছে আৰু এই দলঙখনৰ ওপৰেদি দৈনিক তিনি-চাৰিশ খন গাড়ী অহা-যোৱা কৰে। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো পৰীক্ষা কৰি চাই সোনকালে কিবা সু-ব্যৱস্থা লোৱাৰ চিন্তা কৰিব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমটোৰ উত্তৰত মই কৈছো যে এইটো পৰীক্ষা কৰি চাম আৰু দ্বিতীয়টো প্ৰশ্নৰ উত্তৰত মই ক'ব খুজিছো যে এই দলঙ খনৰ অৱস্থা উন্নতি কৰিবৰ কাৰণে নিশ্চয় চিন্তা কৰি চাম।

Starred Question No. 238 was not put, the Member being absent.

Rs : Stolen pair of tusks of Assam State Zoo

Shri M. Ibrahim Ali asked :

* 239. Will the Minister, Forests be pleased to state —

(a) Whether it is a fact that a pair of tusks belonging to the Assam State Zoo has been stolen ?

(b) If so, whether that pair of tusks was sent to the "Adimjati Sanmilan" at Dispur for Exhibition ?

(c) If so, whether the same pair was received back by the Zoo authority ?

(d) Who was the Officer-in-charge of the Zoo at that time and whether the same officer served in the Kaziranga and Cachar Forest Divisions also ?

(e) What steps the Government have taken so far in this respect ?

Shri Samar Brahma Choudhury ( Minister, Forests ) replied

239. (a)— Yes.

(b)— The pair of tusks was displayed in the Forest Department's Stall opened and maintained by the Zoo authority in the Exhibition in connection with the Adim Jati Sanmelan held at Dispur.

(c)— Does not arise of the pair of tusks was all along in the custody of the Zoo authority. After the Exhibition was over the pair of tusks along with other articles displayed by the Forest Department in the said Exhibition was taken back to the Zoo museum.

(d)— Shri N. C. Chakravarty, Divisional Forest Officer. Yes, he also worked as Divisional

Forest Officer in Kaziranga Wild Life Division and in Cachar Division.

(e) - The case is under investigation by the Police.

Shri Md. Ibrahim Ali :— Mr. Speaker, Sir the hon'ble Minister replied that the pair of tusks has been lost. May I know from the Minister wherefrom that pair was lost ?

Shri Samar Brahma Choudhury ( Minister ) :— From museum in the Zoo premises.

Shri Md. Ibrahim Ali : — If it is so, Sir what was the date and time when the missing or the theft was located or detected ?

Shri Samar Brahma Choudhury ( Minister ) :— It was discovered on 9,12.75 in the morning when the chowkidar went to open the museum for display,

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই জুৰ মিউজিয়ামৰ পৰা হাতী দাতৰ চুৰী সম্পৰ্কত মিউজিয়ামৰ চকীদাৰৰ বাহিৰেও কোন অফিচাৰ তাৰ দায়িত্বত আছিল, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে এই চাবিটো এজন একাউন্টটেণ্টৰ হাতত থাকে। তাৰোপৰি জুৰ চাৰ্জত ইনচাৰ্জ হিচাবে ডি, এফ, অ আৰু এ, চি, এফ থাকে।

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই হাতী দাতৰ চুৰীৰ সংক্ৰান্তত পুলিচত কিমান তাৰিখে গোচৰ দিয়া হৈছিল আৰু সেই গোচৰৰ কাৰ্য্য কোন কোন পৰ্য্যায়ত চলি আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ১২-১২-৭৮ তাৰিখে যেতিয়াই ঘটনাটো ঘটে তেতিয়াই পুলিচক খবৰটো দিয়া হৈছিল আৰু ১৫ মিনিটৰ পিছতেই পুলিচ আহি উপস্থিত হৈছিল।

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sir it appears that these sorts of things are becoming cronic to the Forest Department. Will the Minister be plased to state what was the approximate value of the tusks and whether it was taken away by breaking the lock of the house or by breaking the doors of the house or with the help of the concerned officials and who is the person responsible for this and whether any action has been taken against the officer at fault.

Shri Samar Brahma Choudhury (Minister) :— The approximate value of the task is Rs. 47,000/-and when the chowkidar in the next morning went to open the lock the lock was found intact. But inside the house a chain and other things which have been used to tie up the tusks were found broken.

Shri Altaf Hussain Mazumder :— Mr. Speaker, sir ppar-

ently it appears that it has been done by the people who are in custody of the tusks. Will the Minister be pleased to state whether they have been suspended and nepartmental action have taken against them ?

Shri Samar Brahma Choudhury (M.nister) :— The matter was referred to police for investigation and as per police report the following persons are arrested. The names of the arrested prsons are Shri Prabin Kumar Mikir, peon, Durga Prasad Sarma, night chowkidar, Teran Ch, Roy, night chowkidar Nagen Rajbanshi, night chowkidar and Kulo Bahadur Chetri, night chowkidar.

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, পুলিচলৈ যেতিয়া ডিপাৰ্টমেণ্টৰ পৰা গোচৰ দিয়া হৈছিল, সেইথিনি সময়ত কাৰ ওপৰত সন্দেহ কৰা হৈছিল আৰু এই যে চক্ৰৱৰ্ত্তী বোলা অফিচাৰ জন আছে, তেখেত চপটগ্ৰামৰ ৰেলৱে স্ক্ৰেণ্ডেলত অভিযুক্ত অফিচাৰ বুলি মন্ত্ৰী মহোদয়ে জানেনে আৰু তেনে ধৰণৰ বহুতো ঘটনাৰ লগত জৰিত হৈ আছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে, যদি জানে এই বিষয়ে অনুসন্ধান কৰিছে নে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰত্যেকটো কেচৰ সংক্ৰান্তত প্ৰয়োজনীয় তথ্য পাতি সংগ্ৰহ কৰা হৈছে আৰু মাননীয় সদস্য ডাঙৰীয়াই কোৱা মতে এফ, আৰ, আই, এৰ্ফৰ মতে আমি জনাই দিছো। পুলিচ অহাৰ পিচত পুলিচৰ পৰামৰ্শ

মতে এই কেইজন মানুহৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে।

Shri Altaf Hussain Mazumder :— Mr. Speaker, Sir the hon'ble Minister has stated that the police is investigating the case and he has named some IVth grade officials who were placed under arrest. It is always seen that in this nature of cases VIth grade officials become the scape goat. But where is the bar in suspending the officers who are the custodian of this proprty of Zoo and during his time the tusks were missed, otherwise they will manipulate of in investigation.

Shri Samar Brahma Choudhury (Minister) :— As per the investigation report there has been no prima facie case established against the other officers. So we are not in a position to suspend them.

শ্ৰীহেমেন দাস :— মন্ত্ৰী মহোদয়ে কৈছে চকীদাৰ যোৱাৰ পিচতো তলা বন্ধ হৈ আছে তাৰ মানে তলাটো ভালেই আছিল। যদি তলাটো বন্ধ হৈয়েই আছিল তেনেহলে নাইট চকীদাৰজনক চাচপেণ্ড কৰা হল কিয়? আৰু চাবি কোন বিষয়াৰ হাতত থাকে? চাবি থকা বিষয়াজনক কি কৰা হল?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) :— সাধাৰণতে যাৰ হাতত চাবি থাকে সিদিনাখন শুক্ৰবাৰ আছিল আৰু সেই বিষয়াজন ছুটীত

আছিল আৰু চাবি লগতলৈ গৈছিল। আৰু সেই কাৰণে একাউণ্ট-টেণ্টে চকীদাৰক সেই বিষয়ে কৈ ৰাখিছিল।

Sri Premadhar Bora :— Sir, Pending finalisation of the case, why the responsible Officer, in-charge of the State Zoo was not put under suspension.

( No reply )

Sri Premadhar Bora :— Sir, when a museum is under the supervision of the Divisional Forest Officer, any valuable property stolen therefrom, the responsibility should be fixed on the Divisional Forest Officer. Why he was not placed under suspension.

Sri Samar Brahma Choudhury (Minister) :— There was no prima-facie case found against the Officer.

Sri Hemen Das :— Sir, instead of placing under suspension the responsible officer, in-charge of the Zoo, the Night Chowkidar and others have been placed under suspension. The suspension order served on them should be withdrawn immediately since they were not at all responsible as the room was under lock and key.

Sri Atul Chandra Goswami :— Sir, on that Friday, where was the in-charge of the State Zoo?

Sri Samar Brahma Choudhury (Minister):— The Divisional Forest Officer was in his residence.

শ্ৰীগোলোক ৰাজবংশী :— যেতিয়া প্ৰদৰ্শনী হৈছিল তাৰ পিচত হাতী দাঁত দুটা মিউজিয়ামলৈ ঘুৰাই লৈ গৈছিল। ঘুৰাই নিয়াৰ পিচত তাত কোনে গ্ৰহণ কৰিলে আৰু কোনে চাবি মাৰিলে? সেই বিষয়াজনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বনবিভাগৰ মন্ত্ৰী) :— মই আগতেই কৈছো প্ৰদৰ্শনী জুৰ তৰফৰ পৰা কৰা হৈছিল। আৰু ওভোটাই নিয়াত জু অথৰিটিয়ে গ্ৰহণ কৰিছিল।

শ্ৰীগোলোক ৰাজবংশী :— কোনে গ্ৰহণ কৰিলে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— জু অথৰিটিয়ে গ্ৰহণ কৰিলে।

Sri Golok Rajbangshi :— Sir, I would like to know from the Hon'ble Minister when the exhibition was held and the theft occured?

Shri Samar Brahma Choudhury (Minister) :— Mr. Speaker, Sir, the theft occured after one month of the Exhibition. The exhibition was held on 11-11-78 and the theft occured on 12-12-78.

Sri Premadhar Bora :— Sir, whether the present Divisional Forest Officer is being removed from the Zoo?

Shri Samar Brahma Choudhury (Minister) :— No.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— কিমান তাৰিখে জু অথৰিটিয়ে ঘুৰাই নিলে আৰু কিমান তাৰিখে গ্ৰহণ কৰিলে ?

Sri Samar Brahma Choudhury ( Minister ) :— The tusks were received on 11-11-78 in the Zoo Museum.

Sri Altaf Hussain Mazumdar :— Sir, it is very regrettable to say that some officer of the responsible for is imohned custody of this valuable property of Government, what prima facie case is required to be established. The officer of the responsibility for custody of this property should be suspended immediately and investigation started there after.

Sri Samar Brahma Choudhury (Minister) :— It is under investigation and in the interest of investigation, it is not desirable to disclose all the facts.

Sri A.N.Akram Hussain :— Sir, is he the Divisional Forest Officer, who received back the article ?

Sri Samar Brahma Choudhury ( Minister ) :— Sir, Zoo Authority received back the Articles.

শ্ৰীঅজয় দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই জু'ত এগৰাকী বিষয়া যাৰ দায়িত্ব অভাৰচিয়াৰ নিচিনা তেওঁ তাত একেৰাহে ১৫ বছৰ আছে। তেওঁৰ হাতত এডাল চাবি আছে যিডালেৰে সেই সকলো বিলাক তলা খুলিব পাৰি। সেই

একে দিনাই এই বিষয়াজনে বহুত সন্ধিয়ালৈকে কাম কৰি আছিল। যি কেইজনক গ্ৰেপ্তাৰ কৰা হল তেওঁলোকে অভিযোগ দিছিল কিন্তু তেওঁলোকৰ কথা কোনেও নুশুনিলে গতিকে এই বিষয়া সকলক কোনো দণ্ড দিয়া নাই এই কথা সচাঁনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— এতিয়ালৈকে তেনে অভিযোগ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় সদস্যজনে কৈছে যেতিয়া সেই সম্বন্ধে অনুসন্ধান কৰিম।

শ্ৰীচামচুল হুদা:— এই মোকৰ্দ্দমাত প্ৰকৃততে যি সকল সাক্ষী আছিল তেওঁলোকক আচামী কৰি গোটেই কেচটো নষ্ট কৰাৰ এটা ব্যৱস্থা কৰিছে এই কথা সচা নে?

Shri Samar Brahma Choudhury (Minister):— It is the matter of opinion.

শ্ৰীচামচুল হুদা:— অধ্যক্ষ মহোদয়, আমি আপোনাৰ প্ৰটেক্সন বিচাৰিছোঁ। মোৰ প্ৰশ্ন হৈছে সাক্ষীকে আচামী কৰি কেচটো নষ্ট কৰিব বিছাৰিছে। এই সম্পৰ্কে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হব লাগে।

(উত্তৰ নাই)

শ্ৰীএন আক্ৰম হুচেইন:— মন্ত্ৰী মহোদয়ে কৈছে যে চাবি বেলেগ বিষয়াৰ হাতত আছিল। তাৰ মানে তলাটো ঠিকেই আছিল। ভঙা নাই। যিহেতু মন্ত্ৰী মহোদয়ে অন্য বিষয়াৰ কথা কৈছে ডি এফ অ চাৰ্জত আছে। তাৰ মানে তেওঁৰ হাতত আছিল। এতিয়া প্ৰশ্ন হৈছে পুলিচৰ তদন্ত চলি থকা অৱস্থাত কোনো বিষয়াক চৰকাৰে সাময়িক ভাৱে বৰ্খাস্ত কৰিব পাৰে নে নোৱাৰে? যদি পাৰে তেনেহলে এই ডি এফ অ জনক বৰ্খাস্ত নকৰি অন্য কেইজনক

বৰ্খাস্ত কৰাৰ কাৰণ কি?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী):— যিহেতু কেচটো ইনভেষ্টিগেচন ষ্টেজতে আছে মই সদনক এই আশ্বাস দিব পাৰোঁ এই নথি পত্ৰ সকলোখিনি তালাছ কৰি আনি মই নিজে বন মন্ত্ৰীৰ লগত লগ হৈ গোটেই বিষয়টো তদন্ত কৰি এই অধিবেশনৰ ভিতৰতে ব্যৱস্থা লোৱা হব বুলি মই আশ্বাস দিলোঁ।

শ্ৰীপ্ৰেম বৰা:— এই বিষয়াজনক সন্যহতে বৰ্খাস্ত কৰি ৰাখি কেচটো তদন্ত কৰাত চৰকাৰৰ কি আপত্তি থাকিব পাৰে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী):— মই সেই কাৰণে কৈছোঁ মই সকলো তথ্য পাতি বিচাৰি আনি যদি কৰোবাৰ গাত কিবা চেকা আছে নিশ্চয় ব্যৱস্থা লম।

Shri Golok Rajbanshi :— Mr. Speaker, Sir, it is apparently a prima facie case which has been established against the officer.

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী):— প্ৰাইমাফেচী হৈছেনে নাই কব নোৱাৰোঁ কিন্তু কেচটো ইনভেষ্টিগেচন ষ্টেজতে আছে। গতিকে সকলো নথি পত্ৰ চাই মই নিজে বন মন্ত্ৰীৰ লগত আলোচনা বিলোচনা কৰি ব্যৱস্থা লম বুলি সদনক আশ্বাস দিলোঁ।

Mr. Speaker:— Now, next question.

Re: Weaving and Handloom Training facilities to unemployed youths

Shri Afazuddin Ahmed asked:

* 240. Will the Minister, Sericulture and Weaving be pleased to stated.

(a) Whether Government propose to introduce Weaving and handloom training facilities to unemployed youths both male and female of non-weaving areas ?

(b) Is it a fact that the Government propose to establish some weaving propuction-*cam*-training centrs in areas predominantly inhabited by the Immigrant Muslims of the Minority Community in particular ?

(c) Whether it is also a fact that the Mahila Samity of Pabha Gaon Panchayat, North Lakhimpur has been moving the Government from a very long time for establishment of at least one production-*cum*-training Centre ?

(d) If so, whether the Government will sympathetically consider the long pending proposal and establish one production-*cum*-training Centre on experimental basis duriug the current financial year ?

Shri Gandhi Ram Timung (Minister of State, Sericulture and Weaving) replied :

দিব লাগে। কিন্তু চিমেণ্ট বা অন্যান্য সামগ্ৰীৰ অভাৱৰ কাৰণে হয়তো পৰি আছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— এই ধলমণি শ্লুইচ গেটটো বিলাতী মাটিৰ অভাৱতে পৰি থকা বুলি কৈছে। বোধহয় যোৱা ৯ বছৰে বিলাতী মাটিৰ অভাৱ হোৱা নাছিল। এই ৯ বছৰ কি কাৰণত পেলাই ৰখা হ'ল? ৯ বছৰ আগৰ পৰাই বিলাতী মাটিৰ অভাৱ হৈ আছিল নেকি?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— এইটো খবৰ পোৱা মতে কাম কিছু হৈছে। বাকী খিনি বিলাতী মাটিৰ অভাৱৰ কাৰণেই বন্ধ হৈ আছে। তাৰোপৰি ঠিকাদাৰ সকলে ৰেট বঢ়াই দিবলৈ কোৱাত আৰু এষ্টিমেটৰ ৰেটতকৈ বেছি এমাউণ্টৰ চেংচন নথকাৰ কাৰণেই ৰেট বঢ়াই দিব পৰা নহয়। তাৰ কাৰণে ঠিকাদাৰ কেন্সেল কৰা হৈছে আৰু নতুন ঠিকাদাৰক দিয়া হৈছে। তেওঁয়ো চিমেণ্টৰ অভাৱত কাম কৰিব পৰা নাই। এইবিলাক কাৰণতেই কামটো বন্ধ হৈ আছে।

Undisposed Starred Questions dated 20-3-79

বিষয় ঃ ধেমাজি মহকুমাৰ ব্ৰহ্মপুত্ৰৰ সোঁপাৰৰ মথাউৰি

শ্ৰীপূৰ্ণ চন্দ্ৰ বৰাই সুধিছে ঃ

* ২৪২। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰৰ সোঁপাৰৰ মথাউৰিটোৰ ধেমাজি মহকুমাৰ জোনাই বিধান

সভা সমষ্টিৰ আমগুৰি অঞ্চলৰ অংশ বিশেষত যোৱা বছৰ (১৯৭৮) ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে চিঙা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে কোন অংশত চিঙিছিল আৰু এই চিঙাৰ ফলত বানপনীত প্লাৱিত হোৱা আৰু ক্ষতিগ্ৰস্ত হোৱা গাওঁ আৰু পৰিয়ালৰ সংখ্যা কিমান ?

(গ) উক্ত চিঙা অংশ বন্ধ কৰিবৰ বাবে তৎকালিন ভাবে কি ব্যৱস্থা বাননিয়ন্ত্ৰণ বিভাগে গ্ৰহণ কৰিছিল আৰু কিমান টকা ব্যয় কৰা হ'ল আৰু সফলতা কিমান হল ?

(ঘ) উক্ত অংশ বিশেষত মথাউৰিটো চিঙাৰ কাৰণ চৰকাৰে তদন্ত কৰিছিলনে আৰু যদি কৰিছিল তেন্তে তদন্তৰ প্ৰতিবেদন চিঙাৰ কাৰণ কি বুলি ঠাৱৰ কৰিছিল ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৪২। (ক)— হয় সচাঁ।

(খ)— দেউৰ ঘাট চিচিকলবৰ ব্ৰহ্মপুত্ৰ মথাউৰিটো আমগুৰি অঞ্চলত ৯ কিঃ মিঃ ত চিঙিছিল আৰু এই চিগাৰ ফলত ৫৬ খন গাওঁ আৰু ২১০০ টা পৰিয়াল ক্ষতিগ্ৰস্থ হয়।

(গ)— তৎকালিন ব্যৱস্থা লোৱা হোৱা নাছিল।

(ঘ)— মথাউৰিটো যিহেতু প্ৰাকৃতিক কাৰণবশত চিগিছিল ইয়াৰ কাৰণ নিৰ্ণয়ৰ বাবে কোনো চৰকাৰী তদন্তৰ আৱশ্যকতা বোধ-কৰা হোৱা নাছিল।

বিষয় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় আৰু আৰ্থিক আসোঁৱাহ সম্বন্ধে গঠন কৰা তদন্ত আয়োগ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

* ২৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় আৰু আৰ্থিক আসোঁৱাহ সম্বন্ধে তদন্ত আয়োগ গঠন কৰিছেনে ?

(খ) যদি কৰিছে, এই আয়োগে তদন্তৰ প্ৰতিবেদন দাখিল কৰিছেনে ?

(গ) যদি কৰিছে, এই প্ৰতিবেদনত আয়োগে কাৰোবাক দোষী সাব্যস্ত কৰিছেনে ?

(ঘ) যদি কৰিছে, দোষী সকলৰ বিৰুদ্ধে কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৪৩। (ক)— ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনৰ ৯ (১) ধাৰামতে আচাৰ্য্যই এটা তদন্ত আয়োগ গঠন কৰিছিল।

(খ)— হয়, কৰিছে।

(গ)— আয়োগে প্ৰতিবেদনত বিশ্ববিদ্যালয়ৰ কেইবাজনো বিষয়াক দোষী সাব্যস্ত কৰা বুলি জনা গৈছে।

(ঘ)— বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্ব্বাহক পৰিষদে ( Executive Council ) বিশ্ববিদ্যালয় আইন অনুসৰি দোষী বিষয়াকৰ যথা বিহিত ব্যৱস্থা হাতত লোৱা বুলি জনা গৈছে।

Re: Findings of Inquiry Commission relating to officers of Dibrugarh University

Shri Promode Gogoi asked :

* 244. Will the Minister, Education be pleased to state

(a) Whether it is a fact that the Chancellor of the Dibrugarh University had appointed an Inquiry Commission to go into the alleged irregularities committed by Certain Officials and Members of the Executive Council ?

(b) If so, what are the findings of the Inquiry Commission ?

Shri Lakshyadhar Choudhury ( Minister, Education ) replied :

244. (a)— Yes.

(b)— A summary of the findings of the Inquiry Commission is placed on the Table of the House.

Re : Mohanpur-Katakhal and Bakrihower dykes

Shri Ramendra De asked

*245. Will the Minister, Flood Control be pleased to state—

(a) What is the total amount incurred for the repairing of Mohanpur-Katakhal and Bakrihower dykes within Hailakandi F. C. Division during the year 1972 to 1978 ?

(b) Is it a fact that the condition of the dykes is very miserable ?

(c) If so, whether it is a fact that no repairing work of the dyke has been done ?

(d) Whether Government propose to repair the said dykes before the next flood ?

Shri Ramesh Mohan Kauli (Minister, Flood Control) replied :

245. (a)— The total expenditure incurred on repairs including maintenance of the dykes is as follows:

(i) Mohanpur-Katakhal dyke Rs. 6,74,755.00

(ii) Bakrihower dyke Rs, 5,08,737.00

(b)— It is not a fact that the condition of the dykes is very miserable. However the Mohanpur Katakhal dyke has been affected due to erosion at ch 1000m, 4000m and 5000m. The section of the dyke being inadequate at places requires

raising and strengthening.

(c)— Repairing works of the dyke has been done from time to time as per availability of fund:

(d)-- It is proposed to execute the repair works in some reaches of the dykes as per availability of fund.

বিষয় ঃ পুলিচ বেটেলিয়নৰ ৰৰাখানা

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে :

* ২৪৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কেইটা পুলিচ বেটেলিয়ন আছে ?

(খ) এই বেটেলিয়ন বিলাকত মাজে মাজে 'ৰৰাখানাৰ' আয়োজন হয় নেকি ?

(গ) এই 'ৰৰাখানা' বিলাকৰ পুঁজি কৰ পৰা সংগ্ৰহ কৰা হয় ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৪৬। (ক)— ৯ টা। আৰু এটা পুলিচ বেটেলিয়ন গঠন কৰাৰ প্ৰাৰম্ভিক কাৰ্য্য আৰম্ভ কৰা হৈছে।

(খ)— হয়।

(গ)— 'ৰৰাখানাৰ' পুঁজি বেটেলিয়নৰ সকলো পৰ্য্যায়ৰ লোকে বৰঙণি

হিচাবে দিয়ে। ইয়াত কোনো বাধ্য বাধকতা নাই।

বিষয় ঃ হাজো সৃতিৰ দক্ষিণ পাৰে বৰহাদিয়া আৰু দামপুৰৰ মাজত মঠাউৰি

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ২৪৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাজো সুতিৰ দক্ষিণ পাৰে বৰহাদিয়া আৰু দামপুৰৰ মাজত বান-পানী প্ৰতিৰোধৰ কাৰণে মঠাউৰি এটাৰ ১৯৭৬ চনত জৰিপ হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদিহে জানে, তেনেহলে ইয়াৰ কাম হাতত লোৱা হোৱা নাই কিয় ?

(গ) অহা বাৰিষাৰ আগত এই মথাউৰিৰ কাম হাতত লোৱা হবনে ?

শ্ৰীৰমেশ মোহন কুলি ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৪৭। (ক)— প্ৰাথমিক অনুসন্ধান কাৰ্য্য চলোৱাত বাদে কোনো জৰিপ হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

(গ)— প্ৰশ্ন নুঠে।

বিষয় ঃ ফাৰ্ম্মাচিষ্ট

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

* ২৪৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমানে কিমানজন পঞ্জীভুক্ত ফাৰ্ম্মাচিষ্ট আছে ?

(খ) অসমত বছৰি গড় হিচাবে কিমানজন ফাৰ্ম্মাচিষ্টে প্ৰশিক্ষণ পাছ কৰি ওলায় ?

(গ) অসমৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মেডিকেল কলেজত ফাৰ্ম্মাচিষ্ট প্ৰশিক্ষণ কেন্দ্ৰ এটি খোলাৰ বাবে চৰকাৰে সিদ্ধান্ত কৰিছেনে ?

ডাঃ কোমেশ্বৰ বৰা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৪৮। (ক)— অসম ফাৰ্ম্মাচী কাউন্সিলৰ পঞ্জীয়ন বহী মতে অসমত সৰ্বমুঠ ২২৩৮ জন পঞ্জীয়নভূক্ত ফাৰ্ম্মাচিষ্ট আছে।

(খ)— গড়ে ৫৫ জন।

(গ)— নাই কৰা।

বিষয় ঃ ময়নভুৰী বজাৰৰ ওচৰৰ মৰা চাউলখোৱাৰ ওপৰত দলং

শ্ৰীএম, ইব্ৰাহিম আলিয়ে সুধিছে ঃ

* ২৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ লাংলা চেনিমাৰী ময়নভুৰী P. W. D. ৰাস্তাত ময়নভুৰী বজাৰৰ নিকটবৰ্ত্তী মৰা চাউলখোৱাৰ ওপৰত দলং নোহোৱাত স্থদীৰ্ঘ ময়নভুৰী চতলা ৰাস্তা যোগা-যোগহীন হৈ থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে উক্ত মৰা চাউলখোৱাৰ ওপৰত এখন দলং সাজিবলৈ এই চলিত বিত্তীয় বছৰতে ব্যৱস্থা লবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে

২৪৯। (ক)— হয়।

(খ)— বিষয়টো চৰকাৰৰ বিবেচনাধীন।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 20th March, 1979

( To which answers were laid on the table )

### Re : Appointment of Doctor and Staff in Veterinary Hospital at Bedoti

Shri Bishnulal Upadhyaya asked :

23. Will the Minister, Veterinary be pleased to state—

(a) Whether Government have taken any step for

appointment of the Doctor and Staff in the Veterinary Hospital at Bedeti ?

(b) If so, when ?

Shri Samar Brahma Choudhury ( Minister, Veterinary ) replied :

23. (a)— There is no Veterinary Hospital at Bedeti as such the question of appointment of Doctor and Staff does not arise.

(b)— Does not arise.

Re : Detection of Bangladeshies in the districts of Darrang, Nowgong and Lakhimpur

Shri M. Ibrahim ali asked :

24. Will the Chief Minister be pleased to state—

(a) The number of Bangladeshi detected so far in the Districts of Darrang, Nowgong and Lakhimpur belonging to the minority community ?

(b) Whether it is a fact that the persons concerned in the cases are not given the chance of self-defence ?

(c) Whether it is also a fact that many families having permanent settlement in other districts and possessing citizenship of India have been deported ?

(d) If so, the reasons thereof ?

Shri Golap Borbora (Chief Minister) replied ;

24. (a)— The number of Bangladeshi belonging to minority community detected in different Districts are given below :—

Darrang— 2148 from 1976 to 31-1-79.
Lakhimpur - 926 from 1976 to 31-1-79.
Nowgong— 758 from 1976 to 31-1-79.

Statement showing year wise figure of detection and deportation is placed on the Table of the House.

(b)— According to the present procedure cases are not referred to any court. However, when any body files Title Suit Case and obtain court injunction the deportation is suspended till clearance received from the court.

(c)— There is no question of deporting any bona fide Indian national.

(d)— Does not arise.

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker :— Now, question hour is over. I have received a few notices for raising some matters after the question hour. Since the day is fixed for voting on demands there is no scope under the Rules to allow the hon'ble members to raise the matter. However, important matters will be allowed to be raised after 6 P. M. today if they so desire. Now, voting on demands.

Shri Lakshyadhar Choudhury (Minister) :— Hon'ble Speaker, Sir. On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 70,75,77,300, be granted to the Minister-in-charge to defray the charges which will come in coures of payment during the year ending the 31st March, 1980 for the administration of the head '268-Miscellaneous General Services (II) Education Department 277-Education (I) 677-Loans for Education, Art and culture."

Mr. Speaker :— There are cut motions.

Shri M. Shamsul Huda :— Mr. Speaker, Sir. I move the cut motion that the total provision of Rs. 70, 75,77,300, under Grant No. 34, Major head "268

Miscellaneous Genaral Services (II) Education Department, 277-Education (I) 677-Loans for Education, Art and Culture" at pages 1-76 of Volume II, Part VIII of the Budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 70,75,77,300, do stand reduced to Re. 1.

Shri Atul Chandra Goswami :— Mr. Speaker, Sir. I beg to move that the total provision of Rs. 70, 75,77,300, under Grant No. 34, Major head "268 Miscellaneious General Services (II) Education Department, 277-Education (I) 677-Loans for Education, Art and Culture." at pages 1-76 of Volume II, Part VIII of the Budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 70, 75,77,300, do stand reduced to Re. 1.

Shri Dewan Joynal Abedin :— Sir, I beg to move that the total provision of Rs. 70,75,77,300, under Grant No. 34, Major head "268-Miscellaneous General Services (II) Education Department 277-Education (I) 677-Loans for Education, Art and Culture" at pages 1-76 of Volume II, Part VIII of the Budget, be reduced to Re. 1, i. e. the amount of the whole grant of Rs. 70,75,77,300, do stand reduced to Re. 1.

Shri Ibrahim Ali :— Sir, I move that the total provision of Rs. 70,75,77,300 under Grant No. 34 Major head "268-Miscellaneous General Services (II) Education Department, 277-Education (I) 677 Loans for Education, Art and Culture", at pages 1-76 of Volume II, Part VIII of the Budget, be reduced by Rs. 100, i. e. the amount of the whole grant of Rs. 70,75,77,300, do stand reduced by Rs. 100.

Shri Nishith Ranjan Das :— Sir, I beg to move that the total provision of Rs. 70,75,77,300, under Grant No. 34, Major head "268-Miscellaneous General Services (II) Education Department, 277 Education (I) 677-Loans for Education, Art and Culture," at pages 1-76 of Volume II, Part VIII of the Budget, be reduced by Rs. 100, i. e. the amount of the whole grant of Rs. 70,75,77,300, do stand reduced by Rs. 100.

Shri Nepal Chandra Das :— Mr. Speakea, Sir. I beg to move that the total provision of Rs. 70,75,77, 300, under Grant No. 34, Major head "268-Mis-llaneous General Services (II) Education Department, 277-Education (I) 677-Loans for Educations Art and Culture" at pages 1-76 of Volume II, Part VIII of the Budget, be reduced by Rs. 100,

i. e. the amount of the whole grant of Rs. 70, 75,77,300 do stand reduced by Rs. 100.

Shri Lakshyadhar Choudhury ( Minister ): Mr. Speaker, Sir. On the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 61,97,300 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1980 for the administration of the head "278-Art and Culture (I)."

Shri M. Sumsul Huda :— Mr. Speaker, Sir. I beg to move the cut motion that the total pravision of Rs. 61,97,309, under Grant No. 35, Major head "278-Art and Culture (I)" at pages 77-91 of Volume II, Part VIII of the Budget, be reduced by Rs. 100, i. e. the amount of the whole grant of Rs. 61,97,300 do stand reduced by Rs. 100.

Shri Ibrahim Ali :— Sir, I move that the total provision of Rs. 61,97,300 under Grant No. 35 Major head "278-Art and Culture (I)," at pages 77-91 of Volume II, Part VIII of the budget, be reduced by Rs. 100, i. e. the amount of the whole grant of Rs. 61,97,300 do stand reduced by Rs. 100.

* শ্ৰীচামচুস হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত দাবী মঞ্জুৰী প্ৰস্তাৱটোৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰি মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। শিক্ষাৰ ব্যৱস্থাটো আমাৰ ৰাজ্যত দৰা-চলতে যোৱা ৩২ বছৰ ধৰি এটা অচল অৱস্থা হৈ আছিল। আজি আমাৰ দেশখনত বা ৰাজ্যখনত শিক্ষাৰ ব্যৱস্থাটো যেনে ভাবে হব লাগিছিল বা যি হাৰত আগবাঢ়িব লাগিছিল প্ৰকৃততে সেই হাৰত সম্প্ৰসাৰিত বা উন্নতি যোৱা ৩২ বছৰে আমি একো কৰিব নোৱাৰিলো। প্ৰাথমিক পৰ্য্যায়লৈ যদি আমি চাওঁ তেতিয়া-হলে দেখা যায় যোৱা ৩২ বছৰৰ পিচতো এই প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যখনৰ সকলো গাৱঁৰ আৰু চহৰৰ প্ৰতি পৰিয়ালৰ লৰা-ছোৱালীক সাঙুৰি লব পৰা নাই। আমাৰ লৰা-ছোৱালীক আমি এতিয়াও স্কুললৈ পঠাব পৰা নাই। সেয়েহে আজি প্ৰায় শতকৰা ৭০ ভাগ মানুহেই নিৰক্ষৰ হৈ আছে। এই সকলক আমি শিক্ষিত কৰি তুলিব পৰা নাই। শিক্ষা দিয়া কথাটো দূৰ-তেই আনকি চেষ্টা কৰিবৰ কাৰণেও এই মানুহখিনিক প্ৰস্তুত কৰিব পৰা নাই। প্ৰকৃততে যোৱা ৩২ বছৰে আমাৰ দেশত ৰজা ফেৰাচনৰ ৰাজত্ব নিচিনা হল। ৰজা ফেৰাচনে ৰাজ্যৰ সমূহ জন-সাধাৰণক নিৰক্ষৰ কৰি নিজকে ভগৱান বুলি দাবি কৰিছিল। ঠিক সেইদৰে আজি আমাৰ ইয়াতো নিৰক্ষৰ আৰু অশিক্ষিত কৰি এই মানুহখিনিৰ দ্বাৰাই গনতন্ত্ৰ চলাই আছে। আৰু তেওঁ-লোকৰ ক্ষমতা বজাই ৰাখিবৰ কাৰণে সেই নিৰক্ষৰ মানুহখিনি বিপথে অপথে চলাই আছে। সেইকালৰ পৰা ভাৰতবৰ্ষতো শিক্ষাৰ ক্ষেত্ৰত আৰু আমাৰ অসমত ৰজা ফেৰাচনৰ নিচিনা হৈ আছে, সেইটো আমি নুই কৰিব নোৱাৰো।

* Speech not corrected

এইখিনিতে মই উল্লেখ কৰা ভাল হব যে স্বাধীন দেশ হিচাবে শিক্ষাৰ ইতিহাসত চৰকাৰে নিজে প্ৰাথমিক স্কুল পতাৰ কোনো দৃষ্টান্ত নাই। সংবিধানত আছে যে প্ৰাথমিক শিক্ষা বাধ্যতা-মুলক কৰিব লাগে। কিন্তু আজি ৩২ বছৰ পিচতো প্ৰাথমিক স্কুল, হাইস্কুল আনকি কলেজ পৰ্যান্ত আমাৰ ৰাইজেও পাতি দিব লাগে। একমাত্ৰ মেঘালয়ৰ নেহেরু বিশ্ববিদ্যালয়ৰ বাহিৰে অসমৰ সকলো বিশ্ববিদ্যালয় ৰাইজে পাতি দিব লগা হৈছে। গতিকে প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত চৰকাৰে বাধ্যতামূলক নীতি পালন কৰিব পৰা নাই আৰু ৰাইজৰ ফালৰ পৰাও স্কুল কলেজ পাতিবলৈ যাওঁতে বহুতো সময়ত দেখা যায় যে উপযুক্ত সময়ত চৰকাৰে টকা পইচা দি গ্ৰেণ্ট দিব পৰা নাই। আনকি কিছুমান গাওঁ আছে যত স্কুলত পঢ়া লৰা ছোৱালীয়ে কিতাপ পত্ৰ আদিয়েই দেখা পোৱা নাই। স্কুলত পঢ়া লৰা ছোৱালীয়ে সময়মতে কিতাপ পত্ৰ দিব নোৱাৰাৰ কাৰণে সেইবোৰ স্কুলৰ অচলাৱস্থা হৈ পৰি আছে। এইক্ষেত্ৰত মই চৰকাৰক কব খোজো যে বৰ্ত্তমান চৰকাৰে যুদ্ধকালীন প্ৰস্তুতিৰে শিক্ষাৰ সম্প্ৰসাৰণ কৰা উচিত। আজি ৩২ বছৰে যি অন্যায়, অবিচাৰ কৰা হল তাৰ এটা সম্পূৰ্ণ খতিয়ান দিব লাগে আৰু যুদ্ধকালীন প্ৰস্তুতিৰে শিক্ষাৰ সম্প্ৰসাৰণ কৰি মানুহক উপযুক্ত ভাবে শিক্ষিত কৰিব লাগে। ৩২ বছৰে শিক্ষাৰ ক্ষেত্ৰত আমি যিমান পিচ পৰি গলো সেইটোৰ উন্নতি কৰিবৰ কাৰণে আমি আৰু ৩২ বছৰ অপেক্ষা কৰিব নোৱাৰিম। তাৰ কাৰণে অতি সোনকালে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমি গণতান্ত্ৰিক, ৰাজনৈতিক দলবিলাকে এই ক্ষেত্ৰত অন্যায় কৰিছো কিয়নো প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমি চৰকাৰক বাধ্য কৰিব পৰা নাই। সেইকাৰণে আমি বৰ্ত্তমান চৰকাৰক অনুৰোধ কৰিছো যে শিক্ষাৰ ক্ষেত্ৰত আগৰ

গতানুগতিক অৱস্থা ভঙ্গ কৰি দিয়ক আৰু যি আইন বা ব্যৱস্থাৰে গণতান্ত্রিক স্বাধীনতা খর্ব নকৰাকৈ আমাৰ জনসাধাৰণক শিক্ষিত কৰাৰ ব্যৱস্থা কৰক। স্কুল-কলেজৰ উদ্দেশ্য সাধন কৰাৰ কাৰণে আমাৰ প্রচলিত নীতি-নিয়মবোৰ ভাঙি চুৰমাৰ কৰি দি বিধিসন্মত ভাবে কেনেকৈ অশিক্ষিত জনসাধাৰণক শিক্ষাৰ পোহৰ দেখুৱাই অন্ততঃ তেওঁলোকক চহীটো কৰিব পৰাৰ অধিকাৰ দিব পৰা যায় তাৰ ব্যৱস্থা কৰক। সেইক্ষেত্রত আমি যদি যুদ্ধকালীন নীতি অৱলম্বন কৰিব পাৰো তেনেহলে আমি আমাৰ দেশত যথেষ্ট পৰিমানে স্কুল-কলেজ পাতি লৰা-ছোৱালীক শিক্ষাৰ পোহৰ দিব পাৰো। আমাৰ গাওঁ অঞ্চলত অসংখ্য ৰবীধাকুৰী, লক্ষীনাথ বেজবৰুৱা আৰু গোপীনাথ বৰদলৈ কলীতে মৰহী গৈছে। আনহাতে আমাৰ প্রাথমিক শিক্ষাত বহু ক্ষেত্রত টেলেণ্টনেচৰ অভাৱৰ কাৰণেও আমি বহু পিচ পৰি আছো। সেইকাৰণে আমি যদি যুদ্ধকালীন প্রস্তুতিৰে নন্ ফৰমেল ব্যৱস্থা গ্রহণ কৰি স্কুল-কলেজ পাতি দিব পাৰো তেনেহলে ২-৩ বছৰৰ ভিতৰতে আমি বহু পৰিমানৰ স্কুলৰ ব্যৱস্থা কৰিব পাৰিম। অৱশ্য আমাৰ চৰকাৰে নন্ ফৰমেল ব্যৱস্থা গ্রহণ কৰিছে যদিও তাত মাত্র শিক্ষকসকলৰ ৫০ টকাকৈ দিয়া হৈছে। কিন্তু তাৰ পৰিবর্তে তেওঁলোকক ১০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰি আমাৰ যিসকল নিবনুৱা আছে তেওঁলোকক সকাহ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তেওঁলোকক লাহে লাহে পদোন্নতি কৰি বিভিন্ন বিভাগলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা কৰিলে মই ভাবো যে ৫ বছৰ নেলাগে অন্ততঃ ৩ বছৰৰ ভিতৰতে আমাৰ লৰা-ছোৱালীক শিক্ষিত কৰাৰ ব্যৱস্থা কৰিব পৰা যাব। যোৱা বছৰৰ অভিজ্ঞতাৰ পৰা দেখিবলৈ পোৱা গৈছে যে নন্‌ফৰমেল ব্যৱস্থাৰে লৰা-ছোৱালীয়ে প্রাথমিক শিক্ষা শেষ কৰি হাইস্কুলত

নাম লগাই কৃতকাৰ্য্যতা লাভ কৰিছে। আজি এবছৰ হৈ গল এই চৰকাৰে এখনো প্ৰাইমেৰী স্কুল লব নোৱাৰিলে। এইটো বৰ আচৰিত কথা। আজি ৩১ বছৰে কংগ্ৰেছ চৰকাৰে যি অন্যায় কৰিলে সেই ক্ষতি পুৰণ কৰিবলৈ আমি আৰু ৩১ বছৰে অপেক্ষা কৰিব নোৱাৰিম। এই সকলো বিচাৰ ইতিহাসে কৰিব, ৰাইজে কৰিব। এইখিনিতে মই আন এটা কথা কবলৈ বিচাৰিছো যে আজি এবছৰে এই চৰকাৰে এখনো ভেন্সাৰ স্কুল কিয় লব পৰা নাই বা এজনো শিক্ষকক কিয় নিযুক্তি দিব পৰা নাই? সেই কাম কৰিবৰ কাৰণে কি চৰকাৰৰ টকা নাই? চৰকাৰে চাপ্লিমেণ্টেৰি দিমান্দ দি এই স্কুল বিলাকক গ্ৰেণ্ট দিয়াৰ কাৰণে কিয় টকা দিব নোৱাৰে? এইবিলাকৰ এটা বিধিগত নীতি তৈয়াৰ কৰি সেই-বিলাকৰ উপযুক্ত ব্যৱস্থা কৰিব লাগে।

শিক্ষক নিয়োগৰ ক্ষেত্ৰত মই আন এটা কথা দেখিবলৈ পাইছো। এইক্ষেত্ৰত শিক্ষা বিভাগ আৰু বিধান সভাৰ মাজত টনা আজোৰা চলি আছে। শিক্ষাবিভাগে মন্ত্ৰী আৰু এম, এল এ সকলক তলতীয়া কৰি দিছে। চৰকাৰৰ কি অধিকাৰ আছে যে বিধান সভাৰ সদস্যসকলক এলিমেণ্টেৰী এডুকেশ্যন বোৰ্ড পাতি বিভাগৰ তলতীয়া কৰি ৰাখিছে? এই ক্ষেত্ৰত চৰকাৰৰ যদি কিবা আইন আছে তেওঁলোকক নিযুক্তি দিয়াৰ অধিকাৰ বা ক্ষমতা দিব নোৱাৰে বা বিভিন্ন কাম চলাব নোৱাৰে তেনেহলে বিধান সভাৰ সদস্য সকলক বাহিৰ কৰি দিয়ক। বিধান সভাৰ সদস্য সকলক ডি, আই বা এচ, আইৰ তলতীয়া কৰি ৰখাৰ অধিকাৰ শিক্ষা-বিভাগত কত আছে? তাৰ কাৰণে আজি এবছৰ নিয়োগৰ ক্ষেত্ৰত কোনো উন্নতি হোৱা নাই। বিভাগে এইটো ফটকটীয়া কৰি

ৰাখিছে যাতে এই নিয়োগ ব্যৱস্থাটো তেওঁলোকৰ হাতত থাকে। এম, এল, এ সকলে পৰামৰ্শ দিব আৰু সেই পৰামৰ্শ ডি, আই বা এচ, আই গ্ৰহণ কৰিবও পাৰে বা নকৰিবও পাৰে। বিধান সভাৰ সদস্য সকলৰ লগত মতানৈক্য হলে তাৰ চুড়ান্ত সিদ্ধান্ত এলিমেণ্টেৰী বোৰ্ডৰ ডিৰেক্টৰে কৰিব। এই ধৰনে অৱমাননা কৰা বা হেয় প্ৰতিপন্ন কৰা অৱস্থা চলি থাকিলে প্ৰাথমিক শিক্ষাৰ কি মঙ্গল কৰিব পাৰিব ? সেই কাৰণে এজন শিক্ষকো নিযুক্তি দিব নোৱাৰিলে আৰু এখনো এম, ভি স্কুল লব পৰা নাই। গতিকে অনতিপলমে এই ক্ষমতাৰ সমন্বয় কৰক Secretary of the Board shall act on the advice of the Board. এই তিনিটা শব্দ লগাই দিলে কাম হয়।

আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে, আজি ৩২ বছৰে দেখিছো দুখীয়া লোক সকলৰ কোনো ভাগ নাই। গৰীব ঘৰৰ ল'ৰা ছোৱালীয়ে প্ৰাইমেৰী স্কুল যোৱাৰ সুবিধা হোৱা নাই। আৰু গৰীব ল'ৰা ছোৱালীয়ে প্ৰাথমিক স্কুলৰ চাকৰি লোৱাৰ অধিকাৰ নাই। আগৰ চৰকাৰে বজাৰত গছৰ তলত এল, পি, স্কুলৰ চাকৰি নিলাম কৰে, বিক্ৰী কৰে। সেই বিলাক বিষয়ে আৰু মই বেচিকৈ কব খোজা নাই। এটা কথা মই কব বিচাৰিছো যে আজি স্কুল বিলাকত বেচি ভাগ ধনী আৰু অৱস্থাপন্ন ঘৰৰ ল'ৰা ছোৱালীহে আগতিয়াকৈ অৰ্থাৎ প্ৰি এডমিচন ট্ৰেইনিং লোৱাৰ কাৰণে ব্যৱস্থা কৰে। ডি, আই, এচ, আই সকলে বেচিক ট্ৰেইনিং লোৱাৰ পাচত এই সকলক চাকৰিত নিযুক্ত কৰিবলৈ বাধ্য হয়। সাধাৰণতে নিয়োগৰ পাচতে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব লাগে। কিন্তু যিসকলৰ চৰকাৰী মহলৰ লগত চা-চিনাকি আছে বিশেষকৈ যি সকল অৱস্থাপন্ন সেই সকলে আগতীয়াকৈ প্ৰি এপইণ্টমেণ্ট

ট্ৰেইনিং লৈ চাকৰীৰ সুযোগ লৈ আছে। ঠিক একেদৰেই নৰ্ম্মাল ট্ৰেইনিংতো একে অৱস্থাই চলি আছে। সেই কাৰণে এই প্ৰি-এপইণ্টমেণ্ট ট্ৰেইনিংতো বন্ধ কৰিব লাগে। এইটো বন্ধ কৰিব নোৱাৰিলে আমাৰ অৱস্থাপন্ন ঘৰৰ ল'ৰা ছোৱালীয়ে ট্ৰেইনিংৰ সুযোগ চিৰদিনেই লৈ থাকিব। আগৰ চৰকাৰে ৰাজ্য খনৰ বহু ল'ৰা ছোৱালী প্ৰশিক্ষণ দিয়াৰ কাৰণে চিলেকচন কৰিছিল। কিন্তু যিসকলে নৰ্ম্মাল পাচ কৰিছিল সেই সকলক চিলেকচন নকৰা কাৰণে আন্দোলন কৰিছিল। পিচত চিলেকচনৰ তালিকা নাকচ কৰা হ'ল। তাত নো কি অপৰাধ কৰিছিল যে তালিকা নাকচ কৰিবলগীয়া হ'ল। সেই কাৰণে মই পুনৰ কব খোজো যে প্ৰি-এপইণ্টমেণ্ট ট্ৰেইনিংটো বন্ধ কৰিব লাগে। তাৰ ওপৰি আৰু এটা কথা কৈছে যে আজি আমাৰ স্কুলীয়া শিক্ষাৰ মানদণ্ড নিচেই নিম্ন খাপৰ হৈ পৰিছে। হাইস্কুলত গৈ বলে নোৱাৰা হৈছে। সেইদৰে কলেজতো বলে নোৱাৰা হৈছে। প্ৰাথমিক শিক্ষাস্তৰতে শিক্ষাৰ মানদণ্ড ইমান নিম্ন খাপৰ তাৰ ফলত ওপৰত গৈ ল'ৰা ছোৱালী বিলাক কোনো শিক্ষা আহৰণ কৰিবলৈ সমৰ্থ নহয়। এনেকুৱাও দেখা যায় যে কিছু-মান স্কুলত জন্মৰে পৰা বিশেষকৈ গাওঁ অঞ্চলত শিক্ষাৰ মানদণ্ড ইমান নিম্ন খাপৰ যে ইয়াৰ ফলত ড্ৰেপিং হৈ থাকে। প্ৰথম মানৰ পৰা দ্বিতীয় মানলৈ প্ৰমোচন পোৱাত বাধা আহি পৰে। এনেকুৱা দেখা যায় শতকৰা ১০০ ভাগৰ ভিতৰত পঞ্চগোটহে ল'ৰা ছোৱালী থাকি যায়। স্কুল বিলাকৰ আৰম্ভণিৰ পৰা আজি-লৈকে কোনো ল'ৰাই প্ৰথম বিভাগত পাচ কৰিব পৰা নাই আৰু বৃত্তিও পোৱা নাই। প্ৰসাশনৰ দুৰ্ব্বলতাৰ কাৰণেই স্কুল বিলাকত শিক্ষাৰ এনেধৰণৰ অৱনতি হৈছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আৰু

বেচিকৈ মই কব নোখজো। হাইস্কুলৰ ক্ষেত্ৰত মই কব খোজো। হাইস্কুলৰ ক্ষেত্ৰত আজি প্ৰাদেশিকৰণ হৈছে। কিন্তু আজি দেখা গৈছে কৰবাত হাইস্কুল আৰু কৰবাত হাইচেকেণ্ডেৰী নানা ধৰণৰ স্কুল হৈছে। সেই কাৰণে মই কব খোজো হয় হাইচেকেণ্ডেৰী কৰক নহয় হাইস্কুল কৰক। এইটো নকৰা কাৰণেই কোনোটোতে ভালধৰণে সেৱা কৰিব পৰা নাই। হাইস্কুলীয়া শিক্ষা ক্ষেত্ৰত দেখা যায় শিক্ষকতাৰ মানদণ্ড ইমাত নিম্ন খাপৰ হৈছে কোনোটোয়েই শিক্ষাৰ মান উন্নত হোৱা নাই। ইয়াৰ মুল কাৰণ হ'ল আমাৰ শক্তিশালী পৰিদৰ্শকৰ অভাৱ। আমাৰ প্ৰত্যেকখন জিলাতে এজনকৈ ইন্সপেক্টৰ আছে কিন্তু সেই ইন্সপেক্টৰ জনে ট্ৰেন্সফাৰ পোষ্টিং আদি নথী-পত্ৰ বিলাকৰ পৰীক্ষা-নিৰিক্ষা কৰি চহী কৰি থাকোতেই বছৰটো পাৰ হৈ যায়। অথচ সেই ইন্সপেক্টৰ জনৰ নাম পৰিদৰ্শক ইন্সপেক্টৰ কিন্তু তেওঁৰ কেতিয়াও স্কুল পৰিদৰ্শন কৰাৰ সময় নহয়। গতিকে মই কওঁ স্কুল পৰিদৰ্শনৰ কাম টন-কিয়াল কৰিব নোৱাৰিলে হাইস্কুলৰ মানদণ্ড উন্নতি কৰিব পৰা নাযাব। এই হাইস্কুলৰ ক্ষেত্ৰত কিছুমান হাইস্কুলৰ ঘৰ সুবিধা হিচাবে নাই, যিবোৰ স্কুলত পঢ়ে তেওঁলোকৰ কমন ৰুম নাই, ইউৰিনেল নাই, লেট্ৰিণ নাই, কোনো ধৰণৰ ব্যৱস্থাই নাই। তাৰ পিচত আমাৰ যিবিলাক স্কুলত বিজ্ঞান শিক্ষাৰ কথা কোৱা হৈছে আৰু কাৰীকৰি শিক্ষাৰ কথা কোৱা হৈছে সেইবিলাকত বিজ্ঞানৰ 'ৰ' টোৱেই নাই। আজি ৩২ বছৰে হাইস্কুলৰ শিক্ষাৰ কাৰীকৰি বিদ্যা বা বৈজ্ঞানিক বিদ্যা কোনোটোৱেই প্ৰতিষ্ঠা কৰা নল'হ। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰো যে বিজ্ঞান শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিব লাগে। তাকেই কৰি-বৰ কাৰণে আমি এই বিজ্ঞান শিক্ষাৰ উন্নতি কৰিবলৈ যুদ্ধ কালিন

প্রস্তুতিৰে কাম আৰম্ভ কৰিব লাগিব। ইয়াৰ লগতে আৰু এটা কথা কব খুজিছো যে এইযে হাইস্কুল বিলাক আছে এইবিলাক পৰিদৰ্শন কৰিবলৈ কোনো আইন নাই। কোনো ৰুল বা বিধি নাই। কোনো আইন নোহোৱাকৈ ৰাজত্ব চলাইছে। গতিকে মই ভাবো ইয়াৰ বাবে এখন আইন তৈয়াৰ কৰিব লাগে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰীয়তে অনুৰোধ জনাও যে এই বিধান সভাৰ জৰীয়তে এখন আইন তৈয়াৰ কৰিব লাগে। আৰু এটা কথা কব খুজিছো, এই যে আৰবিক আৰু সংস্কৃত ভাষা দুটা আছে। মই ভাবো দুয়োটা ভাষাতেই আমি গুৰুত্ব দিয়া উচিত। কোনোবাই বেয়া পালেও মই কথাটো কব লাগিব যে, মুছলিম হলে সংস্কৃতক ঘিন কৰিব আৰু হিন্দু হলে আৰবিকক ঘিন কৰিব এনে কৰা উচিত নহয়। সকলোৱে এই দুয়োটা ভাষাতেই সমানে গুৰুত্ব দিয়া উচিত। এই খিনিতে মই কব লাগিব যে, ভাৰতৰ ঐতিৰ্য্য, সভ্যতা আৰু কলা-কৃষ্টি জানিবলৈ হলে আমি ইংৰাজী ভাষাৰ তত্ত্বৰ্ম্মাৰে নোৱাৰিম। আমি সংস্কৃত আৰু আৰবিক ভাষাৰ মাধ্যমেৰে যাব লাগিব। আজি পৃথিবীৰ সকলো ঠাইতে এই দুই ভাষাৰ ওপৰত শিক্ষাৰ প্ৰসাৰতা বাককৈ নিৰ্ভৰ কৰিছে। যেনেকৈ আমি ভাৰতৰ সভ্যতা ক্ষেত্ৰত সংস্কৃতৰ দুই কৰিব নোৱাৰো সেই দৰে আৰবিককো নোৱাৰো। সেয়েহে দুয়োটা ভাষাৰ ওপৰত অধিক গুৰুত্ব আৰুপ কৰিব লাগে। কাৰিকৰি শিক্ষাৰ ক্ষেত্ৰত কওঁ, যুট মিল বা অন্যান্য কাৰিকৰি দিশত শিক্ষা নাথাকিলে সেই বিলাকত পৰিচালন কৰাটো অসুবিধা হয়। সেই কাৰণে বাৰে বাৰে কোৱা শুনা যায় যে আমাৰ ৰাজ্য খনত কাৰিকৰি শিক্ষা যথেষ্ঠ সংখ্যক লোক নথকা কাৰণে আমাৰ ইয়াত উদ্যোগ প্ৰতিস্থান বা শিল্প প্ৰতিস্থান কৰাত নানা ধৰণৰ বাধা আহি পৰে। সেই কাৰণে আজি অসমত শিল্প গঢ়াৰ ক্ষেত্ৰত

বাহিৰৰ পৰাই হওঁক বা ভিতৰৰ পৰাই হওঁক বাধা আহি আছে। আৰু হেঙাৰ স্বৰূপে এই ক্ষেত্ৰত স্থবীৰ হৈ আছে। সেই কাৰণেই আমাৰ ইয়াত উদ্যোগ নালাগে বুলিয়েই কোৱা শুনা যায়। যিহেতু উদ্যোগ হলে কাৰিকৰি মানুহৰ অভাবৰ কাৰণে বাহিৰৰ পৰাহে মানুহ আনিব লাগিব। যোৱা ৩১ বছৰে কাৰিকৰি শিক্ষাৰ অঢ়তা-সম্পন্ন মানুহ তৈয়াৰ কৰিবলৈ যিমান থিনি আগ্ৰহ দেখুৱাব লাগিছিল দেখুৱা হেৰো নাই। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰো যাতে এই ধৰণৰ কাৰিকৰি শিক্ষা থকা প্ৰতিস্থান সমূহ আমাৰ ঠায়ে ঠায়ে গঢ়ি তুলিব লাগে। ইঞ্জিনিয়াৰিং কলেজেই হওক মেডিকেল কলেজেই হওক বা আন আন কাৰিকৰি শিক্ষা দিব পৰা প্ৰতিস্থান সমূহ আমাৰ ইয়াত গঢ়ি তুলিব লাগে।

অধ্যক্ষ মহোদয়, কলেজ এডুকেচনৰ বিষয়ে অলপ কব লগীয়া আছে। কলেজৰ সংখ্যাত দেখা যায় যে— আৰ্টচ কলেজৰ হিচাবতকৈ বিজ্ঞান কলেজৰ সংখ্যা কম। গতিকে মই চৰকাৰক অনুৰোধ জনাওঁ যে আৰু যদি কলেজ পাতিব লগীয়া হয় তেতিয়া-হলে বিজ্ঞান কলেজহে পাতক। যিবিলাক কলেজত কলা শাখা চলি আছে সেইবিলাক কলেজত বিজ্ঞান শাখাৰ কলেজ প্ৰৱৰ্ত্তন কৰিবলৈ যত্ন কৰক আৰু তাৰ কাৰণে চৰকাৰৰ পৰা অনুমোদন বিচাৰক। মেডিকেল শিক্ষাৰ ক্ষেত্ৰতো দেখিছো আমাৰ মেডিকেল কলেজৰ সংখ্যা তেনেই তাকৰ হৈছে প্ৰয়োজন অনুসৰি অন্যান্য পিচপৰা ঠাইত নগাওঁ, উত্তৰ লক্ষীমপুৰ আৰু গোৱালপাৰাত মেডি-কেল কলেজ পাতিব পাৰে, আমি তাত আপত্তি নকৰো। কাৰণ আজি হাজাৰ হাজাৰ মানুহৰ ভিতৰতো ডাক্তৰ দিব পৰা নাই। সেইকাৰণে আৰু মেডিকেল কলেজ আৰু অন্যান্য ইঞ্জিনীয়াৰিং কলেজ পাতিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

সিদিনা প্ৰশ্নোত্তৰ কালত মন্ত্ৰী ডাঙৰীয়াই কৈছিল ভাৰতৰ বিভিন্ন কাৰিকৰী বিজ্ঞান কলেজ অনুষ্ঠান বিলাকত অসমৰ কাৰণে যিটো চিট ৰিৰ্জাভ থাকে বা অসমৰ যিটো কোটা থাকে তাৰে অসমৰ কাৰিকৰী শিক্ষাৰ পৰা পঠাব নোৱাৰি সেইবিলাক চিট খালি হৈ ঘূৰি যায়। পোপাৰ টেকনলজি, লিডাৰ টেকনলজি আদি শিক্ষাৰ বাবে প্ৰত্যেক বছৰেই ভাৰতৰ বিভিন্ন ৰাজ্যত থকা কাৰিকৰী কলেজ বিলাকলৈ অসমৰ পৰা পঠাবলৈ উপযুক্ত ল'ৰা পোৱা নাযায়। তাৰ মূল কাৰণ হ'ল কলা বিভাগৰ পৰা গৈ কেনেকৈ টেকনিকেল বা বিজ্ঞান শিক্ষা লাভ কৰিব পাৰিব? গতিকে বিভিন্ন টেকনলজি শিক্ষাৰ কাৰণে প্ৰথমতে বিজ্ঞান শাখা শিক্ষা বা কাৰিকৰী জ্ঞানৰ জৰিয়তেহে আমি আগবাঢ়ি যাব লাগিব।

অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত আন এটা কথা কব বিচাৰিছো যে আমাৰ কৃষিৰ ওপৰত নিৰ্ভৰ কৰি সকলো ধৰণৰ শিল্প কৰিব নোৱাৰিব পাৰে, কিন্তু অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত বহু ধৰণৰ শিল্প, অসমৰ খনিজাত বস্তুৰ ওপৰত নিৰ্ভৰ কৰি বহু ধৰণৰ শিল্প-উদ্যোগ গঢ়ি তুলিব পাৰি। তাৰ কাৰণে আমি বাহিৰৰ ৰাজ্যৰ পৰা মানুহ ধাৰ কৰিব লগীয়া হোৱাতো অতি দুখৰ কথা। সেইকাৰণে আমাৰ শিল্প বিভাগে যোগাযোগ কৰি ভাল ভাল শিল্প প্ৰতিষ্ঠাৰ কাৰণে অহা ১০ বা ২০ বছৰৰ ভিতৰত চাৰ্ভে কৰি টেকনিকেল মেন উলিয়াবলৈ যত্ন কৰিব লাগে। শেষত মই কব বিছাৰিছো শিক্ষা প্ৰশাসনৰ কথা। শিক্ষা বিভাগৰ প্ৰশাসন একেবাৰে গেলি গৈছে বুলিয়েই কব পাৰি। শিক্ষা বিভাগৰ প্ৰশাসনৰ কাৰণে মানুহৰ সংখ্যা কম হৈছে। বৰ্ত্তমান যিখিনি আছে সেইখিনিয়েই যথেষ্ট নহয়। এজন ডি, পি, আইয়ে সকলোবিলাক

ফাইলৰ খবৰ কৰি দিয়া সম্ভৱ নহয়। ডি, পি, আই অফিচলৈ গলে কেৱল কথা-পাতি অহাৰ বাহিৰে একো কাম নহয়। কাৰণ একেজন মানুহেই মেল-মিটিঙো কৰিব লাগে আৰু মন্ত্ৰী সকলকো লগ ধৰিব লাগে। গতিকে আমি কৈছো এই বিভাগটো সম্প্ৰসাৰণ কৰিবলৈ আৰু কিছু বিষয়া নিযুক্তি দিব লাগে।

দ্বিতীয় কথা হল আমাৰ মন্ত্ৰী মহোদয় কয় কাগজ এডুখৰো মন্ত্ৰীয়ে গৈ আনিব লাগে এনেকুৱা কথাও হৈছে। মন্ত্ৰীয়ে কাগজ আনিব নোৱাৰে আৰু আমি এম, এল, এ সকলেও আনিব নোৱাৰো। তেতিয়াহলে মন্ত্ৰীয়ে কোৱাৰ দৰে এই ব্যৱস্থাত কৰ্ম্মচাৰীৰ সংখ্যা বঢ়াব লাগিব।

আমাৰ বিভিন্ন বিভাগতো দেখা যায় যে আজি ৩২ বছৰে যিটো অভ্যাস চলি আছে সেইটো অভ্যাস পৰিবৰ্ত্তন কৰিব লাগিব। কাৰণ এখন কাগজ কেইদিন চলি আছে আৰু উপযুক্ত সময়ত ডিচ্‌প’জ কৰিব পাৰিছেনে নাই নিৰ্দ্দেশানুসাৰে ইত্যাদি যাতে পুনৰ মন্ত্ৰীৰ ওচৰলৈ নিৰ্দ্দেশনাৰ কাৰণে ঘূৰি নাহে তাৰ ব্যৱস্থা কৰিব লাগে। তাকে নকৰি আপ-ট্ৰেইন—ডাউন ট্ৰেইন কৰিবলৈ হলে কোনো কাম নহব।

তাৰ পাছত স্কলাৰশ্বিপৰ ক্ষেত্ৰত দেখা যায় যে স্কলাৰশ্বিপৰ শোচনীয় পৰিণতি। গৰীব লৰা-ছোৱালীয়ে পইচা লৈ শিক্ষা লাভ কৰিবলৈ স্কলাৰশ্বিপ দিয়া হয়ঃ কিন্তু সেইটো স্কোটিনী কৰি স্কলাৰশ্বিপ পোৱা যোগ্য ব্যক্তিৰ ঠাইত অযোগ্য ব্যক্তিৰহে সংখ্যা বেছি। উদাহৰণ স্বৰূপে ডিব্ৰুগড়ৰ এজন এ, ডি, চি নাম চেনি গোহাঁই তেওঁ চৰকাৰী কৰ্ম্মচাৰী, আইন কলেজত পঢ়ে। তেওঁ তিনিবাৰ স্কলাৰশ্বিপ ড্ৰ কৰিছে। অনুসন্ধান কৰিব লাগে।

তাৰ পিচত আগৰ যিটো লেহেম গতি সেইবিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু যিবিলাক দুৰ্নীতিৰ ব্যৱস্থা আছে সেইবিলাক গুচাবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ— অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰীয়ে আমাৰ মূল বাজেটত পাঁচ ভাগৰ এক ভাগ টকাৰ দাবী তুলিছে। এই ধন খিনি আমাৰ শিক্ষা ব্যৱস্থাৰ কাৰণে পৰ্য্যাপ্ত পৰিমাণৰ নহয়। যোৱা ৩০টা বছৰৰ তুলনাত শিক্ষাৰ ওপৰত ৰাইজ আৰু চৰকাৰে গুৰুত্ব দিবলৈ বাধ্য হৈছে তাৰ প্ৰমাণ হিচাবে আমি ইমান টকাৰ অংক দেখিবলৈ পাইছো।

বাজেটৰ অংকৰ হিচাবত যি কাৰণতেই এই টকা লোৱা নহওক লাগে তাৰ কাম-কাজৰ ওপৰত তুলনামূলক ভাবে যদি চোৱা হয় তেতিয়াহলে বহুতো বিভাগৰ দৰে শিক্ষা বিভাগৰ বুৰঞ্জীও অতি দুখ, হতাশা আৰু অকৃতকাৰ্য্যৰ বুৰঞ্জী।

অৱশ্যে যোৱা বছৰৰ পৰা প্ৰাথমিক শিক্ষাৰ কাৰণে এই বিভাগে যিমান বাধ্য হৈছে এনেকুৱা বাধ্যতা দেখা পোৱা নাছিলো। প্ৰাথমিক শিক্ষাৰ ওপৰত ৰাজ্যিক চৰকাৰৰ সংবি-ধানিক দায়িত্ব আছে। প্ৰাথমিক শিক্ষাৰ বাহিৰে আন সামাজিক অনুষ্ঠানত তেনে সাংবিধানিক দায়িত্ব নাই। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সাংবিধানিক অধিকাৰ আমাৰ আছে। য'ত সংবিধানে ৬ বছৰৰ পৰা ১৪ বছৰলৈ শিশু সকলক বিনামূলীয়া শিক্ষা দিব লাগিব বুলি সকিয়াই দিছে। সেই ক্ষেত্ৰত আমি যদি ইমান বাধ্য হওঁ তেনেহলে শিক্ষা বিভাগৰ নানান ক্ষেত্ৰ কৃতিত্ব অৰ্জন

* Speech not corrected

আমাৰ আগত ডাঙি ধৰিব পাৰিব।

অধ্যক্ষ মহোদয়, দেশ স্বাধীন হোৱাৰ পিচৰে পৰাই আমাৰ গাওঁবিলাকৰ এল, পি, স্কুলৰ অৱস্থাৰ একো পৰিৱৰ্ত্তণ হোৱা নাই। মই নিজেই যেতিয়া এল, পি স্কুলৰ ছাত্ৰ আছিলো নগাওঁৰ ২নং দুলাল মাধৱ এল, পি স্কুলত তেতিয়া হাতত ফটা বস্তা লৈ স্কুললৈ গৈছিলো। এতিয়া আমাৰ লৰাই ফটা বস্তাৰ ঠাইত ঢাৰি লৈ ওপৰত চিলিং নাইকীয়া স্কুললৈ যাব লাগে। এইটো আজি ৪০-৪৫ বছৰৰ পিচত ফটা বস্তাৰ পৰা ঢাৰিলৈ পৰিৱৰ্ত্তণ হৈছে। শিক্ষাৰ ক্ষেত্ৰত কিতাপৰ কাৰণে ইনপ্ৰোভমেণ্ট টেষ্ট হয়। আমি পানীন্দ্ৰ গগৈয়ে লিখা কিতাপ পঢ়িছিলো। সেই কিতাপখনে ছাত্ৰক বানান শিকাইছিল আৰু কিছুমান নৈতিক নীতিও শিকাইছিল। যেনে গপ এৰ, তপ কৰ। অৰ্থাৎ অহংকাৰ এৰি তপস্যা কৰ। কিন্তু এতিয়া পকা পান, জহা ধান, লংকা হোজাই জহ্বলপুৰ, ইয়াত লংকাৰ পৰা হোজাই আৰু তাৰ পৰা একেবাৰে জহ্বলপুৰ পালেগৈ ইয়াত ভৌগোলিক বিজ্ঞানো নাই। এতিয়া ভৌগলিক বিজ্ঞান নথকা কিতাপৰ ছাত্ৰ হৈছে।

অধ্যক্ষ মহোদয়, এইবোৰ কিতাপ ষ্টেন্দদাৰ হৈছে। এইবিলাক কিতাপ দি, পি, আইয়ে এপ্ৰুভ কৰা। এম, ই স্কুলৰ আৰু এম, ভি স্কুলৰ কিতাপৰ যিবিলাক লিখকৰ দি, পি, আই অফিচৰ লগত সম্পৰ্ক আছে সেই সকলৰ কিতাপেই সাধাৰণতে এপ্ৰুভেল পায়। আজিকালি নানা ধৰণৰ ধাৰাপাত ওলাইছে, সেইবিলাকৰ ভিতৰত সহজ ধাৰাপাত, শিশু ধাৰাপাত, বুনিয়াদি ধাৰাপাত, অকণিক ধাৰাপাত আদি প্ৰধান। ধৰি লওক মোৰ ডাঙৰ লৰাৰ অকণিৰ ধাৰাপাত আছে আৰু সৰু লৰাই সহজ ধাৰাপাত লব লাগিব।

অধ্যক্ষ মহোদয়, আমি দেখিছো যে, আমাৰ তাত চেণ্টাৰ কমিটি আছে আৰু সেই কমিটি বিলাকৰ মানুহ শিক্ষক সকলৰ মাহেকীয়া দৰমহাৰ বিল ৰনাবলৈ যাব লাগে আৰু তাৰ পিচত এচ, আইয়ে চহী কৰাৰ পিচতহে বিল লৈ আহিব পাৰে। এই-দৰে দেখা যায় যে জিলাৰ অফিচ বিলাককৈ চেণ্টাৰৰ চেক্ৰেটাৰি বিলাক মাহত ৩-৪ বাৰকৈ অহা যোৱা কৰিব লাগে। এইদৰে স্কুলৰ শিক্ষক যদি কেতিয়াবা চেক্ৰেটৰি হয়, তেতিয়া হলে লৰা-ছোৱালীৰ পঢ়াশুনা একেবাৰে নষ্ট হৈ যায়। যি ধৰণে সমবায়ৰ সভাপতি বা সম্পাদক হলে কেতিয়াও ভঙা নাযায়। ইয়াত কি স্বাৰ্থ থাকে কব নোৱাৰো। আমাৰ আগৰ শিক্ষামন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে একে ৰাতিৰ ভিতৰতে কিছুমান হাইস্কুল প্ৰভিনচিয়ে-লাইজ কৰিলে, নানা কথা কলে যে, শিক্ষক সকলৰ পেঞ্চন হব, গ্ৰেচুইটি হব আৰু শিক্ষক সকলেও এইবিলাক হব বুলি তাত চহি কৰিলে। কিন্তু আজি কি হ'ল? তেওঁলোক আজি বে-চৰ-কাৰী অনুস্থানৰ চৰকাৰী বিষয়া হল। ইয়াৰ পিচত মহোদয়, আমাৰ নতুন জনতা চৰকাৰে আহি দশম মান শ্ৰেণীলৈ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰিলে। ইয়াৰ ফলত যিবিলাক স্কুল ৰাইজে কৰা সেইবিলাক স্কুলত মাচুল লব নোৱাৰা হোৱাত শিক্ষক সক-লক মেনেজিং কমিটিয়ে দৰমহা পাতি দিব নোৱাৰা হল। আনকি সেইবিলাক স্কুলত আজি চকমাটি, পেন্সিল, ব্লেক বৰ্ড আদি কিনি-বলৈ পইচা নোহোৱা হৈছে। আনকি এনে হৈছে এবছৰৰ আগ-তেই চেংচন হৈ থকা পষ্টত মানুহ দিয়া নাই।

অধ্যক্ষ মহোদয়, আজি হাইস্কুলৰ শিক্ষক সকলে বি, টি পঢ়িবলৈ আছে। শিক্ষক সকলক যিমানেই ট্ৰেইনিং দিয়া হয় সিমানেই ভাল। এই বি, টি প্ৰশিক্ষণৰ ক্ষেত্ৰতো দেখা যায় যে,

দি, পি, আই অফিচৰ চেলটোলৈ যি সকল আহিব নোৱাৰে, সেই সকলে কেতিয়াও বি, টি পঢ়িবলৈ সুবিধা নাপায়। আনহাতে দেখা যায় যে, স্কুলত কাম কৰা মাত্ৰ ৬ মাহ হৈছে তাৰ পিচত বি, টি পঢ়িবলৈ সুবিধা পায়। প্ৰথমে নাম থাকে ওয়েটিং লিষ্টত আৰু পিচত গৈ ফাইনেল লিষ্টত নাম সোমায়। আমাৰ তাত এজন শিক্ষকে যো'ৱা ১৫ বছৰৰ পৰা বি, টি পঢ়িবৰ কাৰণে সুবিধা বিচাৰি পোৱা নাই। আনকি তেওঁৰ দৰ্খাস্ত ইন্সপেক্টৰে ৰিকমেন্দ কৰি পঠাইছে। কিন্তু দি, পি, আই অফিচত তুলসীপাত, মন্ত্ৰ আদিৰে সন্তুষ্ট কৰিব নোৱাৰা বাবেই আজিলৈকে প্ৰশিক্ষণৰ সুবিধা পোৱা নাই।

অধ্যক্ষ মহোদয়, এতিয়া মই "হস্তিবিদ্যাৰ্ণৱ" নাম কিতাপৰ সংক্ৰান্তত কব বিচাৰো যে, ইয়াৰ মাজৰ কাগজখিনি ইটালী দেশৰ। ওপৰত মুগা কাপোৰৰে আৰ্ট কৰিছে। আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে বিদেশত ইয়াৰ বিক্ৰী হৈছে আৰু ইয়াৰ পৰা বহুতো ফৰেইন এক্সচেঞ্জ আহৰণ কৰিব পৰিব। কিন্তু মোৰ প্ৰশ্ন হৈছে যে, এইটো প্ৰথমে কোন প্ৰেছত কিমান ৰেটত দিয়া হৈছিল আৰু আন কোনোবা প্ৰেটেকটেচন দিছিল নেকি আৰু কেইবাৰ টকা ৰিভাইজ কৰা হল আৰু মুগাকাপোৰ কি ৰেটত কিনা হৈছিল এইখিনি কথা আমাক জনাব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ দুলাল বৰুৱা ডাঙৰীয়াই মই যদি ভুল কৰা নাই তেনেহলে ১৯৭৩ চনৰ ২৮ জুন তাৰিখে বিধান সভাত এইজন সচিব প্ৰকাশন পৰিষদৰ শইকীয়া ডাঙৰীয়াৰ বিৰুদ্ধে অভিযোগ আনিছিল। কাৰণ যেতিয়া তেওঁ আমেৰিকালৈ গৈছিল, শিক্ষা বিভাগৰ খৰচতে প্ৰিন্টিং টেকনলজি পঢ়িবলৈ তেতিয়া এজন

লোকৰ পৰা ১শ ডলাৰ লৈ আহিছিল অসমৰ পৰা মুগা কাপোৰ পঠাই দিম বুলি। কিন্তু পিচত তেওঁ মুগা কাপোৰো নপঠিয়ালে আৰু টকাও ঘুৰাই নিদিলে। তেতিয়া সেই আমেৰিকানজনে ইন্দিয়ান এমবেছিৰ ওচৰত জনোৱাত পুলিচ লগাই সেই ১শ ডলাৰ ঘুৰাই দিয়া হৈছে। ইয়াৰোপৰি সেইজন লোক এতিয়াও সকলোৰে প্ৰিয়পাত্ৰ হৈ আছে আৰু তেওঁ কাক কেনেকৈ সন্তুষ্ট কৰিব পাৰি এইটো জানে। আমাৰ যিয়েই শিক্ষামন্ত্ৰী নহওক লাগে তাৰ পিচদিনাই তেওঁ আহি কুৰ্নিশ কৰে। ইয়াৰ উপৰিও যিটো ঘৰৰ কথা কৈছে সেইটো আমাৰ আগৰ মুখ্যমন্ত্ৰী শৰত সিংহৰ দিনতে তেওঁৰ পুত্ৰ অপূৰ্ব্ব সিংহই ৫ হাজাৰ খৃষ্টপূৰ্ব্ব আগৰে সেই মহেঞ্জদাৰোৰ ৰাজহুৱা স্নানাগাৰৰ আৰ্হিত প্লেন বনাইছিল।

অধ্যক্ষ মহোদয়, আমাৰ দি, পি, আই মহোদয়ক দেখা কৰাই টান। তাৰোপৰি এইজন সচিবৰ তাত ৰিভলভিং চেয়াৰ আছে আনকি তেখেতৰ কোঠাত আমাৰ শিক্ষা মন্ত্ৰী মহোদয় সোমাইছেনে নাই কব নোৱাৰো ৬খন ফেনে এ:কলগে বিচি থাকে আৰু কোনোবাই লগ পাবলৈ গলে ভাগৰ লাগিলে বাহিৰৰ কাৰণে চোফাৰ চেট আছে। তাৰ সকলো ফালে ৰিভসিভিং চেয়াৰ আছে মোৰ সৌভাগ্যই বোলক বা দুৰ্ভাগ্যই বোলক ইয়ালৈ যোৱাৰ সুবিধা পোৱা নাই। সেই চকিত বহি থাকিলে এই অনুপম চেহেৰাৰ লোকজনক বাদচাহ চাহাজাহান বা জাহাঙ্গীৰৰ নিচিনাই লাগে এই গোটেই কথাবিলাক কৈছে। এই কথাবিলাকৰ কিয় হিচাব দিয়া নহব। আমি লাখ লাখ টকা দিওঁ। আমি অন্য বিভাগকো টকা দিছো। বিদ্যুৎ বৰ্ডকো টকা দিছো কিন্তু তেওঁলোকৰ পৰা আমি বিধান সভাত এটা ৰিপৰ্ট পাওঁ। কিন্তু প্ৰকাশন পৰিষদত কিমান টকা দিয়া হৈছে? তাৰ কিবা ৰিপোৰ্ট আজি-

লৈকে দাখিল কৰা হৈছে নে? কি কাম কাজত খৰচ হৈছে তাৰ হিচাপ বিধান সভাৰ মজিয়াত ৰখা হোৱা নাই। তাৰ কাৰণ কি? তাৰ কাৰণ শিক্ষা মন্ত্ৰীয়ে জনাব বুলি আশা কৰিলো। এই গৰাকীলোকে হস্তীবিদ্যাৰ্নৱ কিতাপ উলিয়াই ৰাজপুত মোগল আদিৰ যি নতুন বস্তু হৈছিল অসমখন যে জঙ্গলী দেশ নহয় ই সাংস্কৃতিৰে ভৰা পৃথিৱীৰ ভিতৰত এই সচিব গৰাকীয়ে প্ৰচাৰিব বিচাৰিছে। কিন্তু আমাৰ দুৰ্দশাগ্ৰস্ত যি কলাগুৰু বিষ্ণু ৰাভা তেওঁৰ সংকলন এখন উলিয়াবলৈ তেখেতৰ পৰিবাৰে ১৫ হাজাৰ টকা বিচাৰিছিল। সেই ক্ষেত্ৰত কিন্তু পইচা দিব নোৱাৰে ৫ হাজাৰহে দিছে, তেখেতৰ হাত ভৰি বন্ধা কিন্তু অন্য হাতে খৰছ কৰিবলৈ তেওঁৰ হাত খোলা। অসম দেশৰ সাংস্কৃতি প্ৰেমীলোক এজনে লিখিথৈ যোৱা কিতাপৰ সংকলন উলিয়াবলৈ তেখেতৰ পৰিবাৰে ১৫ হাজাৰ টকা দাবী কৰিছিল কিন্তু তাতো তেখেতে মাছৰ দাম খেলালে। যেনেকৈ আমি মাছৰ বজাৰলৈ গলে ১৫ টকা মাছৰ দাম কৰিলে আমি কওঁ ১৫ টকা নহয় ১০ টকা দিম নিদিওঁ বুলি কলে ১২ টকা দিম বুলি কওঁ প্ৰকাশন পৰিষদৰ সচিবে তাকেই কৰিলে। ই সচাকৈ বৰ দুখৰ কথা। উপাধ্যক্ষ মহোদয়, কাৰ্বিআংলং জিলাৰ কেইবাজনো মাননীয় সদস্য আমাৰ ইয়াত আছে মাননীয় সদস্য শ্ৰীবাৰলেং টেৰাং আৰু শ্ৰীধনীৰাম ৰংপী আছে। কাৰ্বি আংলংত তেওঁলোকৰ আপুৰুগীয়া সম্পদ এখন ৰামায়ণ আছে। আমাৰ টেৰাং ডাঙৰীয়াহতৰ বয়সৰ মানুহে হয়তো মনত ৰাখিছে তাৰ পিচত হয়তো ইয়াক পাহৰি যাব। তিনিবাৰ এই ৰামায়ণ মৌখিক ভাৱে পাঠ কৰাৰ পিচত হয়তো আৰু কোনেও পাঠ নকৰিব। সেই ৰামায়ণ কিন্তু প্ৰকাশ নহল। এজন এচ পিয়ে সেইখন প্ৰকাশ কৰিলে আমাৰ প্ৰকাশন পৰিষদে

সাৰেই নাপালে। আমাৰ দেশত কিমান যে ভাষাকৃষ্টি আছে বড়ো, মিৰি আছে, সেই ভাষাগোষ্ঠী বা ভাষা কৃষ্টি বিলাকৰ কিম্বদন্তী সাধু, প্ৰকাশন পৰিষদে কিন্তু প্ৰকাশ কৰা নাই। সেইখিনি কৰা হলে হয়তো আমাৰ কৃষ্টি সংহতি বা জাতীয় সংহতি বাঢ়িলহেতেন। কিন্তু আমাৰ সচিব গৰাকী বজাই ভাল দেখে যাক হাতী ঘোৰাও নালাগে তাক। তেওঁ নিজৰ খুচিমতে যাকে ভাল পায় সেইখিনি ছপা কৰাতহে বেচি ব্যগ্ৰ। শইকীয়া গোষ্ঠীৰ এখন উলিয়াইছে তাত বাহিৰে অন্যক বিশ্বাস নকৰে। একেবাৰে ৰোমাণ্টিক লিখে। সমাজবাদৰ কথা বা কমিউনিষ্ট লিটাৰেচাৰৰ যদি কিবা গোন্ধ থাকে সেইখন কিন্তু প্ৰকাশ হব নোৱাৰে। নদীলৈ গৈ আছে এজনা ধুনীয়া ছোৱালী কাষত কলহ লৈ, খোজত লহৰ তুলি একেবাৰে থমকি থমকি চলে সেই কথা কিন্তু তেওঁলোকৰ কিতাপত পঢ়িবলৈ পাব। তেখেতে নিজেও কিতাপ লিখে কিতাপৰ নাম ইমান যে মিঠা বহুত মিঠা মানুহটোও মিঠা। তেখেতে কিন্তু দুখীয়াক সহায় কৰে তেখেত নিজে অসম বাতৰিৰ এডিটৰ আছিল। অসম বাতৰিৰ শ্ৰীমতী ৰাজবালা দাসক তেখেতে কিন্তু সহায় কৰিছে। অন্যক কৰা নাই। মন্ত্ৰীৰ ওচৰলৈ যেতিয়া আমি দৰ্খাস্তলৈ যাম মন্ত্ৰীয়ে লিখি দিয়ে This case is genuine. Please see that this girl or boy is absorbed in a primary School as teacher. মন্ত্ৰী শক্তিশালী নহয় কিন্তু সচিব শক্তিশালী। তেখেতে নিজৰ খুচীমতে বিজ্ঞাপন নিদিয়াকৈ ইচ্ছা গলেই চাকৰী দিব পাৰে আৰু ইচ্ছা গলেই খেদি দিব পাৰে। গতিকে মন্ত্ৰীতকৈ ক্ষমতা বেছি। এসময়ত তেখেতৰ নিজৰ কোঠালীতে ৰাম ৰাৱনৰ যুদ্ধ হৈছিল। এজন মানুহক খেদি দিব খুজিছিল কিন্তু দিগদাৰী হল। নাম তাৰিখ কিমান দিম মন্ত্ৰীয়ে চাই

লব।

( At this stage Mr. Speaker left the House and Mr. Deputy Speaker occupied the Chair )

তাৰ পিচত উপাধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়, আৰু এটা বিভাগৰ দায়িত্ব আছে সেইটো হৈছে সাংস্কৃতিক সঞ্চালকালয় অৰ্থাৎ ডিৰেক্টৰ অৱ কালচাৰেল এফেয়াৰচ। এদিন তালৈ যোৱাৰ সৌভাগ্য ঘটিছিল তাত দেখিলো সূত্ৰধাৰী নাচ হৈছে। তাত টিং আছে, টিংটো ভঙা, বুজিলো সূত্ৰধাৰী নৃত্য বাৰু তেনেকৈয়ে ভঙা নামঘৰতে হয়। কিন্তু দেৱদাসী নৃত্য সাধাৰণতে মন্দিৰত নাচে। কিন্তু আমাৰ সাংস্কৃতিক সঞ্চালকালয়ৰ দেৱদাসীয়ে নাচিছে ধাননী পথাৰত। বোধকৰো মৰ্ডানাইজ কৰিছে। ধৰিলৈছো যেনিবা দেৱদাসী নৃত্যৰ এয়া দ্বিতীয় সংস্কৰণ। তাৰ পিচত তেজপুৰত আমাৰ এটা জ্যোতি ভাৰতী আছে। জ্যোতিৰ চিত্ৰ, জ্যোতিৰ আভা বিস্তাৰ কৰিবলৈ এই জ্যোতি ভাৰতী কৰা হৈছে। কিন্তু তাত এখন ভঙা চকী আৰু এখন মেজে জ্যোতিৰ আভা বিস্তাৰ কৰি আছে। হয়তো তেজপুৰৰ পৰা এতিয়া প্ৰস্তাৱেই আহিব যে তাত আৰু বৈদ্যুতিকৰণ কৰিব নালাগে আমাৰ ওচমানী চাহাব ৰক্ষা পৰিব। আমাৰ কাকতি ডাঙৰীয়াৰো সুবিধা হব কাৰণ ৫ মাইল গলেই তেখেতৰ গাওঁ। জ্যোতি ভাৰতীয়ে ৰঙাপাৰালৈকে পোহৰ কৰিব। বৈদ্যুতিকৰণ কৰিব নালাগে। জ্যোতি ভাৰতীৰ ঘৰটো আছে আৰু ভঙা চকী এখন আছে। আমাৰ যিটো চিত্ৰবন আছে তাত কাৰ্য্যত একো নাই। কিন্তু তাৰ কাৰণে এটা কেমেৰা কিনিবলৈ হলেও সঞ্চালকৰ ঘৈণীয়েক লগত যায়। কথাটো সচা হয়নে নহয় কব নোৱাৰো মন্ত্ৰী মহোদয়ে খবৰ

কৰিলে গম পাব। অসমৰ সংস্কৃতি বিহুনাচ এটা ইনডিজিনিয়াচ অনুষ্ঠান। আমি অসমত এখন মিউজিক কলেজ খুলিবলৈ লৈছো। কিন্তু তাৰ যি জন অধ্যক্ষ লাগে তাৰ কাৰণে বিজ্ঞাপন দিয়া হৈছে কথক নৃত্য জনা মানুহ লাগে। চাৰ, অসমৰ বিহুনাচ, আৰু অন্যান্য নাচ-গান শিকাবলৈ কথক নৃত্য পাৰদৰ্শিতা কিয় দৰ্কাৰ হল বুজি নাপালো। আমি দক্ষিণ ভাৰত ভ্ৰমণ কৰিবলৈ গৈছিলো কৰ্ণাটক আদি ঠাইত বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নিবিচৰাকৈ অনুষ্ঠান চলাইছে। মোৰ বোধেৰে ভাটখণ্ডেৰ মিউজিক ডিগ্ৰীটো থাকিলেই অভিজ্ঞ বুলি কব নোৱাৰো। আমাৰ মন্ত্ৰী মহোদয়ে জানে আমাৰ শ্ৰীগিৰিধৰ মহন্ত, শ্ৰীযুগল দাস, শ্ৰীসুৰেশ গোস্বামী আদিয়ে ভাতখণ্ডেৰ পৰা ডিগ্ৰী লাভ কৰা নাছিল। তেওঁলোকৰ প্ৰতিভাৰ বিষয়ে মন্ত্ৰী মহোদয়ৰ অবিদিত নহয়। সেই সময়তে ছোৰালীক ৰঙ্গমঞ্চলৈ আনি কামৰূপীয় নৃত্য দল গঠন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। গোৱালপৰীয়া, কামৰূপীয়া, জুমুৰনৃত্য ইত্যাদি আছে। কিন্তু আমাৰ সাংস্কৃতিক বিভাগে সেই বিলাকক উৎসাহিত কৰিব নোৱাৰে। পশ্চিমীয়া সাংস্কৃতিত তেওঁলোকৰ বিশেষ ৰাপ আনকি আমাৰ যি বিহু নাচ তাতো আমেৰিকান টুইষ্ট লগাইছে বোধকৰো কামনা শক্তি বঢ়াবৰ কাৰণেই। বিহুনাচ আমিও জানো। মই নিজে নাচিও প্ৰথম পুৰস্কাৰ পাইছিলো। এইটো কি বিহুনাচ সাংস্কৃতিক বিভাগৰ কৰ্ম্মচাৰীয়ে উলিয়াইছে নাজানো।

মই আন এটা কথা কব বিচাৰিছো যে আজিলৈকে প্ৰকাশন পৰিষদে আমাৰ পৰা কিমান টকা নিলে, এই টকা বিলাক কেনেকৈ খৰচ হল তাৰ এটা বিস্তৃত ৰিপোৰ্ট বিধান সভাত দিব লাগে। এই ডিৰেক্টৰ জনৰ অৰ্হতা কি, কি কি

বিশেষ কোৱালিফিকেশ্যান আছে যে ইমান প্ৰতাপী হৈ স্বয়ং সম্পূৰ্ণ বিভাগ হিচাবে থাকিব পাৰে? অসম দেশত কি কাম বন হল তাৰ হিচাব দিব লাগে। আমাৰ আন এটা ডাঙৰ কথা হল এই অসম ৰাজ্যখন বিভিন্ন ভাষা গোষ্ঠীৰ ধৰ্মীয় অনুভূতি থকা এখন দেশ। আমি ইয়াৰ দেখিছো যে স্কুল বিলাকৰ নাম বঙালী হাইস্কুল, অসমীয়া হাইস্কুল, মাৰোৱাৰী হিন্দী হাইস্কুল আদি দিয়া হয়। আমাৰ দেশত ইমানবোৰ মহাপুৰুষ আছে সেইসকলৰ নামত কিয় নামাকৰণ কৰিব নোৱাৰো? অসমীয়া, বঙালী, হিন্দী আদি নাম দিয়াৰ ফলত বিভিন্ন সম্প্ৰদায়ৰ মাজত বেলেগ বেলেগ মনোভাব জাগিছে। সেইকাৰণে স্কুল বিলাকৰ নাম সুভাষ বসু, আনন্দৰাম ঢেকিয়াল ফুকন, হাজী মহচীন, নজৰুল ইছলাম আদি নাম কিয় ৰাখিব নোৱাৰো? আনহাতে আমি এটা পদ্ধতিৰে কিয় স্কুল কৰিব নোছাৰো? আমাৰ কমিটমেণ্ট আছিল যে দেশৰ শাসনভাৰ যেতিয়া লম পাবলিক স্কুল থাকিব নোৱাৰে। হাইস্কুল একেধৰণৰ হব আৰু সমানে সুযোগ পাব। কিন্তু দেখা যায় পাবলিক স্কুল বেচিকৈ হৈছে আৰু অসমীয়া ৰাজ্যিক ভাষা হোৱাৰ পিছৰ পৰা ইংৰাজী মাধ্যমৰ স্কুলৰ জোৰ বাঢ়িছে। কন্‌ভেণ্টৰ সংখ্যা বাঢ়িছে। এইবিলাক গুচাব লাগিব। হাইস্কুল বিলাক স্বয়ং সম্পূৰ্ণ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। আগতে এখোখন নগৰত চাৰিখন হায়াৰ চেকেণ্ডাৰী স্কুল কৰা হয়। এই বছৰৰ পৰা প্ৰত্যেক সমষ্টিত থকা কলেজ বিলাকত কলা, বিজ্ঞান, বাণিজ্য এই তিনিটা শাখা খোলাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে এই তিনিটা শাখাৰ প্ৰতি আগ্ৰহ বঢ়াবৰ কাৰণে হাইস্কুল উন্নত কৰিব লাগে। যিবিলাক শিক্ষকে লৰা-ছোৱালীৰ উপযোগী পাঠ্যপুথি লিখিব তেওঁলোকক এটা বিশেষ ধৰণৰ প্ৰতিভামূলক বৃত্তি দিব লাগে। এজন শিক্ষকে ক্লাচ ৰুমত

পঢ়ুৱাই যিখিনি গম পায় বি, টি পঢ়ি গলেও সেইখিনি গম নাপায়। ক্লাচ ৰুমত শিক্ষকে লৰা-ছোৱালীৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিছে নে নাই সেইটো ডাঙৰ কথা। গতিকে শিক্ষক সকলক যদি আমি উৎসাহ দিওঁ তেনেহলে অভিজ্ঞতাৰ পৰা ধুনীয়া কিতাপ লিখিবলৈ চেষ্টা কৰিব। যোৱা ৩০ বছৰে দেখি আহিলো যিখন এল, পি স্কুলৰ ৰিজাল্ট বৰ ভাল নহয় সেইবিলাক স্কুলৰ হেড পণ্ডিতক ৰাজনৈতিক কাৰণত ৰাষ্ট্ৰীয় পুৰস্কাৰ দিয়ে। কিন্তু যিজন শিক্ষকে সুন্দৰকৈ পাঠ দান কৰিছে, স্কুলৰ ৰিজাল্টো ভাল তেওঁৰ যদি কোনো ৰাজনৈতিক বেকিং নাথাকে তেন্তে ৰাষ্ট্ৰীয় পুৰস্কাৰ নাপায়। এই ধৰণে হলে আমি শিক্ষাৰ দিশত সুফল আশা কৰিব নোৱাৰো। মই আগতেও কৈ আহিছো যে দুৰ্নীতি পৰায়ণ লোক সকলক যদি শাস্তি দিব নোৱাৰো তেতিয়াহলে যিসকলে প্ৰকৃততে ভাল কাম কৰে তেওঁলোকৰ মনলৈ হতাশাৰ ভাব আহে। কাৰণ যিমানেই ভাল কাম নকৰক প্ৰশংসা নাপায়। নন্ গভৰ্ণমেণ্ট শিক্ষা-নুষ্ঠান বিলাকক টকা ধাৰে দিয়া নিয়ম আছিল। তাৰ কাহিনী পঢ়ি দিব বিচাৰিছো।

In February, 1962 rules were framed by the Govt. for regulating the sanction of loans to the Govt. Aided Secondary Schools and Colleges for construction, purchase, repair of Schools/College/Hostel Buidlings and Purchase of equipments etc. The loans were to be paid in two or more instalments, the second and subsequent instalments being payable only after the amount already paid was utilised. The loan was to bear an interest

at the rate to be prescribed by the Govt. from time to time.

The loan was repayable in monthly instalments and not excedding 100 in number, the amount of each instalment being not less than 15% of the average monthly fee-income during the twelve months immidiatly precding the date of application, and was to be recovered by deduction from the grant payable to the Institutions for maintenance.

The Director of Public Instruction was to be responsible for maintaining the detailed accounts of the loans and for watching recoveries thereof.

According to the loan Register maintained by the Director of Public Instruction, Rs. 23-22 lakhs were disbursed as loan during 1967-68 to 1976-77. The record showing dispursement of loans during the earlier years was not available during audit 'September, 1977'. বহুত তেনেকুৱা পুৰণা কাহিনী বিচাৰ নকৰাকৈ আছে, এতিয়া চৰকাৰে বিচাৰ কৰিব লাগিব।

A Test check ( August 1977 ) of the re-

cords of the Director of Public Instruction disclosed the following irregularities :— গোটেইখিনি পঢ়িলে বৰ দীঘলীয়া হব কিন্তু নপঢ়িলেও নহয় কাৰণ বহুত ৰিলিভিং ফেক্ট আছে।

(i) Since inception of the scheme ( 1962-63 ), no detailed accounts showing the amount of loans granted to different institutions, the amount recoverable and recovered towards principal and interest, and the balance owrdue and outstanding had been maintained.

(ii) The drawal and disbursement of montes were not entered in the case book and the bill register.

(iii) Except in the case of one college, no actual payees' receipts in respect of loans disbursed to the institutions were received.

(iv) Since inseption of the scheme, on utilisation certification. had been recived by the Director of Public Instruction. এই স্কীমটো আৰম্ভ হোৱাৰ পৰা কিমান ধাৰে দিয়া হৈছে আৰু পোৱা হৈছে তাৰ হিচাব মেইণ্টেইন কৰা নাই।

The matter was referred to the Government in September, 1977 ; reply is awaited (March,

1978 ).

চাৰ, ১৯৭৭ চনৰ মাৰ্চ মাহতে এইবিলাক কথা জনালে আৰু আমাৰ চৰকাৰ ১৯৭৯ চনৰ মাৰ্চলৈকে শুই আছে, ইয়াৰ উত্তৰ দিয়া নাই। এনে অদ্ভুত কাৰবাৰ যদি এই শিক্ষা বিভাগত হয় তেন্তে আমি অতি আচৰিত হৈছোঁ। মাজতে সিদ্ধান্ত কৰিলে যে ( এল পি স্কুলৰ পণ্ডিত সকলৰ মাজত ) প্ৰি প্ৰাইমেৰী চেকচন একোটা খুলিব লাগে, আৰু এই মতেই মাষ্টৰণী থাকিবৰ কাৰণে দহ হেজাৰকৈ টকা দিয়া হল। এনে ধৰণৰ ঘৰৰ উদাহৰণ মই দিওঁ। লাওখোৱাত দেখিছোঁ, মোৰ বুঢ়া আঙুলিত বৰ বেছি জোৰনাই, তথাপি লাহেকৈ ঠেলা এটা মাৰিলে তাৰ চিমেণ্ট খিনিয়ে মই নাথাকো মই নাথাকো বুলি কয়। হেড মাষ্টৰক হিচাব দিবলৈ কোৱা হল, কিন্তু তেওঁ তালৈ কানসাৰ নকৰি কোচবিহাৰলৈ গুচি গ'ল নগাৰঁৰ ডি আইজনক কৈ। আনহাতে অধ্যক্ষ মহোদয়, চচিয়েল চাইদ ওৱেল ফেয়াৰ স্কীম এখন কৰা হল, তাৰ জৰিয়তে কি ওৱেল ফেয়াৰ কৰা হল সেই কথা নকলেও হব। কাহিলীপাৰাৰ পৰা আৰম্ভ কৰি শদিয়ালৈকে ডাঙৰ ডাঙৰ অফিচাৰ সকলৰ ঘৰত মাৰ্চ মাহত ককটেইল পাৰ্টি একোটা হয় আৰু তাত ইবিধো থাকে। এইদৰে ভুৱা নাম দি বিস্কুত আপেল আদি খায়। মই মন্ত্ৰী মহোদয়ক কৈ আছো যে বলক চাৰপাইজ ভিজিট দিওঁ, কিন্তু সময় নাই। কাৰণ এই ভ্ৰমণত মালা পিন্ধোৱাৰ ব্যৱস্থা নাথাকে আৰু ফুলাম গামোচাও নিদিয়ে। এই মালা পিন্ধা আৰু ফুলাম গামোচা লোৱাৰ মোহটো চৰকাৰে অৰ্থাৎ মন্ত্ৰী সকলে এৰিব লাগে। যদি আগতে কৈ যোৱা হয় তেন্তে সুন্দৰ সুন্দৰ মিঠাই, মালভোগ কল আদিৰ ব্যৱস্থা হব, গতিকে নোকোৱাকৈ যাব লাগে। ষ্টেট হ'ম, ভেগ্ৰেণ্ট হয় আদি ঠায়ে ঠায়ে আছে। তাত ২২-২৪ বছৰীয়া

লৰা এনেয়ে বহি থাকিব লাগে। এনেধৰণৰ ইনটেনচিভ চাইল্ড স্কীম এখন বকোত চাবলৈ গৈছিলো তাত দেখিছো দিনটো খৰি কাটে আৰু মাহেকত পঞ্চাচ টকা দিয়ে। তাত এই মানুহবিলাকক কিয় এনেয়ে খুৱাই থাকিব লাগে? এই খোদ বোৰক কিয় পুহিব লাগে? অধ্যক্ষ মহোদয়, আহোম ৰজাৰ দিনত কিছুমান খোদ পুহিছিল। এদিন দুটা খোদ একেলগে শুই থাকোঁতে ৰাতি জুই লাগিল। এটা খোদে কলে, জুই লাগিছে পি পো, আনটোৱে কলে ই শো। সেই খোদৰে কেইটামানেৰে শইকীয়াদেউৰ ঠাইত এটা খোদৰ আলি বনোৱা হৈছিল। এতিয়াও এই খোদবোৰ চৰকাৰে কিয় পুহিব লাগে? এওঁলোকৰ হতুৱাই কিয় কাম কৰোৱাৰ আচঁনি লোৱা নাই?

উপাধ্যক্ষ মহোদয়, মই বৰ বেছি নকওঁ, অন্যান্য সকলে কব লগা আছে। এইটো মোৰেই আশা নহয় অসম দেশৰ ৰাইজে আশা কৰিছিল যে নতুন চৰকাৰ গাদিলৈ অহাত অন্ততঃ আমাৰ শিক্ষা বিভাগটো ভাল হব। আজি বাতৰি কাকতত দেখিছো প্ৰাইমেৰী স্কুলৰ শিক্ষক সকলে ধৰ্না দিব। এবছৰীয়া পাঠ্যক্ৰম দুবছৰীয়া কৰা হল এবছৰীয়া প্ৰি, ইউনিভাৰ্চিটিৰ পাঠ্যক্ৰম দুবছৰীয়া কৰা হল, এতিয়া আকৌ কোৱা হৈছে যে ইয়াৰ লগত ডিগ্ৰীৰ কোনো সম্বন্ধ নাই, সেই কাৰণে বছৰি ৪০ টকাকৈ ঘূৰাই দিব লাগে। উপাধ্যক্ষ মহোদয়, এখটো বৰ দুখৰ আৰু ডাঙৰ কথা বুলি অনুভব নহয় নে? এইবিলাক খেলিমেলি কিয় কৰা হৈছে? শিক্ষা বিভাগটোৱেই হৈছে এটা আদৰ্শ বিভাগ পি, ডবলিউ, ডি, ই, এন ডি চাপ্লাই আদি সকলো বিভাগতকৈ এই বিভাগটোৰ অৱস্থা অতি বেয়া হৈছে। কাহিলীপাৰাত লাখ লাখ টকা খৰচ কৰি যি ঘৰ বনোৱা হৈছে শুনিছো প্ৰতি মাহে দুই ইঞ্চিকৈ তললৈ

বহি আছে। ১৯৮০ চনৰ ভূমিকম্পৰ আগতে হয়তো ইয়াৰ আধা মান তললৈ যাব আৰু সেই সময়ত ই পানীৰ তলত থাকিব। ১১ টাৰ আগত হলে মানুহ নমৰে, ফাইল হেৰাব। ১২ টাৰ পিচত হলে কিছু মানুহ মৰিব পাৰে। ডি, আই সকলক কাগজৰ কাম বেছি দিয়া হৈছে। দেৰা পথাৰলৈ যাবলৈ হলে উপাধ্যক্ষ মহোদয়, মহৰ পিঠিত উঠি যাব লাগে। আমাৰ মাননীয় সদস্য মিশ্ৰ ডাঙৰীয়াই দেৰা পথাৰৰ পৰা কাকীলৈ যাওঁতে এখন গৰুৰ গাড়ীত উঠি ভোট বিচাৰি গৈছিল। গতিকে নগাৱঁৰ ডি, আই জনকো অন্ততঃ এখন গাড়ীৰ ব্যৱস্থা কৰি দিলে কাম খিনি কৰিবলৈ সুবিধা পাব।

শিক্ষামন্ত্ৰীক এই গোটেই কথাবিলাক গভীৰ ভাবে ভাবি চিন্তি চাবলৈ মই অনুৰোধ কৰিছোঁ যাতে এই বিভাগটোৰ সুনাম হয় আৰু ভৱিষ্যতৰ বুৰঞ্জী নাম থাকি যায় যেন যে এজন অতি ভাল শিক্ষা মন্ত্ৰী আমাৰ আছিল। এই খিনিৰে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

শ্ৰীভুবনেশ্বৰ বৰ্মণ :— মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষাৰ দাবী যিটো উত্থাপন কৰিছে, তাৰ বিৰোধিতা কৰি যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে মই এই কৰ্ত্তণ প্ৰস্তাবৰ বিৰোধিতা কৰিছো আৰু দাবীটোত পূৰ্ণ সমৰ্থন জনাইছো।

Shri Golak Rajbanshi:— The Hon'ble Members on legs should be allowed to speak first. Then only the other Members may seek clarification. This is the system.

শ্ৰীভূৱনেশ্বৰ বৰ্ম্মণঃ— উপধ্যক্ষ মহোদয়, আজি গোটেই শিক্ষা ব্যৱস্থাটো সমালোচনা-পৰ্য্যালোচনা কৰাৰ আগতে আমি এটা বস্তু চাব লাগিব যে কোনো এটা বিষয়ে সমালোচনা কৰোতে তাৰ এটা নিদৰ্শন বা মাপ-কাঠি থাকিব লাগিব। আমি শিক্ষা বিভাগৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে আমি অতিতত কেনেকৈ চলিছিলো, জনতা চৰকাৰৰ আগৰ দিনৰ কথা সমালোচনা নকৰিলে, পৰ্য্যালোচনা নকৰিলে অকল আজিৰ কথাকে সমালোচনা কৰাটো সঠিক নহব। জনতা চৰকাৰ গঠন হোৱাৰ আগতে যিটো শিক্ষা বিভাগৰ পৰিস্থিতি, শিক্ষা বিভাগৰ প্ৰশাসনৰ যিটো পদ্ধতি এই গোটেইবিলাক চালি জাৰি চাই আগৰ যিটো নীতি আৰু আজিৰ যিটো নীতি তাক তুলনামূলক ভাবে সমালোচনা নকৰিলে অকল আজিৰ সমালোচনাই সঠিক নহব। আমাৰ জনতা চৰকাৰ শাসনলৈ অহাৰ লগে লগে যিটো নীতি গ্ৰহণ কৰিলে সেইটো হৈছে বিকেন্দ্ৰীকৰণৰ নীতি, আমাৰ যিটো নীতি সেইটো গ্ৰাম্যমুখী উন্নয়নৰ নীতি আৰু সৰ্বসাধাৰণ গৰীব, দুখীয়া শ্ৰেণীক সকাঁহ দিয়াৰ নীতি। এইক্ষেত্ৰত ক্ষমতা বিকেন্দ্ৰীকৰণৰ লগে লগে আমাৰ প্ৰাথমিক ক্ষেত্ৰত নিয়োগৰ যি নীতি, সেইমতে দিশপুৰত বহিয়েই নিযুক্তি দিয়া বন্ধ হ'ল। আজি বিকেন্দ্ৰীকৰণৰ নীতি গ্ৰহণ কৰি বোৰ্ড গঠন কৰা হৈছে। আৰু এই বোৰ্ডবিলাকে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বোৰ্ডবিলাক কিছুমান বাধা-বিঘিনিৰ সন্মুখীন হৈছে। এইবিলাক ক্ষেত্ৰত শিক্ষামন্ত্ৰীয়ে চাব-ডিভিজনেল বোৰ্ডৰ সভাপতি সকলক মাতি আলোচনা-বিলোচনা কৰিলে। যিবিলাক নীতি আছে এই নীতি আমাৰ চৰকাৰে বিকেন্দ্ৰীকৰণ নীতি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যিবিলাক বাধা আছিল সেই বাধা বিলাক আঁতৰাই বিধান সভাত ৰুল উত্থাপন কৰাৰ কাৰণে আমি সেই সভাত পৰামৰ্শ দিছিলো। এই কথা আমাৰ শিক্ষামন্ত্ৰীয়ে জানে আৰু মই জানো।

আজি শিক্ষা মন্ত্ৰীক অনুৰোধ কৰিছো আমাৰ শিক্ষা বিভাগৰ নিয়োগৰ ক্ষেত্ৰত যিবিলাক খেলি মেলি হৈছে, প্ৰাথমিক শিক্ষা বিভাগৰ অচল অৱস্থা হৈছে সেইটো দূৰ কৰিবলৈ দৃঢ়ভাৱে ব্যৱস্থা গ্ৰহণ কৰি কৃতকাৰ্য্য কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ চৰকাৰে সিদ্ধান্ত কৰিছে যে প্ৰত্যেকখন গাওঁতে স্কুল দিব। আমাৰ প্ৰত্যেক খন গাওঁতে স্কুল দিয়াৰ ক্ষেত্ৰত কিমান স্কুল দিবলগীয়া হৈ আছে য'ত স্কুল নাই তাৰ জৰিপ কৰিব লাগে আৰু যিবিলাক ভেনচাৰ স্কুল লব পৰা নাই সেইবিলাক লোৱাৰ কাৰণে সিদ্ধান্ত কৰিব লাগে। আৰু এজনীয়া শিক্ষক থকা স্কুল বিলাকত দুজনীয়া শিক্ষক নিয়োগ কৰিবলৈ সিদ্ধান্ত কৰিব লাগে। এইটো দুৰভাগ্যৰ কথা যে আমাৰ শিক্ষামন্ত্ৰীয়ে আৰু মুখ্যমন্ত্ৰীয়ে বাতৰি কাকতত ঘোষণা কৰিছিল যে ৬ হেজাৰ প্ৰাথমিক শিক্ষকৰ পদ খোলা হব আৰু এই পদ বিলাকৰ বিপৰীতে নিয়োগ কৰা হব। কিন্তু আজি মাৰ্চৰ আধা শেষ হ'ল আজিলৈকে এজন শিক্ষককো নিয়োগ কৰিব নোৱাৰিলে। এইটো কিয় নহ'ল টকাৰ কাৰণেই নহল নে বিষয়া সকলৰ গাফিলতিৰ কাৰণে নহল আমি ভাবি আচৰিত হৈছো। এই সম্পৰ্কত যি ঘাটি হৈছে এই ঘাটি পূৰণৰ কাৰণে সিদ্ধান্ত লব লাগে। আচৰিত কথা নিয়োগৰ ক্ষেত্ৰত আগৰ যিবিলাক খেলি মেলি আছিল, মই জানো যিহেতু মইবোৰ্ডত আছো, তাত এনেকুৱা খেলি মেলি হৈছে যে ১৯৭৫ চনতে নৰ্ম্মাল পাচ কৰা, বেচিক পাচ কৰা শিক্ষকে চাকৰি পোৱা নাই, কৰবাত দুই তিনি মাহ ধৰি লিভভেকেন্সিত কাম কৰি আছে। কিন্তু ১৯৭৭-৭৮ চনত পাচ কৰা শিক্ষকে পিচ দুৱাৰেদি স্থায়ী নিযুক্তি পাইছে। আজি এইধৰণৰ দুৰ্নীতি শিক্ষা বিভাগত চলি আছে। যেতিয়া জনতা চৰকাৰে ঘোষণা কৰিছে নিয়োগ তলৰ পৰ্য্যায়ৰ পৰা হব, এই-

ক্ষেত্রত দিছপুৰৰ পৰা অফিচাৰ সকলে দুই চাৰিজনক কিয় পিচ-দুৱাৰেদি নিয়োগ কৰি আছে? ইয়াৰ ফলত স্থানীয় ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। মই জনাত বৰপেটা মহকুমাত দুটা শিক্ষকৰ পদ খালি হল। সেই পদ দুটা এজন দৰঙৰ পৰা আৰু এজন গোৱালপাৰাৰ পৰা আনি পুৰণ কৰিছে। কোনোবা বিষয়া সম্পৰ্কীয় হোৱাৰ কাৰণে এইটো কৰা হৈছে বুলি ভাবিছো। এই বিষয়ত আমি অতি আচৰিত হৈছো। আৰু এইটো ঘোৰ বিৰোধীতা কৰিছো। কিন্তু বৰপেটা মহকুমাত খালি হোৱা পদ বৰপেটাৰ লৰাৰ দ্বাৰা পুৰণ কৰা হোৱা নাই? বৰপেটাত নিযুক্তি দি পিচত বদলি কৰি লৈ যোৱাত আপত্তি নাই। বৰপেটাত খালি হোৱা চাকৰি দৰঙৰ পৰা বা গোৱালপাৰাৰ পৰা নি নিযুক্তি দিয়াতহে আপত্তি আছে। এইধৰণে পিচ দুৱাৰেদি মানুহ নিযুক্তি দিয়াৰ নীতিৰ আমি বিৰোধীতা কৰিছো। আৰু এই ক্ষেত্ৰত শিক্ষামন্ত্ৰী মহোদয়ে দৃঢ়ভাবে হস্তক্ষেপ কৰিব বুলি আশা ৰাখিছো। আমাৰ এইধৰণৰ প্ৰশাসনৰ সংস্কাৰ কৰিব নোৱাৰিলে আমি এই বিষয়ে বিধান সভাত কৈয়েই সমস্যা সমাধান কৰিব নোৱাৰো। এই বিষয়ত দৃঢ় নীতি লব লাগিব। যিনীতিৰ ফলত বিষয়াসকলৰ দুৰ্নীতি নাথাকিব আৰু বিষয়া সকলে সহযোগিতা মুলক ভাবে কাম কৰিব পাৰিব আৰু তেওঁলোকৰ কাম কৰাটো উৎসাহ পাব। আমি দেখিবলৈ পাইছো যে ডি, আই, এচ, আই, ঠায়ে ঠায়ে কম হোৱা বাবে তেওঁলোকে কাম কৰাত অসুবিধা পায় আৰু সময় মতে স্কুল সমূহ পৰিদৰ্শন কৰিব নোৱাৰে। তেওঁলোকে এক মাহৰ ভিতৰতে এটা নিযুক্তি দিব তাৰ পিচৰ মাহত এই সম্পৰ্কত আপত্তি কৰিব তাৰ পিচত দিছপুৰৰ পৰা অনুসন্ধান কৰিব, ইত্যাদি অভিযোগ বিলাক তদন্ত কৰি ৰিপৰ্ট

দিয়াৰ কাৰণে পুলিচ বিভাগৰ দৰকাৰ হৈছে শিক্ষা বিভাগত। স্পষ্ট নীতি থকা স্বত্বেও এইবিলাক কিয় হবলৈ পাইছে? আমাৰ যি নীতি আছে এই নীতিৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিয় সক্ষম হোৱা নাই। পৰিদৰ্শক বিষয়া জন প্ৰশাসক বিষয়া হব নালাগে। পৰিদৰ্শক আৰু প্ৰশাসক বেলেগ বেলেগ হব লাগে। আমাৰ গুৱাহাটীত তিনি জন পৰিদৰ্শক আছে। এই তিনিও জনে আপত্তিমূলক কামত ঘুৰি ফুৰিবলগীয়া হোৱাৰ কাৰণে কোনোৱা শিক্ষক লগ পাবলৈ আহিলেও লগ নাপায়। দিনৰ ভাগত ঘুৰি ফুৰিবলগীয়া হোৱাৰ কাৰণে তেওঁলোকে ৰাতিও কাম কৰিবলগীয়া হয়। তেওঁলোকে কাম নকৰিলেও নহয়, বাহিৰত পৰিদৰ্শন কৰিবলৈ নগলেও হাহাঁকাৰ হয়। সেইকাৰণে মই কব বিচাৰিছো যে পৰিদৰ্শক এজন বেলেগ আৰু প্ৰশাসক জনো বেলেগ বিষয়া হব লাগে। গতিকে কামৰূপত এজন পৰিদৰ্শক হিচাবে কাম কৰিলে এজনে প্ৰকাশক হিচাবে কাম কৰিব লাগে। চৰকাৰে এনেকুৱা নীতি লব লাগে। শিক্ষা বিভাগৰ জনসাধাৰণৰ লগত সম্পৰ্ক আছে। আৰু গাৱেঁভুৱে শিক্ষা বিভাগে স্পৰ্শ কৰিছে। গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক এইক্ষেত্ৰত বিশেষ ভাবে কাম কৰিবলৈ অনুৰোধ কৰিছো। এটা কথাত শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াৰ লগত মই একমত নহয়। মই এদিন বৰঝাৰৰ পৰা শিক্ষা মন্ত্ৰীৰ লগত আহি আছিলো। আমি গৈছিলো এজন নেতাক আগবঢ়াবলৈ। ঘুৰি আহতে বাটতে তেখেতে এখন স্কুল আকস্মিক ভাবে পৰিদৰ্শন কৰিলে। এই ধৰণে আকস্মিক ভাবে পৰিদৰ্শন কৰাত মই বৰ ভাল পালো। তেখেতক তাত চাহ খাবলৈ কৈছিল যদিও চাহ নাখালে। এই ক্ষেত্ৰত মই এই কাৰণেই ভাল পাইছো যে আগতিয়াকৈ জাননী নিদিয়াৰ কাৰণে স্কুলৰ যিটো ৰূপ সেইদিনা আছিল সেই-

টোকে দেখা পালে। বাকী আন মন্ত্ৰীৰ কথা মই নাজানো। এইধৰণে মই ভাবো অফিচ বিলাকতো পৰিদৰ্শন কৰিব লাগে। মন্ত্ৰী সকলে ভ্ৰমণ কৰাৰ পৰিবৰ্ত্তে অফিচত বহি কাম কৰিলেই বেছি ভাল হব বুলি ভাবো। অফিচৰ কাম পেলাই থৈ ভ্ৰমণ কৰাটো ভাল বুলি কব নোৱাৰো।

মাধ্যমিক শিক্ষালৈ যোৱাৰ আগতে মই প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কওঁ যে ১৯৭৫ চনত চৰকাৰে যিবিলাক স্কুল ললে। চৰকাৰে শিক্ষক সকলক পেন্সন গ্ৰেচুইটি দিব নোৱাৰাৰ ফলত।

Mr. Deputy Speakar :— The Hon'ble Member will Speak after lunch. The House Stands adjourned till 2-30 P.M.

শ্ৰীভুবনেশ্বৰ বৰ্মণ :— উপাধ্যক্ষ মহোদয়, মই প্ৰাথমিক শিক্ষাৰ বিষয়ে অলপ কৈছিলো। আমি চাব লাগিব প্ৰাথমিক শিক্ষক নিয়োগৰ ক্ষেত্ৰত যাতে প্ৰতিটো পৰিয়ালৰ কম পক্ষেও মেট্ৰিকুলেট শিক্ষা থকা সকলৰ যাতে সংস্থানৰ দিহা কৰিব পাৰি তেনেকুৱা নীতি জনতা চৰকাৰৰ নীতিৰ মাজত সোমাই লব লাগে। এতিয়া স্বাভাৱিকতে দেখা যায় যে মধ্যবিত্ত বা উচ্চ মধ্যবিত্ত সকলৰ মাজৰ পৰাই বেছি ভাগ নিয়োগ হৈ থাকে কিন্তু অৰ্থনৈতিক ভাবে পিচপৰা সকলৰ মাজত তেনে নীতি প্ৰৱৰ্ত্তন কৰাৰ দ্বাৰা সেই সকল পাৰিয়ালক সংস্থানৰ দিহা দিব পাৰিলে নিতান্ত ভাল কথা হয়। আশা কৰো এই বিষয়ত শিক্ষামন্ত্ৰীয়ে গভীৰ ভাৱে চিন্তা কৰিব আৰু ফলপ্ৰসু ব্যৱস্থা হাতত লব। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তৃতা দিওঁতেও এই কথা উল্লেখ কৰিছিলো।

উপাধ্যক্ষ মহোদয়, এতিয়া বৰ্ত্তমান যিখন কুঁহিপাঠ বুলি

পাঠ্যপুথি আছে তাত শিক্ষামন্ত্ৰী ভাণ্ডৰীয়াৰো লিখা পোৱা গৈছে। মন্ত্ৰী হিচাপে দিছে নে লিখক হিছপে দিছে, সাধাৰণতে কি হিচাপে দিয়া হয় কি নীতিত ছপা কৰা হয় সেই বিলাক কথা চালিজাৰি চাই ব্যৱস্থা লবলৈ শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আগৰ স্কুল বিলাকত মেনেজিং কমিটিয়ে শিক্ষক নিয়োগ কৰিছিল কিন্তু এতিয়া চৰকাৰী কৰণ কৰাৰ পিচত হেডমাষ্টৰ আৰু ইন্সপেক্টৰে নিযুক্তি দিয়াৰ পৰা বহু ৰকমৰ খেলি মেলি হৈছে। বহু ঠাইত অভিযোগ শুনা গৈছে। গতিকে দৰকাৰ হলে আইন সংশোধন কৰি হলেও পূৰ্ব্বৰ অবস্থা বাহাল ৰাখিব লাগে অৰ্থাৎ মেনেজিং কমিটিৰ দ্বাৰা নিয়োগ কৰাৰ ব্যৱস্থা ৰাখিব লাগে। নহলে নিয়োগ ব্যৱস্থা শুদ্ধ হব নোৱাৰে। সামাজিক শিক্ষাৰ বিষয়ে এইটো অপচয়ৰ বাহিৰে আন একো নহয়। স্কুল বিলাকলৈ গ্ৰান্ট দিয়াৰ নামত অফি-চাৰ সকলৰ মাজতে টকা বিলাক ভাগ বাতোৱাৰা কৰি লোৱাৰ অভিযোগ পোৱা গৈছে। এইটো আবৰ্জনা বিভাগহে হৈছে। মন্ত্ৰী মহোদয়ে হস্তক্ষেপ কৰি এই বিলাক চাব লাগে। অফিচাৰ সকলৰ কাৰ্য্যদক্ষতা সম্পৰ্কেও সন্দেহ আছে। প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি বুলি এটা বিভাগ আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা এই আঁচনিত যথেষ্ট গুৰুত্ব দিয়া হৈছে যদিও আমাৰ ইয়াত কিন্তু একো কাম কৰা হোৱা নাই। আমি দুই অক্টোবৰ তাৰিখেই শুভাৰম্ভ কৰিলো যদিও দুই এখন ঠাইৰ বাহিৰে এই আঁচনিৰ কাম আৰম্ভ কৰা হোৱা নাই। জনতা চৰকাৰৰ নীতিৰ লগত এই আঁচনিৰ যথেষ্ট সম্পৰ্ক আছে গতিকে অতি সোনকালে এই আঁচনি কাৰ্য্যকৰী কৰি-বলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। দৰকাৰ হলে বিভাগ পুনৰ গঠন কৰি হলেও এই আঁচনিৰ সুফল পোৱাৰ কাৰণে চেষ্টা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই সামাজিক শিক্ষাৰ ওৱেলফেয়াৰৰ বিষয়ে কৈছেই। বিষয়া জনৰ নাম অলপ ইফাল সিফাল হব পাৰে কিন্তু এই বিভাগটো অতি সোনকালে পুনৰ গঠন কৰি এই বিভাগটো কৰ্ম্মথ কৰি গঢ়ি তুলিবলৈ মই শিক্ষামন্ত্ৰী মহেদেয়ক অনুৰোধ কৰিলো।

উপাধাক্ষ মহোদয়, জনশিক্ষা বিভাগটো অতি সোনকালে পুনৰগঠন কৰিব লাগে। মাধ্যমিক শিক্ষাৰ বিষয়ে কলোৱেই। এটা কথাত মই অতি দুখ পাইছো যে হিন্দী শিক্ষাৰ কাৰণে আমাৰ ইয়াত কোনো ব্যৱস্থা কৰা নাই। মই নিজে ভাল পাও মোৰ ৰাপ থকা বিষয়। কিন্তু দুখ লাগে যেতিয়া আন আন ৰাজ্য বিলাকে হিন্দী শিক্ষাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পইচা লৈ যায়। আমাৰ অসমত যিখিনি টকা দিয়া হয় তাকেই খৰচ কৰিব নোৱাৰি ঘূৰাই দিয়া অৱস্থা। মই নিজে হাতে কামে লাগি হিন্দী উপদেষ্টা পৰিষদ খন নতুনকৈ গঠন কৰিলো। মই নিজে কেন্দ্ৰীয় পৰিষদৰ সদস্যও। আমাৰ এই পৰিষদৰ বৈঠক বছৰেকত চাৰিবাৰ বহিব লাগে যদিও বছৰটোৰ ভিতৰত এবাৰো বৈঠক নবহিল।

(সময়ৰ সংকেত)

বহুত খেলিমেলি। মই নিজে হাতে কামে লাগিও একো কৰিব পৰা নাই। হিন্দী শিক্ষকৰ বেতন নিৰ্দ্ধৰণ কৰি দৰমহা দিয়া নাই, নিয়োগৰ ক্ষেত্ৰত খেলিমেলি আছে। কোনো এজন নাই গুৰুত্ব সহকাৰে কাম কৰিবলৈ, এই গোটেইবিলাক কথা চালিজাৰি চাবলৈ শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। হিন্দী গ্ৰেন্ট বিতৰণ কৰাৰ ক্ষেত্ৰত কিন্তু সকলোৱেই আগ্ৰহী। হিন্দী সম্প্ৰসাৰণৰ ক্ষেত্ৰত আগ্ৰহী নহয় কিন্তু এৰিয়া হিচাবে দুহাজাৰ বা আঢ়ৈ হাজাৰ

টকা বিতৰণ কৰাৰ ক্ষেত্ৰত কিন্তু সকলোৱে আগ্ৰহী। সেই কাৰণে গোটেই বিভাগটো পুনৰ গঠন কৰি ৰাইজৰ লগত চৰকাৰৰ লগত খাপ খোৱাকৈ লবৰ কাৰণে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ইয়াৰ উপৰিও পৰিদৰ্শন কৰা লোকৰ সংখ্যা বঢ়াব লাগে। প্ৰশাসন আৰু পৰিদৰ্শন এই দুয়োটা বেলেগ বেলেগ ভাগ কৰি লব লাগে আৰু তেহে সুফল আশা কৰিব পাৰি। একেজন বিষয়াই পৰিদৰ্শন আৰু প্ৰশাসন চলালে ভাল হব নোৱাৰে। দুটা চাইডত দুটা ভাগে চলাই নিলে ৰাইজ আৰু সকলো কামৰ কাৰণে গুৱাহাটীলৈ আহিবলগীয়া অৱস্থা নহব। ইয়াকে কৈ অৱশেষত মূল দাবী সমৰ্থন কৰি এই খিনিকে কৈ সামৰিলো।

* শ্ৰীদেৱান জয়নাল আবেদিন :— মাননীয় উপাধ্যক্ষ মহোদয়, মই শিক্ষা শিতানত কবলৈ উঠি প্ৰথমতেই ইয়াকে কব বিচাৰিছো যে শিক্ষাক কোৱা হয় বিশেষকৈ অৰ্থনৈতিক ব্যৱস্থা চুপাৰ ষ্টাকচাৰ অৰ্থাৎ উপ সজা ব্যৱস্থা হিচাবে। আমাৰ ইয়াত যি আৰ্থিক, সামাজিক ব্যৱস্থা চলি আছে এই ব্যৱস্থাৰ মাজত যি সংকতে দেখা দিছে এই সংকটৰ প্ৰতিফলন আমাৰ শিক্ষাৰ ব্যৱস্থাটো দেখিবলৈ পোৱা গৈছে। মূলতঃ আজি আমাৰ শিক্ষাৰ ব্যৱস্থা যিবোৰ কোনো যিবোৰ সমস্যা সেইবোৰ আমাৰ আৰ্থিক আৰু সামাজিক সমস্যাৰ পৰা উদ্ভূত। উপাধ্যক্ষ মহোদয় এই বাজেটত শিক্ষাৰ শিতানত ৭০'৭৫ কোটি টকা মঞ্জুৰ কৰা হৈছে। ইয়াত মই কাতমোচনৰ ওপৰত কবলৈ ওলাইছো। নীতি হিচাবে মই জানো, মই কব খোজো যে শিক্ষাৰ যিটো বাস্তৱ প্ৰয়োজন সেই প্ৰয়োজনৰ তুলনাত এই টকা অপ্ৰচুৰ হৈছে। আৰু বেচি হব লাগিছিল। অহিন অইন শিতানৰ টকা কমাই

* Speech not corrected

বৰঞ্চ আমাৰ শিক্ষাৰ ব্যৱস্থা আৰু সুন্দৰ কৰিবলৈ এই শিতানটোৰ প্ৰতি আৰু অধিক গুৰুত্ব দিব লাগিছিল। উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ শতকৰা ৭০ ভাগ মানুহ আজি ৩২ বছৰ পিচতো নিৰক্ষৰ হৈ আছে। এইটো আমাৰ কাৰণে অত্যন্তঃ লাজৰ কথা। অসমৰ এই সংখ্যা আৰু বেচি। শতকৰা ৭২ ভাগ মানুহ নিৰক্ষৰ আজি নিৰক্ষৰতা সংখ্যা বেচি হৈছে সেইটো নহয়, নিৰক্ষৰতা সংখ্যা কমা সেইটোহে আচল চিন্তাৰ কথা। যোৱা ১৯৬১ চনৰ চেনচাচ আৰু ১৯৭১ চনৰ চেনচাচৰ ৰিপৰ্ট পৰ্য্যালোচনা কৰিলে দেখা যায় এই দশকৰ ভিতৰত শিক্ষাৰ হাৰ কিমান বাঢ়িছে। মাত্ৰ ১'৩ ভাগ। এই হাৰত যদি শিক্ষা বৃদ্ধি হয় তেতিয়াহলে সাৰ্ব্বজনীন শিক্ষা ব্যৱস্থা চলাবলৈ প্ৰায় এক হেজাৰ মান বছৰ লাগিব। পৃথিবীৰ বহু দেশতেই সাৰ্ব্বজনীন শিক্ষাৰ ব্যৱস্থা হাচিল কৰিবলৈ সক্ষম হৈছে সেই সময়লৈ সেই পৰ্য্যালৈ আহিবলৈ এহাজাৰ মান বছৰ লাগিব। এইটোহে চিন্তাৰ কাৰণ। আজি শিক্ষাৰ এই ব্যৱস্থা যিটো হল আকস্মিক ঘটনা নেকি? সমাজ ব্যৱস্থা, আৰ্থিক ব্যৱস্থা প্ৰতিফলন আজি শিক্ষা ব্যৱস্থাত দেখা গৈছে। গতিকেই এইটো আকস্মিক নহয়। সেইটো পৰিকল্পনাৰ লগত জৰিত। আজি আমাৰ শিক্ষাৰ যিকেইটা সমস্যা এই সমস্যা তিনি ধৰণৰ এইটো আমি শিক্ষা ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা পাওঁ। এটা হৈছে শিক্ষাৰ সম্প্ৰসাৰণ সমস্যা, আনটো হৈছে শিক্ষাৰ বিষয় বস্তুৰ সমস্যা আৰু তৃতীয়টো হৈছে শিক্ষাৰ প্ৰসাৰণত পৰিচালনাৰ সমস্যা। এই তিনিওটাতে নানা ধৰণৰ কেৰোনত ভুগিছে। উপাধ্যক্ষ মহোদয়, মই কব খোজো আজি শিক্ষাৰ ব্যৱস্থাত কৰবাত দুই চাৰিখন স্কুল বান্ধিছে বা কলেজ বান্ধিছে, জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে সেই অনুপাতে স্কুল কলেজৰ সংখ্যা বৃদ্ধি পোৱা নাই। আৰু যি এখন শিক্ষা প্ৰতিস্থান হৈছে সেইয়াও ৰাইজে কৰি লৈছে। চৰকাৰে পাচতহে

অনুদান দিছে। আৰু তাৰ পাচত শিক্ষা প্ৰাদেশিকৰণ কৰা নামত শিক্ষক সকলৰ কিছুমান অধিকাৰ কাঢ়ি লৈছে। কিন্তু চৰকাৰে নিজে আগবাঢ়ি আহি প্ৰাথমিক স্কুল বা মাধ্যমিক স্কুল বা কলেজ বা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি অহা নজিৰ আমি দেখিবলৈ পোৱা নাই উপাধ্যক্ষ মহোদয় আমি দেখিছো প্ৰশাসনৰ ক্ষেত্ৰত ৰাজ্যখনত প্ৰাথমিক শিক্ষাৰ কি ব্যৱস্থা হৈছে। যিবোৰ গাওঁত ১৪ বছৰৰ লৰা ছোৱালীক স্বাৰ্থজনীন শিক্ষা ব্যৱস্থা অন্তভূক্ত কৰিবলৈ সক্ষম হোৱা নাই যিবোৰ গাওঁত স্কুল আছে সেইবিলাকৰ কি দূৰৱস্থা। চাল নাই, বেৰ নাই, লৰা ছোৱালীক বহিবৰ ব্যৱস্থা নাই, চেয়াৰ নাই। টেবুল নাই। মাষ্টাৰ কৰবাত দুই এজন আছে এই অৱস্থাৰে চলি আছে।

এই গোটেই শিক্ষাৰ ব্যৱস্থাটো আজি যদি ভালকৈ পৰ্য্যবেষন কৰা নহয় তেতিয়াহলে এই অৱস্থা আৰু বেয়াৰ ফালে যাব। যোৱা কেইবছৰ আগতে স্কুল ইনস্পেক্টৰ খালি হৈ আছে ৪-৫ বছৰে স্কুল বিলাক ইনস্পেক্টচন নহয়। এই প্ৰশিক্ষণৰ ব্যৱস্থা অত্যন্ত গুৰুত্বপূৰ্ণ। এই বিষয়ে কাৰো নজৰ নাই। মাধ্যমিক স্কুলৰ ক্ষেত্ৰতো একেই অৱস্থা। প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত মই এটা কথা কবলৈ পাহৰিছিলো। যোৱা বছৰৰ ভিতৰত এখনো প্ৰাথমিক স্কুল চৰকাৰে লোৱা নাই। নতুন পোষ্ট চৰকাৰে মঞ্জুৰ কৰা নাই। গোটেই ৰাজ্যখনতে শিক্ষিত নিবনুৱা সকলৰ মাজত স্কুল পৰিচালনা কৰিছিল, যিসকলে স্কুলৰ শিক্ষকতা চলাই আছে ৰাইজৰ মাজত বিক্ষুভৰ সৃষ্টি হৈছে।

প্ৰাথমিক স্কুল, মাধ্যমিক স্কুল আদি বহুতো স্কুল আছে, যিবোৰ ৰাইজে নিজে চলাই থাকিব লগীয়া হৈছে। চৰকাৰে সেই

স্কুলবোৰৰ কাৰণে অনুদান পঠোৱাৰ সুনাম লৈ আছে কিন্তু যোৱা বছৰৰ ভিতৰত তেনে কোনো পদক্ষেপ লোৱা দেখা নাই। কিছুমান হাইস্কুল হাইয়াৰ চেকেণ্ডাৰী স্কুললৈ ৰূপান্তৰীত কৰিছে, কিন্তু কি সূত্ৰৰ ভিত্তিত এই স্কুলবোৰ এনে কৰিবলৈ নিৰ্ব্বাচন কৰা হ'ল আমি নেজানো। বাস্তৱ কোনো শিক্ষাৰ প্ৰয়োজনীয়তাত নে কোনো দলীয় সংকীৰ্ন ৰাজনৈতিক বিবেচনাত এই স্কুলবোৰ বাচি বাচি ঠিক কৰা হ'ল আমি নেজানিলো। আমাৰ আশংকা কৰাৰ থল আছে যে এইবোৰ স্কুল পৰিচালনা কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক বিবেচনাক অগ্ৰাধিকাৰ দিয়া হৈছে। কলেজ বঢ়োৱাৰ চেণ্টা ইমান বাঢ়িছে যে ৰাইজৰ মাজত শিক্ষাৰ প্ৰচাৰ হৈছে, শিক্ষাৰ চাহিদা বিকাশ পাইছে। গতিকে চৰকাৰে ডিগ্ৰী কলেজ খুলি কাৰ্য্যকৰী ব্যৱস্থা লৈ আৰু চিকিৎসা বিদ্যালয় খুলি যিবিলাক আসোৱাহ আছে সেইবিলাক দূৰ কৰি শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ কাৰণে এটা ব্যৱস্থা কৰিব লাগে। আজি শিক্ষাৰ মূল ব্যৱস্থাটো হৈছে শিক্ষা সংকোচন। এই ক্ষেত্ৰত আজি কালি বহুতো মানুহে কয়, চৰকাৰে চাকৰি দিয়াৰ ব্যৱস্থা কৰি দিব নোৱাৰে যেতিয়া শিক্ষা লৈ কোনো লাভ নাই। কিন্তু এইটো ভ্ৰান্ত ধাৰণা। চাকৰিৰ লগত শিক্ষা ব্যৱস্থাৰ কোনো সম্পৰ্ক নাই। শিক্ষা কেৱল চাকৰিৰ কাৰণে নহয়। কিন্তু চাকৰি, কৰ্ম্মসংস্থান নোগোৱাটোৰ কাৰণে আমাৰ দেশৰ ৰাজনৈতিক ব্যৱস্থাই দায়ী। চাকৰি দিব নোৱাৰিলে বুলিয়েই মানুহক শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত কৰাৰ কোনো অধিকাৰ নাই। শিক্ষিত কৰি নিবনুৱা কৰাতকৈ অশিক্ষিত নিবনুৱা কৰাৰ কোনো অধিকাৰ নাই। গতিকে মূল কথা হৈছে নিবনুৱা সমস্যা দূৰ কৰাটো। কিন্তু এই সমস্যা দূৰ কৰাত শিক্ষা ব্যৱস্থাৰ ধাৰাত কোনো উপায় নাই। প্ৰতিজন মানুহক যাতে শিক্ষা লাভ কৰাত সহায় কৰিব পাৰি সেই সুবিধা

কৰি দিয়াৰ দায়িত্ব চৰকাৰ তথা ৰাষ্ট্ৰৰ ওপৰত। সেইফালৰ পৰা কব খুজিছো যে শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰিব লাগে। এই খিনিতে মই আৰু এটা কথা কব বিচাৰিছো যে আমাৰ ৰাজ্যত হেনো কাৰিকৰী শিক্ষা বেছি হৈছে। অৱশ্যে এটা কথা সচা যে পৃথিবীৰ ভিতৰতে ভাৰতবৰ্ষ কাৰিকৰী শিক্ষাত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষিত লোকৰ ভিতৰত তৃতীয় বৃহত্তম দেশ। কিন্ত কাৰিকৰী শিক্ষাত প্ৰশিক্ষণ প্ৰাপ্ত বহুতো শিক্ষিতকে কৰ্ম্ম সংস্থান দিব পৰা নাই। এইটো হৈছে আমাৰ পুজিঁবাদীৰ অৰ্থনৈতিক ব্যৱস্থাৰ ত্ৰুতি। কিন্তু তাৰ কাৰণেই কাৰিকৰী শিক্ষা বিস্তাৰ নকৰিম নে? কাৰিকৰী শিক্ষাৰ বিস্তাৰ কৰাৰ লগে লগে আৰু সাধাৰণ শিক্ষাৰ বাহিৰেও অন্যান্য শিক্ষা ব্যৱস্থাৰ বিকাশ সাধন কৰিব লাগিব। স্বাস্থ্যৰ ক্ষেত্ৰত অসমত মাত্ৰ তিনিখন মেডিকেল কলেজ আছে। ইয়েই যথেষ্ট নহয়। কামৰূপ গোৱালপাৰা জিলাত বৃহত অঞ্চলত মেডিকেলৰ কোনো ব্যৱস্থা নাই। অসমত এনে বহুতো অঞ্চল আছে য'ত প্ৰয়োজন মতে দুই তিনিখন মেডিকেল কলেজ প্ৰাতিস্থা কৰিব লাগে। তাৰ লগত ফাৰ্ম্মেচিষ্টৰ শিক্ষাও দিয়াৰ লাগে। কাৰণ অসমৰ দৰে দুখীয়া দেশৰ মানুহৰ মাজত বহুতৰে এনে সামৰ্থ নাই যে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক এম, বি, বি, এচ, পাছ কৰাব পাৰিব। গতিকে গাৱেঁ-ভুইয়ে যাতে আমি কিছুমাচ ফাৰ্ম্মেচিষ্ট তৈয়াৰ কৰিব পাৰো তাৰ বাবে জনতা চৰকাৰে নজৰ ৰাখিব লাগে। সেই কাৰণে, হোমিওপেথিক আৰু আয়োৰেদিক চিকিৎসাৰ প্ৰতিও চৰকাৰে চকু দিব লাগে। কাৰণ আমাৰ ৰাজ্যৰ বহুতো দুখীয়া মানুহে ডাক্টৰী চিকিৎসা কৰিব নোৱাৰে আৰু গাৱৰ মানুহে এতিয়াও ভূত-প্ৰেত আদিক বিশ্বাস কৰি ডাক্টৰী চিকিৎসাৰ প্ৰতি অবহেলা কৰে। গতিকে এই কু-সংস্কাৰবোৰ দূৰ কৰিবৰ কাৰণেই গাৱত

দুখীয়া ৰাইজৰ কাৰণে হোমিওপেথিক অথবা আয়োৰেদিক চিকিৎসালয় পতাৰ প্ৰতি মনোযোগ দিব লাগে। কিন্তু আমি যি দেখিছো এইবাৰ হোমিওপেথিক, আয়োৰেদিক চিকিৎসালয় আৰু শিক্ষাৰ বাবদ বাজেটত আৰ্থিক সাহাৰ্য্যৰ কথা কোনো উল্লেখ নাই। এইটো বৰ পৰিতাপৰ কথা। যোৱা বাৰো বাজেটত এই বিষয়ে কোৱা হৈছিল। গতিকে, উপাধ্যক্ষ মহোদয়, শিক্ষাৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ হলে সকলো ক্ষেত্ৰতে শিক্ষা সম্প্ৰসাৰণ কৰি চৰকাৰে সকলো কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগে।

আমাৰ দ্বিতীয় কথা হৈছে শিক্ষাৰ বিষয় বস্তু। মই ১৫ বছৰ কাল শিক্ষক হিচাবে আছিলো আৰু সেই কাৰণেই মই জানো যে আমাৰ শিক্ষাৰ বিষয় বস্তুৰ ভিতৰত বহু আসোৱাহ আছে। শিক্ষাৰ বিষয় বস্তুৰ লগত আমাৰ ল'ৰা-ছোৱালীয়ে বিজ্ঞান সন্মত চিন্তাৰ বিকাশ সাধনত বাধা পাই আহিছে। গতিকে শিক্ষা বিভাগে ভাবি চিন্তিহে শিক্ষাৰ বিষয় বস্তু ঠিক কৰা দৰকাৰ। শিক্ষাৰ বিষয় বস্তুৰ ভিতৰত যাতে কু-সংস্কাৰে ঠাই পাব নোৱাৰে তাৰ প্ৰতি চকু দিব লাগে। তৃতীয় কথা হৈছে শিক্ষাৰ প্ৰশাসনীয় তথা পৰিচালনা কৰাৰ ব্যৱস্থা। উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত প্ৰশাসনীয় ব্যৱস্থা অত্যন্ত জৰুৰী। কাৰণ জন সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে শিক্ষা ব্যৱস্থাৰ যি আমোলাতান্তিক মানসিকতা সৃষ্টি হৈছে সেই মানসিকতাই শিক্ষা ব্যৱস্থাত অপৰিবেশৰ সৃষ্টি কৰিছে। আজি কালি শিক্ষকে চাকৰি কৰে, শিক্ষকতা নকৰে আৰু ল'ৰা-ছোৱালীয়েও শিক্ষাৰ কাৰণে পঢ়িবলৈ নেযায়, মাত্ৰ ডিগ্ৰী লবৰ কাৰণেহে কলেজলৈ যায়। ছাত্ৰই ভাবে চাৰ্টিফিকেট এখন লব পাৰিলেই চাকৰিৰ সুবিধা কৰিব পাৰি। গতিকেই শিক্ষক, ছাত্ৰ আৰু গাৰ্জেনৰ এই মনো-

ভাবৰ যেতিয়ালৈকে পৰিবৰ্ত্তন আনিব নোৱাৰে তেতিয়ালৈকে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব নোৱাৰিব। তাৰোপৰি দেখা যায় একোজন শিক্ষাবিদক সাধাৰণ কৰ্ম্মচাৰী, অফিচৰ কেৰাণী একোজনে পৰিচালনা কৰি আছে। গতিকে আমোলাতান্ত্ৰিক শিক্ষা ব্যৱস্থা দূৰ কৰা দৰকাৰ। শিক্ষা ব্যৱস্থা গঢ়ি উঠিছে ৰাইজৰ হাতত গতিকে স্বায়ত্ব শাসিত ব্যৱস্থা সংৰক্ষন কৰিব লাগে। যিটো অ'টনমাচ কেৰেক্টাৰ আছে, শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত তাক দূৰ কৰিবই লাগিব তাৰ ঠাইত গণতান্ত্ৰিক ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব লাগিব। It should be democratic rather than bureaucratic আজি কালি প্ৰাথমিক বা মাধ্যমিক স্কুল, কলেজৰ যি বিলাক মেনেজিং কমিটি আছে, সেই কমিটিৰ হাতত কোনো ক্ষমতা চৰকাৰে দিয়া নাই। ইয়াৰ কাৰণে দায়ী হৈছে দলীয় ৰাজনীতি। গতিকে এই আইন সংশোধন কৰিব লাগে। আৰু এটা কথা হৈছে হাইস্কুলৰ শিক্ষকক মেনেজিং কমিটিয়ে নিযুক্তি দিয়াৰ কোনো অধিকাৰ চৰকাৰে দিয়া নাই। আগতে মেনেজিং কমিটিৰ হাতত যি চিকিয়ৰিটি ৰুল আছিল আৰু সেই মতে কমিটিয়ে শিক্ষকক নিয়োগ কৰিছিল। গতিকে মই চৰকাৰক অনুৰোধ কৰো যাতে মেনেজিং কমিটিক আগৰ সেই ক্ষমতা ঘুৰাই দিয়ে।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ আৰু লগতে আশা কৰিছোঁ যে চৰকাৰে এই শিক্ষক সকলৰ ষ্টেটটুৰীকুল বনোৱাৰ কাৰ্য্যকৰী পদক্ষেপ অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিব। মই শেষ কৰাৰ আগত এইখিনিতে এটা কথা কব খুজিছোঁ যে আমাৰ শিক্ষা ব্যৱস্থাটো সকলো দিশৰ পৰা মিলাই যিবোৰ ত্ৰুটি আদি দেখা দিছে এই ত্ৰুটি বোৰ দূৰ কৰিবৰ কাৰণে অকল প্ৰশাসনীয় স্তৰতে নহয় সামা-

জিক স্তৰতে শিক্ষক, ছাত্ৰ, ৰাইজ আৰু চৰকাৰৰ দায়িত্বত থকা আমোলা সকল সকলোৰে সেৱালৈ সকলোৰে সামগ্ৰীক ভাবে শিক্ষাৰ প্ৰতি আমাৰ দৃষ্টিভঙ্গী সলনি কৰিবলৈ সামাজিক অভিযান চলোৱাৰ দৰকাৰ। সেইটো কৰিব নোৱাৰিলে শীঘ্ৰেই শিক্ষা ব্যৱস্থাৰ আৰু গভীৰ সংকটৰ সম্মুখীন হব। তাকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীইব্ৰাহিম আলি :— উপাধ্যক্ষ মহোদয়, সদনত উত্থাপন কৰা ১৯৭৯-৮০ চনৰ বাজেটৰ তালিকাত শিক্ষাৰ শিতানত ৭০ কোটি ৭৫ লাখ ৭৭ হাজাৰ ৩ শ টকাৰ দাবী কৰিছে। শিক্ষাৰ দৰে এটা গুৰুত্ব-পূৰ্ণ বিভাগত এই টকাৰ যে পৰিমাণ কম হৈছে সেইটো ঠিক। তথাপি আমি কৰ্ত্তন প্ৰস্তাৱ এই কাৰণে উত্থাপন কৰিছো, আমাৰ সমস্যাৰ তুলনাত ধন কম হলেও এই ধনৰ ব্যয় আৰু এই ধনৰ পৰা সমাজে আশা কৰা সফল আৰু সমাজে যি ত্যাগ স্বীকাৰ কৰি যি ধন দিয়ে আৰু তাৰ দ্বাৰা সমাজৰ ওপৰত যি প্ৰভাৱ পৰে সেই প্ৰভাৱ প্ৰতিকূল। সেই কাৰণেই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। উপাধ্যক্ষ মহোদয়, শিক্ষা এটা বহুমুখী পদ্ধতি। যি পদ্ধতিত বৌদ্ধিক, সামাজিক আৰু অৰ্থনৈতিক জাতীয় জীৱনৰ দিশত যথেষ্ঠ প্ৰভাৱ পেলাব লাগে বা পেলোৱাৰ প্ৰয়োজন। কিন্তু আমাৰ ৰাজ্যৰ শিক্ষা পদ্ধতিয়ে শিক্ষা ব্যৱস্থাই জাতীয় জীৱ-নৰ এই চাৰিটা দিশত তেনেকৈ প্ৰভাৱ পেলাব পৰা নাই। সেই কাৰণেই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি আমি নতুন যুক্তি দেখা পাইছো। মাননীয় সদস্য শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ ডাঙৰীয়াই নিজে জনতা পাৰ্টিৰ সদস্য হৈও চৰকাৰৰ ওচৰত কেইটামান গুৰুত্বপূৰ্ণ অভিযোগ তুলিছে। সেই অভিযোগ হৈছে গাওঁমুখী শিক্ষা আঁচনিত একো কাম কৰিব পৰা

নাই, শিক্ষা বিভাগত বিসঙ্গতি ঘটিছে, তাক শৃঙ্খলিত কৰিব পৰা নাই। তেওঁ কৈছে যে শিক্ষা মন্ত্ৰীয়ে ৬ হাজাৰ শিক্ষকৰ পদ খালী হব বুলি কৈছিল কিন্তু আজিলৈকে খালী পদ দেখা পোৱা নাই। ১৯৭৫ চনত পাছ কৰা লৰা-ছোৱালীয়ে শিক্ষকৰ চাকৰী পোৱা নাই কিন্তু ১৯৭৭-৭৮ চনত পাছ কৰা লৰা-ছোৱালীয়ে পিচ দুৱাৰেদি চাকৰী পাইছে। আৰু এটা কথা হৈছে হিন্দী শিক্ষকৰ ক্ষেত্ৰত চৰকাৰৰ যিটো শিত্তান সেইটো অকল দূৰ্নীতি-পূৰ্ণ নহয় অক্ষমো। চৰকাৰী পক্ষৰ মাননীয় সদস্য শ্ৰীভূৱনেশ্বৰ বৰ্ম্মনে অভিযোগ তুলিছে, তেনে ক্ষেত্ৰত বিৰোধী পক্ষত বহি যুক্তিৰ অভাৱ দেখা নাই যাৰ কাৰণে কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিব নোৱাৰি। শিক্ষা বিষয়ৰ কথা কবলৈ গলেই ২১ হাজাৰ ৯ শ ৯৫ খন গাওঁৰ কথা মনত পৰে। পূৰ্ব্বৰ বিধান সভাৰ কাৰ্য্য বিৱৰণী পঢ়ি দেখিছো। আজি যি সকল সন্মানীয় ব্যক্তি মন্ত্ৰীত্বৰ গাদীত আছে তেখেত সকলেই বিৰোধী পক্ষত থাকি দাবী কৰিছিল "প্ৰতিখন বিদ্যালয়হীন গাওঁতে বিদ্যালয় স্থাপন হব লাগে।" আমি মাত্ৰ সেই দাবী সোঁৱৰাই দিছো। ডেৰ বছৰ গল বিদ্যালয়হীন গাওঁতে কিমানখন প্ৰাথমিক বিদ্যালয় গঢ়ি উঠিল তাৰ হিচাব পাম বুলি আশা ৰাখিছো। বাজেটত এই বিষয়ে তাৰ কোনো উমান নাই। উপাধ্যক্ষ মহোদয়, ১৯৭৫-৭৬ চনত প্ৰাথমিক বিদ্যালয় বিলাক চৰকাৰী কৰণ কৰা হয়। এই চৰকাৰী কৰণত দেখিবলৈ পাওঁ শিক্ষক সকলেই বেছি জোৰ দিছিল আৰু আজিৰ সন্মানিত মন্ত্ৰী মহোদয় সকলেই বিৰোধী পক্ষত থাকি এই দাবী কৰিছিল। প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত এইটো এটা নিয়োগৰ ক্ষেত্ৰ বুলিও ধৰা হয়। চৰকাৰী কৰ্ম্মচাৰী হিচাপে চৰকাৰী কৰণ কৰাৰ পিচত শিক্ষকসকলে যিখিনি প্ৰাপ্য আংশিক ভাৱে

হলেও পাইছে। দ্বিতীয় পৰ্য্যায় আছিল স্কুল ঘৰ নিৰ্ম্মাণ। যোৱা ডেৰ বছৰে এই ধৰণৰ কোনো কাম নোহোৱাৰ কাৰণেই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো আৰু তাক সদনৰ বিৰোধী গোটেও সমৰ্থন কৰি আছে। উপাধ্যক্ষ মহোদয়, প্ৰাথমিক শিক্ষা বাধ্যতা-মূলক। ১'৫ কিলোমিটাৰ দূৰত এখোন প্ৰাথমিক বিদ্যালয় হব লাগে। আৰু বাধ্যতামূলক হলে প্ৰতি গাওঁৰ লৰা-ছোৱালী স্কুললৈ গল নে নাই বা যাব পাৰিছে নে নাই সেইটো চোৱা দায়িত্ব চৰ-কাৰৰ। কিন্তু সেই বিষয়ে কোনো পদক্ষেপ বাজেটত আমি দেখি-বলৈ পোৱা নাই। এই উদ্দেশ্যে বিধান সভাত প্ৰাথমিক স্কুলৰ শিক্ষাৰ্থী সকলক বিশেষকৈ গাওঁ অঞ্চলত দুপৰীয়াৰ আহাৰ পাতি দিয়াৰ সুন্দৰ পৰামৰ্শ তিনি চাৰি বছৰ আগতে যি সকলে দিছিল তেওঁলোকে আজি ৰাজপাটত বহিছে আমি মাত্ৰ কথাটো সোৱঁ-ৰাইহে দিছো। উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত কিছুমান প্ৰাক্-প্ৰাথমিক বিদ্যালয় আছে। এই বিলাক অকল চহৰতেই গঢ়ি উঠিছে বুলি কলেও অশোভনীয় হব। গাওঁ অঞ্চলত প্ৰাক্ প্ৰাথমিক বিদ্যালয় স্থাপনৰ বাবে মই ব্যক্তিগত ভাৱেও চেষ্টা কৰি চাইছো কিন্তু সম্ভৱপৰ নহয়। এই প্ৰাক্-প্ৰাথমিক বিদ্যালয়, কিণ্ডাৰ-গাৰডেন বা মণ্টেচৰী আঁচনি অকল চহৰ অঞ্চলতে স্তূপীকৃত হৈ আছে। মোৰ প্ৰশ্ন হৈছে মাননীয় সদস্য বৰ্ম্মন ডাঙৰীয়াই চৰ-কাৰী পক্ষৰ পৰাই গাওঁমুখী শিক্ষা আঁচনিৰ কথা কৈছে। কিন্তু যোৱা ডেৰ বছৰত কেইখন মণ্টেচৰী স্কুল গাওঁ অঞ্চলত পতা হৈছে তাৰ হিচাপ দিবনে ?

উপাধ্যক্ষ মহোদয়, আৰু এটা দিশ হ'ল এজনীয়া শিক্ষক থকা গ্ৰাম্য প্ৰাথমিক বিদ্যালয়। আমাৰ অসমত ৪ হাজাৰ ৩৭ খন স্কুলত এজনীয়া শিক্ষক আছে। এই এজনীয়া শিক্ষক থকা স্কুল

বিলাকত কমেও ৪০ ৰ পৰা ৬০-৭০ জনকৈ লৰা ছোৱালী আছে। লৰা ছোৱালীবিলাকে এই প্ৰাথমিক স্কুল বিলাকৰ পৰা কি শিক্ষা লাভ কৰি আছে, কি মানদণ্ড লৈ আছে, শিক্ষকৰ পৰা যিখিনি পাবলগীয়া তাৰ কিমান অংশ পায়? এই কথাবিলাক ভাবিলে দুখ লাগে। যিসকল চৰকাৰী পক্ষত বহিছে তেওঁলোকে যোৱা ৩০ বছৰে যিবিলাক কথা কৈ গৈছিল যোৱা ডেৰ বছৰত কিবা কৰিব পাৰিলেনে? একো কৰিব পৰা নাই। এইবিলাক কাৰণতে আমি ক্ষোভেৰে কৰ্ত্তন প্ৰস্তাৱ আনিছো।

উপাধ্যক্ষ মহোদয়, বেচিকৰ প্ৰশিক্ষণৰ এটা শিতান ধৰা হৈছে। এই শিতানত ৬২ লাখ টকাও ধৰা হৈছে। বেচিকৰ প্ৰশিক্ষণৰ কাম জানুৱাৰী মাহৰ পৰা আৰম্ভ হব লাগে। কিন্তু আজি এই তিনি মাহেও আৰম্ভ হোৱা নাই। অথচ শিক্ষক সকলক কাম নোহোৱাকৈ দৰমহা দি থকা হৈছে। স্কুলবিলাক প্ৰাদেশীকৰণ কৰাৰ সময়ত আমাৰ কিছুমান কৰ্মচাৰীৰ সুবিধা হ'ল যদিও কিছুমানৰ অসুবিধা হল, পেন্সন, নাইবা বিভিন্ন অসুবিধাৰ কাৰণে শিক্ষক সকলৰ এডজাষ্টমেণ্টৰ সমস্যা থাকি গ'ল। এই সমস্যা বিলাক শিক্ষক সকলে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে। এই দাবীৰ আলমতে আমাৰ চৰকাৰে বহুত বিলাক প্ৰতিশ্ৰুতিও দিছে। এটা প্ৰতিশ্ৰুতি দিছিল যোৱা ২১ নবেম্বৰত শিক্ষকসকলৰ পেন্সন, গ্ৰেচুইটি, দৰমহাৰ বিষয় ঘোষণা দিব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। কিন্তু আজিলৈকে এই বিষয়ে একো নহল তাৰ কাৰণে শিক্ষক সকলে ধৰ্না চলাই আছে। এই বাজেটত সম্পৰ্কত কিবা শিতান থকাহেতেন আমি ভাল পালোহেতেন। আৰু এটা কথা হৈছে চাহ বাগিছা অঞ্চল আৰু চৰ অঞ্চলত বিশেষ কাৰ্য্যসূচী লব বুলি চৰকাৰে সুমধুৰ ঘোষণা কৰিছিল।

এই সুমধুৰ ঘোষণাৰ পৰিপ্ৰেক্ষিতত চাহ বাগিছা আৰু চৰ অঞ্চলত বিস্তৃত আঁচনি লোৱা হৈছে নে নাই। আমি জনাত নাই লোৱা। চাহ বাগিছা সমূহত প্ৰাথমিক বিদ্যালয় সমূহ সম্পূৰ্ণ চৰকাৰীকৰণ হোৱাটো বাঞ্ছনীয়। এই পৰামৰ্শ যোৱা ৮-১০ বছৰে দি অহা হৈছে। চৰকাৰী পক্ষই এই ডেৰ বছৰত কোনো পদক্ষেপেই লোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই দ্বৈত পদ্ধতিৰ কথা কব খুজিছো। যিবিলাক গাওঁত প্ৰাথমিক বিদ্যালয় নাই, যিবিলাক গাওঁত এজন শিক্ষকে বহুত বিলাক লৰা ছোৱালীক পঢ়াই আছে, যিবিলাক গাওঁত ৰাইজে বিদ্যালয় পাতি ৮-১০ বছৰ চলাই আছে, সেই বিলাক গাওঁৰ কথা চিন্তা নকৰি আমি যদি মণ্টেচৰী, স্কুলৰ কথা চিন্তা কৰো, পাব্লিক স্কুলৰ কথা চিন্তা কৰো আৰু আধুনিক ধৰণৰ সা-সাজুলি যোগান ধৰিব লাগে বুলি কওঁ; আমাৰ এই প্ৰভেদৰ কাৰণ কি? একেখন দেশৰে, একেখন প্ৰদেশৰে, একে মাটিৰ গৰ্ভজাত সন্তান হৈ কোনোবাই ধনীৰ ঘৰত জন্ম লৈ পাব্লিক স্কুল, মণ্টেচৰী স্কুলত পঢ়িবলৈও পাব আৰু কোনোবাই দুখীয়া ঘৰত জন্ম লোৱাৰ কাৰণেই ভঙা এল, পি, স্কুলত পঢ়িবলৈও ন্যুনতম সুবিধা নাপাব এই কথা কেনেকৈ সম্ভৱ হব পাৰে। আজি চৰকাৰে সমাজবাদৰ পথেৰে আগবাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি দিছে। এই প্ৰতিশ্ৰুতি প্ৰাথমিক বিদ্যালয়ৰ এই দ্বৈত ব্যৱস্থা যদি উঠাই দিয়া নহয় নাইবা তলৰ স্কুল বিলাক উন্নত কৰি ওপৰ পৰ্য্যায়লৈ নিয়া নহয় তেতিয়াহলে ইয়াত সমাজবাদ হব নোৱাৰে।

হাইস্কুল বিলাক প্ৰাদেশীকৰণ কৰা হ'ল। কিন্তু বহুতৰে চাকৰি এডজাষ্টমেণ্ট নোহোৱাকৈ থাকিল। প্ৰাদেশীকৰণ

কৰাৰ কাৰণে আগৰ চৰকাৰক জগৰীয়া বুলি কৈছে। মই সাধাৰণ শিক্ষক হিচাবে কওঁ যে এইটো শিক্ষক সকলৰ স্বাৰ্থৰ কাৰণেই কৰা হৈছিল। আজিলৈকে শিক্ষক সকলৰ চাকৰী এডজাষ্টমেণ্টৰ ক্ষেত্ৰত কোনো পদক্ষেপ লোৱা নাই। বাকীছোৱা কাম জনতা চৰকাৰে পূৰ্ণ কৰিলে 'প্ৰাদেশীকৰণ' শিক্ষকৰ মঙ্গলজনক ব্যৱস্থা।

উপাধ্যক্ষ মহোদয়, গ্ৰাণ্টৰ সম্পৰ্কত মোৰ দুটামান কথা কবলগীয়া আছে। শিক্ষা ব্যৱস্থাত মাধ্যমিক পৰ্য্যায়ত বিল্ডিং আৰু অন্যান্য সাংগঠিক উদ্দেশ্যে দিয়া গ্ৰাণ্টৰ ক্ষেত্ৰত বহুতো গুৰুত্বপূৰ্ণ অন্যায় কৰা বুলি অভিযোগ আছে। গ্ৰাণ্ট দিয়াৰ ক্ষেত্ৰত পক্ষপাতিত্ব কৰা হয়। আৰু বহুত বিলাক ক্ষেত্ৰত দেখা যায় যে অনুষ্ঠানক যিবিলাক গ্ৰাণ্ট দিয়া হয় সেইবিলাক অনুষ্ঠানলৈ গৈ নাপাওঁতেই চৰকাৰী কাৰ্য্যালয়তেই টকা অন্তৰ্ধান হয়।

শিক্ষা বিভাগৰ দায়িত্বশীল চেক্ৰেটাৰীৰ ৰিপৰ্টৰ ভিত্তিত ১৯৭৫ চনতেই চাৰিআলি হায়াৰ চেকেণ্ডাৰী আৰু মালটি পাৰপাচ স্কুলত টকা দিয়া হ'ল। টকা লোকেল অফিচৰ পৰা ডিচবাৰ্চমেণ্ট নহল। এইটো কাৰ দিনত হৈছে, কাৰ বিৰুদ্ধে সেইটো কথা নহয়। এইটো হৈছে অসমবাসীৰ বিৰুদ্ধে। কৰ্মচাৰী যিয়েই হওক চৰকাৰৰ গাদীত যিয়েই নাথাকক সেইটো কথা নহয়। কৰ্মচাৰী সকলে নিজৰ দায়িত্ব পালন কৰিবই লাগিব। এই কৰ্মচাৰী সকল আমাৰেই ভাই ককাই। আমাৰ ভাই ককাইৰ কাৰণেই তেওঁলোকে কাম কৰিছে। অফিচৰ টেবুলত বহিলেই যে আন ধৰণে কাম কৰিব লাগিব তেনে ভবাটো উচিত নহয়। শিক্ষা বিভাগ দুৰ্নীতিপূৰ্ণ যদি নহয় তেন্তে মাননীয় সদস্য শ্ৰীবৰ্মন ডাঙৰীয়াই যি অভিযোগ তুলিছে সেইবোৰ টেপৰ পৰা তুলি দিব লাগিব। দুৰ্নীতি-

পৰায়ণ ব্যৱস্থাই বহুল ভাবে চলি আছে বুলি ধৰি লব লাগিব। মই কব বিচাৰিছো যদি ব্যৱস্থাৰ পৰিৱৰ্ত্তন কৰিব নোৱাৰে অগ্ৰগতি ক্ষীপ্ৰ কৰিব নোৱাৰে অফিচৰ সংশোধণ কৰিব নোৱাৰে তেতিয়াহলে দয়া কৰি আপোনালোক এই ফালে আহক। বিৰোধী পক্ষই চৰকাৰৰ দায়ীত্ব লবলৈ সাজু।

( সদনত হাঁহিৰ ৰোল )

উপাধ্যক্ষ মহোদয়, মই পাঠ্যপুথি সম্পৰ্কত কব বিচাৰিছো। মই বিশ্বাস কৰো এইখন মহাত্মাগান্ধী, বিবেকানন্দৰ দেশ। অস্ত্ৰেৰে শাসন নকৰি শান্তিৰে শাসন কৰিব বিচৰাৰ দৰেই শান্তিপূৰ্ণ ভাবেই কোনোবা ক্ষমতালৈ আহিব বিচাৰিলে পদত্যাগ কৰিব।

( সদনত হাঁহি )

স্কুল বিলাকত কিতাপ পত্ৰ যোগানৰ কাৰণে বুক বেংকৰ ব্যৱস্থা কৰা হৈছিল। এই সম্পৰ্কত পৰীক্ষামূলক ভাবে কিছু কাম আৰম্ভ কৰা হৈছিল। এই শিতানৰ যথেষ্ঠ পৰিমাণে প্ৰসাৰ হব বুলি বিশ্বাস ৰাখিছিলো। কিন্তু বাজেটত এই সম্পৰ্কত কোনো শিতান নথকাত আমি দুখ পাইছো।

শিক্ষাৰ ক্ষেত্ৰত কৰ্ম অভিজ্ঞতাৰ আঁচনি লোৱা হৈছিল। এই আঁচনিৰ দ্বাৰা কৰ্মবিমুখিতা দূৰ কৰিবলৈ লক্ষ্য ৰখা উচিত। এই সমস্যা সমাধানৰ কাৰণে কোঠাৰী কমিচন আৰু বিভিন্ন কমিচনে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল। আমাৰ বিদ্যালয় বিলাকত কৰ্মমুখী বিদ্যাৰ ব্যৱস্থা কৰিবলৈ। আৰু প্ৰাথমিক পৰ্য্যায়ত ইয়াৰ সুফলো আমি নোপোৱা নহয়। কিন্তু আমি কৰ্মঅভিজ্ঞতাৰ ক্ষেত্ৰত

দেখিবলৈ পাইছো যে প্ৰকৃত অভিজ্ঞতাৰ ওপৰত জোৰ নিদি কাগজ কলমৰ ওপৰত জোৰ দিয়া হৈছে। তেনেধৰণৰ ব্যৱস্থাৰ পৰিবৰ্তন আনি কৰ্ম অভিজ্ঞতাৰ ক্ষেত্ৰত কিছুমান ব্যৱস্থা বাজেটৰ শিতানত থাকিব বুলি আমি সাধাৰণতে আশা কৰিছিলো। কিন্তু এইটো নেদেখি হতাশ হৈছো।

শিক্ষাৰ ক্ষেত্ৰত কাৰিকৰী শিক্ষা ব্যৱস্থা আমাৰ ৰাজ্যত তেনেই পিচপৰা। আমি কিবা এটা উদ্যোগ আৰম্ভ কৰিব খুজিলে আমাৰ মানুহৰ অৰ্হতাৰ অভাৱৰ কাৰণে আমি আনৰ পৰা মানুহ ধাৰ কৰি আনিব লগা হয়। উদ্যোগ গঢ়িবৰ কাৰণে তাৰ আগতেই কাৰিকৰী মানুহ গঢ়াৰ ব্যৱস্থা কৰা নাই। কাৰিকৰী শিতানত যি ধন ধৰা হৈছে সেইখিনি তেনেই নগন্য।

ইয়াৰ ফলত প্ৰদেশখনত শিল্প প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আত্ম চেতনালৈ শিল্পবোৰ জীয়াই ৰখাৰ মনোবৃত্তি গঢ়ি তুলিব পৰা নাই। এই কাৰিকৰী শিতানত যি ধন ব্যৱহাৰ কৰা দেখুৱা হৈছে তাৰ একাংশ অপচয় হৈছে। আমাৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক হাইস্কুল বিলাকত বিজ্ঞান শিক্ষা দিয়াৰ কোনো সুব্যৱস্থা নাই। কাৰিকৰী শিক্ষাৰ দুই এখন কিতাপ উলিয়াইছে তাকে পঢ়ি আমাৰ লৰা-ছোৱালীয়ে মেডিকেল কলেজ, ইনজিনিয়াৰিং কলেজত নাম ভৰ্ত্তি কৰেগৈ। ফলত তেওঁলোক কৃতকাৰ্য্য হব পৰা নাই। কাৰণ স্কুলত দুই এটা লেচন পঢ়ি লেবটৰী, কোনো শিক্ষা নোলোৱাকৈ কাৰিকৰী শিক্ষাত কেনেকৈ আগবাঢ়ি যাব। কাৰিকৰী শিক্ষাৰ নামত ধন যদিও ধাৰ্য্য কৰা হৈছে কিন্তু সেইধন ভাল ধৰণে ব্যয় কৰা হোৱা নাই। এই ধন বিতৰণৰ যাতে কোনো ধৰণৰ ৰাজনৈতিক দলীয় কেৰোন নোসোমায় তাৰ কাৰণে লক্ষ্য ৰাখিব লাগে। উপাধ্যক্ষ মহোদয়, ইনজিনিয়াৰিং আৰু এগ্ৰি-

কালচাৰ কলেজ বিলাকত এইবাৰ ভৰ্ত্তিৰ ক্ষেত্ৰত জিলা ভিত্তিত কোটা কৰি দিয়া হৈছিল অৱশ্যে এটি দিশত ভালেই হৈছে যে প্ৰতিখন জিলাৰ লৰাই যাতে কাৰিকৰী শিক্ষাৰ পৰা বঞ্চিত নহয়। কিন্তু কামৰূপ জিলাৰ পৰা বেচি ভাগ বুদ্ধি মত্তা ছাত্ৰ ওলায়। ফলত জিলা ভিত্তিত কৰা কাৰণে এই মত্তা থকা অধিক সংখ্যক ছাত্ৰই সমভাবে ভৰ্ত্তি সুবিধা লব পৰা নাই। মাননীয় সদস্য অজয় দত্তই এই বিষয়ে কৈ গৈছে। মেধাবী ছাত্ৰসকলে ছিট পোৱাৰ পৰা বঞ্চিত পাব লগীয়া হয়। এই বিষয়ে চিন্তা কৰিব লগীয়া হৈছে। সদৌ শেষত মই তিনিটামান কথা কৈ শেষ কৰিব খুজিছো। অসমৰ চৰ অঞ্চলত ৩৮ লাখতকৈ বেচি মানুহ আছে। তেওঁলোকৰ মনৰ বেদনা, তেওঁলোকৰ জীৱন ধাৰা যদি চিন্তা কৰা যায় সাংস্কৃতিক অৱদানৰ কথা চিন্তা কৰা হয় এই মানুহখিনিৰ কাৰণে আছুতিয়াকৈ নহলেও বৃহত্তৰ জাতিটোৰ লগতে মিলি যোৱাকৈ তেওঁলোকক সাংস্কৃতিক সা-সুবিধাৰ ব্যৱস্থা ৰাখিব লাগিছিল। তেওঁ-লোকৰ অসমীয়া জাতীয় জীৱনলৈ সংস্কৃতিক ক্ষেত্ৰত অৱিহনা কম নহয়। ইয়াক উদ্দীপ্ত কৰিবলৈ কিছু ব্যৱস্থা থাকিব লাগিছিল সেইটো নাই। শিক্ষাৰ ক্ষেত্ৰত ৭৫ কোটিতকৈ বেচি টকা ধৰা হৈছে। গাওঁত বাস কৰা লোক শতকৰা ৯২। ৮০% মানুহ কৃষিজীৱি। এই দুৰ্ভগীয়া লোক সমূহৰ কাৰণে শিক্ষা বিভাগৰ অৱহেলা অক্ষমনীয়। যি পৰিমাণে ব্যৱস্থা গাওঁবাসীৰ বাবে থাকিব লাগিছিল সিমান পৰিমাণে নাই। স্কুলীয়া লৰা-ছোৱালীক সাজ-পাৰ দিব লাগিছিল সেইবোৰ মুঠেই পোৱা নাই। বুক-বেংক ইত্যাদি সুবিধা দিব লাগিছিল সেই বিষয়ে বাজেটত কোনো উল্লে-খেই নাই। কৰ্ত্তন প্ৰস্তাৱ আমি উত্থাপন কৰিছো; বাধা দিলেও পাচ কৰি নিয়া বুলিও আমি জানো। তথাপিতো চৰকাৰৰ যাতে

হুচ আহে সেই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিলো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্রীনিশীথ রঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, শিক্ষা খাতে ব্যয় বরাদের উপর আমি যখন কর্ত্তন প্রস্তাব উথাপন করতে যাচ্ছি তখন আমার রাজ্যের প্রাথমিক স্কুলৰ শিক্ষক নেতারা বিধান সভার বাইরে তাদের নায্য দাবীর ভিত্তিতে ধর্ণা দিচ্ছেন আমি শিক্ষা মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করে বলতে চাই প্রাথমিক শিক্ষকদের দাবী মৌখিক ভাবে নয় আন্তরিকভাবে মেনে নিয়ে কার্য্যকরী ব্যবস্থা আজই গ্রহণ করুন যাতে শিক্ষকরা ধর্ণা প্রত্যাহার করেন।

(ভয়েস্ : মন্ত্রী সদনে নেই।)

শ্রীবীৰেন চৌধুৰী :— আমি মাননীয় সদস্য সকলে কোনো বিভাগৰ ওপৰত আলোচনা কৰি থাকিলে মাননীয় মন্ত্রী গৰাকী উপস্থিত থকাটো উচিত। কিন্তু বেচি ভাগ ক্ষেত্রতে দেখা যায় চিত বিলাক শূণ্য হৈ থাকে।

Mr. Deputy Speaker :— I like to inform the Hon'ble Members that the Hon'ble Minister has gone for a white and he would be comeing in no time.

শ্রীনিশীথ রঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, আমাদের বর্ত্তমান শিক্ষানীতি কংগ্রেস উত্তরাধিকার সূত্রে ইংরাজের কাছ থেকে পেয়েছিল এবং সেই নীতিই আজ জনতা লেবেলে চলছে যার মূল কথা হল ব্যাপক জনগণকে শিক্ষার আলো থেকে বঞ্চিত করে রাখা। এ-এক জঘন্য অপরাধ। আমাদের রাজ্যের জনসংখ্যা হল ১ কোটি

৪৬ লক্ষ ২৫ হাজার ১৫২ জন। শিক্ষিত পুরুষের সংখ্যা শতকরা ৩৬'৭ ভাগ এবং নিরক্ষরের সংখ্যা হলো শতকরা ৩৬'৩ ভাগ। শিক্ষিত মহিলার সংখ্যা ১৮'৬ ভাগ এবং নিরক্ষরের সংখ্যা হলো শতকরা ৮১'৪ ভাগ। সমস্ত সমতল অঞ্চলে শিক্ষিতের সংখ্যা শতকরা ২৮'৪ এবং নিরক্ষরের সংখ্যা হলো শতকরা ৭১'৬। পার্বত্য অঞ্চলে শিক্ষিতের সংখ্যা শতকরা ২০'৫ ভাগ এবং নিরক্ষরের সংখ্যা শতকরা ৭৯'৫ ভাগ। সমভূমিতে ১৩৮২ টি গ্রামে কোন প্রাথমিক স্কুল পর্য্যন্ত নেই এবং পাহাড় অঞ্চলে ৭৩৩ টি গ্রামেও কোন স্কুল নেই। অপরদিকে দেশে আড়াই লক্ষ শিক্ষিত বেকার সরকার যদি নিষ্ঠার সঙ্গে শিক্ষা বিস্তার আর বেকার সমস্যা সমাধানের কথা ভাবতেন তাহলে ঐ আড়াই লক্ষ শিক্ষিত বেকারদের শিক্ষার কাজে নিয়োজিত করে দেশকে নিরক্ষরতার ভয়ঙ্কর অভিশাপ থেকে মুক্তি দিতে পারতেন। বেকারের হাহাকারে আজ আর আকাশ বাতাস বিষাক্ত হয়ে উঠত না। তাই আমি বলেছিলাম যে আমাদের দেশের বর্ত্তমান শিক্ষার মুল নীতি হল পিছু চল, মূল নীতি হল শিক্ষাকে সংকোচিত কর। তাই জনগণের বৃহত্তম অংশ এমনও নিরক্ষর ও তারই পক্ষে আড়াই লক্ষ শিক্ষিত যুবক বেকার অবস্থা রয়ে গেল। বাজেটের দিকে লক্ষ্য করলে দেখবেন শিক্ষার খাতে ব্যয় হচ্ছে ৭০ কোটি ৭০ লক্ষ ৭৯ হাজার ৩০০ টাকা। মাথাপিছু দৈনিক কমবেশী ১০ পয়সা খরচ হচ্ছে বিদ্যাসাগর বানানোর জন্য। এখন যদি নন প্লেন বাজেটের দিকে দৃষ্টিপাত করেন তাহলে দেখবেন প্রাথমিক শিক্ষা খাতে খরচ হচ্ছে ২৭ কোটি ৫ লক্ষ ৮৭ হাজার ২৮০ টা, মাধ্যমিক শিক্ষাখাতে ২৩ কোটী ১৬ লক্ষ ৭৮ হাজার এবং বিশ্ববিদ্যালয় খাতে ৫ কোটি ৬৭ লক্ষ ১৩ হাজার ৭৮০ টাকা খরচ হচ্ছে। অর্থাৎ যত উপরের

দিকে যাবেন কমে যাচ্ছে টাকার পরিমান। তার মানে পাঠশালায় যারা পড়ছে তারা সব স্কুলে স্থান পাবে না, স্কুলে যারা পড়ছে তারা কলেজে যাবে না, কলেজে যারা তারা বিশ্ববিদ্যালয়ে যাবে না। অর্থের বরাদ্দ দেখলেই বুঝবেন প্রতিটি স্কুলে প্রয়োজনীয় শিক্ষকের অভাব হলে আর শিক্ষকের অভাব হলেই ফেইল এর সংখ্যা বাড়বে।

মহোদয়, আপনি যদি বিশ্ববিদ্যালয়ের যে কোন পরীক্ষার ফলাফলের দিকে তাকান তাহলে দেখবেন বৃহত্তম সংখ্যক ছাত্র ছাত্রী অনুত্তীর্নের তালিকা ভুক্ত হয়ে থাকে। প্রায় ৭০ শতাংশ ছাত্র ছাত্রীকে ফেইল করে রাখাই হচ্ছে বর্ত্তমান শিক্ষার মুল নীতি। শিক্ষা প্রতিষ্ঠান গুলির কাজ হচ্ছে এই নীতিতে বেশীর ভাগ ছাত্রকে অপদার্থের ছাপ লাগিয়ে বরবাদ বলে ঘোষণা করা। শিক্ষার মান উন্নয়নের কোন প্রচেষ্টা নেই গত ৩১ বছরে যুব-সমাজকে প্রকৃত মানুষের খতশাড়ে তোলার সৎচেষ্টা হয়নি। উল্টো-দিকে শিক্ষা গ্রহনের জন্য যে সব পুস্তক, খাতাকলমের প্রয়োজন তার দাম দিন দিন বাড়ছে যাতে গরীব অংশ পড়াশুনা করতে না পারে। পাঠশালা স্কুলে আমরা যে বই পড়েছি তার নাম ছিল এক পয়সী বই এবং তা এক পয়সা দামে কেনা যেত। কিন্তু আজ এক টাকায়ও পাওয়া যায় না। বছর বছর বই এর যে শুধু দামবাড়ে তা নয় নতুন নতুন বই পাঠ্য তালিকা ভুক্ত হয় আর ছাত্ররা যাতে পড়ার সুযোগ না পায় তার জন্য সারা বছরই বই গুলি বাজারে পাওয়া যায় না। উচ্চতর মাধ্যমিক স্কুলের বাংলা বই এখনও বাজারে বেরোয়নি ছাত্ররা দ্বাদশ শ্রেণীতে উঠে গিয়েছে।

সামনে পরীক্ষা শিক্ষামন্ত্রী পুস্তকেরজন্য কি ব্যবস্থা করেন

আমারা দেখতে চাই। সমাজ বিজ্ঞান ইংরাজী ইত্যাদি বইও নেই। অধ্যক্ষ মহোদয়, ছাত্রদের আর্থিক পীডন এবং পুস্তক বিনা অধ্যয়ন নীতি শুধু চলছে না। প্রাথমিক শিক্ষার জন্য একখানা বোর্ড, প্রতি মহকুমায় ঢাক ঢোল পিটিয়ে গঠন করা হয়েছে। সেই বোর্ড হয়েছে এক ক্ষমতাহীন অক্ষম বৃদ্ধ। করিমগঞ্জের সকল বোর্ডর সদস্যরা কোন এক এল পি র অসহায় শিক্ষিয়ত্রী শ্রীমতী শিবানী ভট্টাচার্য্যকে অপসারিত করে তার স্থলে কাহিলিপাড়ার নির্দ্দেশ হাইলাকান্দির এক শিক্ষয়িত্রীর নিয়োগ দেখে বোর্ড সর্ব্ব সম্মতি ক্রমে তার নিন্দা করে শিবানী ভট্টাচার্য্যকে তার যায়গায় নিয়োগ করার প্রস্তাব দেন আজ প্রায় তিনমাস হলো তা কার্য্যকরী হয় নি। ডি আই কে জিজ্ঞাসা করলে বলেন কাহিলিপাড়া থেকে অনুমতি আসেনি। কাহিলিপাড়া বলে আমাদের কিছু করোনিও নেই। এই অক্ষম বৃদ্ধ বোর্ডখানাকে বাতিল করে যত সত্বর পারেন হরিলুটের ব্যরস্থা করে দিলে ভাল হয়। আমাকে একজন পুলিশ অফিসার বলেছিলেন আপনারা শুধু আমাদেরকে দেখেন আমরা টাকা খাইতার পর চুপি চুপি বলেন যে শিক্ষা বিভাগ আজ সকলের উপর টেক্কা দিচ্ছে যে খবর রাখলে ভাল হয়।

মাননীয় শিক্ষামন্ত্রী ঘোষনা করে ছিলেন গ্রামে গ্রামে স্কুল হবে কিন্তু গত এক বছরে একজন প্রাথমিক শিক্ষক আমার জানা মতে নিয়োগ হয় নি, একটি প্রাথমিক স্কুলও নেওয়াহয়নি। নিশ্চয়ই শিক্ষামন্ত্রী এর কারণ জানাবেন। আমার যা জানা তা হচ্ছে শিক্ষা বিস্তার করা বন্ধ কর।

এল পি স্কুলের অবস্থা লোকে সাইনবোর্ড টাঙ্গায় পরিচয়ের জন্য। আমাদের এল পি স্কুল বিনা সাইনবোর্ডেই পরিচিত

গরু-ঘোড়ার ঘরের চাইতে নিকৃষ্ট পতন উন্মুখ মোহেঞ্জদড়ের ধ্বংসাবশের মত যে ঘরগলো সে গুলোই স্কুল, এখানেই নাকি সৃষ্টি হবে বিদ্যাসাগর! অবশ্য সব স্কুল ভাঙ্গাগুরু ঘর ময় কিছু ভাল স্কুলও আছে ভুবনেশ্বর বর্মন জনতার বিধায়ক যদিও বলেছেন যে তার সরকার গরীব দুঃখীর সরকার আর সেই গরীব দুঃখীর ছাত্র ছাত্রীর জন্য আছে ভাঙ্গাঘর পড়ার জন্য অন্য দিকে বড়লোকের জন্য আছে মন্টেসরী, কিণ্ডার গার্ডেন্স, পাবলিক স্কুল। এই ভাঙ্গা স্কুলের মেরামতির পয়সায় ককটেল হয়। অপরদিকে করিমগঞ্জের (মহকুমার) ২৮৬ নং শ্রীমন্ত কানিলাইল স্কুল, ৭৪ সাল থেকে মুখ থুবড়ে পড়ে আছে মাটিতে। স্কুল চালনার জন্য টাকার প্রয়োজন কেন্ত কনটিনজেন্সির কোন পয়সা নেই। ৭৭ সাল থেকে ৭৯ সাল পর্যন্ত কনটিনজেন্সির পয়সা করিমগঞ্জ মহকুমায় যায় নি। সরকারের একটা মাথাপিছু নীতি আছে যে তা হল ৩ টাকা করে কনটিনজেন্সি দেওয়া হবে তাতে করিমগঞ্জ মহকুমার পাওয়া হয় ৭২০০০ টাকা। লেটার নং ৫৬১৯ তাং ২২-২-৭৯ সর্বশেষ চিঠি দিয়েও এখনও পর্য্যন্ত সাড়া নেই। স্কুল বোর্ডের অফিসেও কিছু নেই। পয়সার অভাবে পাশ করার পর ছাত্ররা সার্টিফিকেট পায় না। ফর্ম নেই, হলি ডে লিষ্ট নেই। অফিসে কর্মচারী কম থাকায় শিক্ষকদের দিয়ে কাজ করানো হয়। আপত্তি দিয়ে বাদ দিলে পে বিল করার অভাবে শিক্ষকদের বেতন হয় না। পাঠশালা স্কুলের শিক্ষকরা কোন সময়ই নিয়মিত বেতন পান না আমাদের দেশের গাড়ীর মত পাঠশালার শিক্ষকদের বেতনও সদা সর্বদা লেট।

নিশ্চয়ই শিক্ষামন্ত্রী জানাবনে এই অবস্থা শিক্ষার অগ্রগতি

ঘটায় না পিছুটানে। শিক্ষকদের বেতন সময়মত পাওয়ার কার্য্যকরী ব্যবস্থা চাই, স্কুলের আনুসঙ্গিক সরঞ্জাম সহ মেরামতি সংক্রান্ত ঘোষনা চাই। পাঠশালা স্কুলের শিক্ষকদের আজ কি অবস্থা যারা পড়াবেন আজ তারা অনন্যোপায় হয়ে ধর্না দিচ্ছেন তাদের নতুন যে পে স্কেল হয়েছে তাতে ২৪০-৩৮০ টাকা ওল্ড স্কেল থেকে রিভাইজড স্কুলে হল ২৬০-৪২৫ টাকা। কিন্তু ২৫-৯-৭৫ তারিখে ওল্ড স্কেলএ শিক্ষকের বেতনের পরিমাপ হয় ২৬৫ টাকা আর তা ফিক্সট হয়েছে ২৬০ টাকা। ফলে ৫ টাকা প্রতি মাসে শিক্ষকদের ফেরৎ দিতে হবে। যাদের ওল্ড স্কেল ছিল ২২০-৩৪০ টাকা রিফাইজড হয়েছে ২৬০ টাকা। ৫-৯-৭৫ তাংএ এই শিক্ষকদের বেতন হয় ২৬০ টাকা এবং রিফাইজড স্কেলও হয় ২৬০ টাকা। অর্থাৎ এক পয়সাও তাদের লাভ হবে না। কাজেই শিক্ষকদের দাবী অত্যন্ত ন্যায় সঙ্গত দাবী, আমারা আশা করি যে আমাদের শিক্ষামন্ত্রী নিশ্চয়ই এই বিষয় অত্যন্ত গুরুত্ব সহকারে বিবেচনা করবেন। এবং শিক্ষকদের দাবীমেনে নিয়ে ধর্না থেকে বিরত করবেন।

৫-৯-৭৫ তারিখে আমাদের প্রাথমিক মধ্যবঙ্গ স্কুল গুলি সরকারী করন করা হল। জরুরী অবস্থার সুযোগে ৫৫ বছর বয়সে শিক্ষকরা অবসর নিতে বাধ্য হলেন। পরে ৫৮ বছর পর্য্যন্ত বয়স সীমা বাড়ানো হল। কিন্তু ৫৫বছর বয়সে যে সকল শিক্ষকরা অবসর নিয়েছিলেন তারা আর চাকরীতে যোগদানের সুযোগ পেলেন না। এইসকল ক্ষতিগ্রস্থ শিক্ষকরা আজও গ্রেজুয়েটির এবং পেনশনের টাকা পান নি। গরীব শিক্ষকরা সুদ সহ তাদের প্রভিডেণ্ট ফাণ্ডের টাকাও পান নি। আজ বাধ্য হয়ে ধর্ণা দিতে হচ্ছে। কতদিন আর ক্ষুধার যন্ত্রনা সহ্য করবেন। এইগুলি দাবী অত্যন্ত ন্যায় সঙ্গত দাবী। আমাদের শিক্ষামন্ত্রী

নিশ্চয়ই গভীর সহামুভূতির সঙ্গে বিবেচনা করবেন।

উপাধ্যক্ষ মহোদয়, আমাদের রাজ্যে এল পি স্কুল প্রতিষ্ঠার কোন নিয়ম নীতি নেই গ্রামের পর গ্রামে কোন প্রাথমিক স্কুল নেই আবার আধ মাইলের ভিতর ৪ টা স্কুল রয়েছে। কামরূপজেলার সরভোগের গ্রামে গেলেই তা দেখতে পাবেন সেখানে আধমাইলের মধ্যে ৪ টা স্কুল থাকে। তাছাড়া, শিক্ষক যেখানে ১ জন বেকিং থাকলে দু-তিন হয়ে যায়। একজন শিক্ষক দিয়ে স্কুল চলে শিক্ষক অসুস্থ হলে স্কুল বন্ধ থাকে সুতরাং একজন দিয়ে স্কুল চালার তামাসা বন্ধ করতে হবে। কমপক্ষেও প্রতিটি স্কুলে দুজন শিক্ষক দিতে হবে। এ সম্পর্কে শিক্ষামন্ত্রী নিশ্চয়ই তার অভিমত জানাবনে।

স্যার, আমাদের রাজ্যের জুনীয়র সিনিয়র বেসিক স্কুল গুলি গান্ধীজীর আদর্শে চলছে বলে ঢাক ঢোল পেটানো হয়। কিন্তু এই বেসিক স্কুলের শিক্ষকদের জন্য বছর বছর নতুন করে অনুমোদন নিতে হয়। তা নাহলে মাসের পর মাস যায় বেতন পাওয়া যায় না। এদের আর একটা সুন্দর নাম আছে গভঃ বেসিক স্কুল। স্কুলের শিক্ষকরা জানেন না তাদের সরকারী চাকুরা জীবিদের মত পেনসন হবে কিনা। সরকারী কর্মচারীদের প্রাপ্য কোন কিছু তারা পানা নি আমি যতদূর জানি তাদের যারা ট্রেনিং দেন সেই গুরুজীরাও পেনশন পান না। এদের কথাও নিশ্চয়ই শিক্ষামন্ত্রী বলবেন।

এম ভি স্কুলের ছাত্র এবং শিক্ষকের অবস্থা এল পি স্কুলের মতই। গ্রামে যেসব এল পি এবং এম ভি স্কুল বছরের পর বছর ধরে পড়ে আছে তা গত এক বছরেও একটেও গ্রহন করা হয় নি। এবার গ্রহন করবেন কিনা শিক্ষামন্ত্রী

আমাদের জানাবেন। করিমগঞ্জ মহকুমার এম ই স্কুল ও এম ই মাদ্রাসার অবস্থা আমি তুলে ধরছি। ১৯৬৮ সাল থেকে ৭৭ সাল পর্যন্ত করিমগঞ্জ মহকুমায় ছাত্র সংখ্যা বৃদ্ধি পাওয়ার ৫৪ টি এডিশন্যাল পোষ্ট এরাবিক ২৬ টি, সংস্কৃত ২৪ টি, অসমীয়া ভাষায় ১ টি, মোট ৭৮ টি পোষ্টের প্রয়োজনীয়তা দেখাদেয় ৯-২-৭৯ পর্য্যন্ত অনুমোদিত হয়েছে এডিশনেল ৭ টি পোষ্ট, আরবিক ৪ টি, সংস্কৃত ১ টি মোট ১২ টি ৬৬ টি এখনও অনুমোদন পায়নি এই পোষ্টগুলির অনুমোদন ছাড়া কি ভাবে এই অবস্থায় শিক্ষা সুষ্ঠভাবে চলতে পারে আশাকার শিক্ষামন্ত্রী মহোদয় আমাদের তা বুঝিয়ে বলবেন।

মহোদয়, শিক্ষা বিষয়ে অরাজকতার সম্পর্কে আমি আর একটি কথা বলতে চাই যে ফুলর্ভছড়ায় পাত্তিয়ালা এম ই স্কুলের প্রধান শিক্ষক তহবিল তুছরূপ করেছেন বলে স্কুলের ম্যানিজিং কমিটি তাকে সাসপেণ্ড করেছেন তিনি টাকা ফেরৎ দিয়েছেন কাজে আমাদের উইভিং বিভাগের মন্ত্রীর ন্যায় ক্ষমা করে করিমগঞ্জের এ ডি আই তাকে জয়েন করতে দিয়েছে। কিন্তু সমবায় সমিতির ঘটনার মত তাকে সাসপেণ্ড করে রাখার জন্য সেখানে দিনের পর দিন ছাত্র ও জনগণ ষ্ট্রাইক করে চলছে শিক্ষামন্ত্রী কি ভাবে তার সমাধান করেণ আমরা দেখব এটা তার মন্ত্রী সভার সমস্যার মতই জটিল।

এম ই স্কুলে হিন্দী এবং অসমীয়া শিক্ষকের নিযুক্তির জন্য অনুমোদন এখনও পর্য্যন্ত দেওয়া হয় নাই। আমি এই সম্পর্কে একটা কথা বলতে চাই যে এই ব্যাপারে সদৌ অসম মজলীয়া স্কুল শিক্ষক সন্থার নিকট থেকে যে স্মারক পত্র পদত্ত

হয়েছে সেই অনুযায়ী দাবী পূরণ করার আবেদন জানাচ্ছি। এই স্মারক পত্রে আরো অন্যান্য যে দাবী আছে সেই সব দাবীর ভিত্তিতে তারা অনশন ধর্মঘট করবেন বলে জানিয়েছেন। এই কঠিন পরিস্থিতির যাতে আমাদের সম্মুখীন না হতে হয় তার জন্য যেন শিক্ষামন্ত্রী ব্যবস্থা করেন।

হাইস্কুল ব্যবস্থায় চূড়ান্ত নৈরাজ্য চলছে। বৃটিশ সরকার ছাড়া আমাদের জাতীয় সরকার কোন হাইস্কুল নিজের উদ্যোগে করেছেন বলে আমার জানা নেই জনসাধারণ তার সন্তান সন্ততির শিক্ষার প্রয়োজনে স্কুল করে আর সরকার দায়ীত্ব এড়ানোর জন্য সর্ত্ত করে সর্ত্ত হল স্কুল করতে হলে এন এস পি কিনতে হবে, জায়গা জমি ঘড় দুয়ার বানিয়ে শিক্ষক নিয়োগ করতে হবে দীর্ঘদিন বিনামতে উপবাস থেকে পড়াবার ব্যবস্থা করতে পারলে তারপর স্বীকৃতি মিলবে, তারপর হবে নন্ এডহক্, তারপর এডহক, তারপর নন্ ডেফিসিট, তারপর ডেফিসিট এবং প্রোভিসিয়েলাইজেসন।

মহোদয়, আর একটি ঐতিহাসিক পদক্ষেপ হলো, স্কুলগুলিকে রাজ্যিক করন করা। কংগ্রেস আমলের রেলের থার্ডক্লাস কম্পার্টমেন্টকে সেকেণ্ডক্লাস বানানোর মতো হয়েছে এই স্কুল রাজ্যিক করনের ব্যাপারটি। আগে যাও সেকেণ্ডক্লাসে একটু গদী ছিল, থার্ডক্লাস সেকেণ্ডক্লাস হওয়ার পর এখন তাও গেল। আগের শিক্ষা ব্যবস্থায় যাও একটু শিক্ষকদের স্বাধীন অধিকার ছিল, তাও গেল। তাছাড়া রাজ্যিক করণ হওয়ার পর এখন তারা সময়মত বেতনও পায় না, আর এই বেতন দেওয়ারও কোন নিয়মনীতি নাই। ভাত দেবার নাম নাই কিল মারার গোসাই। তারা এখন

নির্বাচনে দাড়াতে পারেন না। বিধান সভায় আসতে পারেন না. গাওঁ পঞ্চায়তে দাড়াতে পারেন না। সেকেণ্ড ক্লাসের গদী যাওয়ার মত তাদের জৈন্য অবস্থা এখন দাঁড়ালেও শাস্তি পায়। আমাদের মাননীয় সদস্য কমঃ রামেন্দ্র দে ইলেকশনে দাড়িয়েছিলেন বলে তিনি স্কুলের শিক্ষকতার কাজ হারালেন। পাঁচ বৎসর তাকে বেকার হয়ে দিন কাটাতে হয়েছে। আমি শিক্ষামন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে কলেজের শিক্ষকরা এই অধিকার পাবে আর স্কুলের শিক্ষকরা দেশের ভাল মন্দে অংশ গ্রহণ করতে পারবে না তারা পৌরসভা, বিধান সভায় যোগ দিতে পারবে না এই ধরনের বৈষম্যমুলক নীতির অবসান যেন তিনি করেন শিক্ষকদের গণতান্ত্রিক অধিকার যেন ফিরিয়েছেন। আমি আর একটা কথা বলতে চাই যে দ্বিতীয় হিন্দী শিক্ষকের পোষ্টে যারা আছেন তারা বেতন পাচ্ছেন না। এ বিষয়ে শিক্ষা মন্ত্রীর দৃষ্টি আকর্ষণ করতে চাই। তাছাড়া ছাত্রসংখ্যা ৫০০ জনের বেশী হওয়া সত্বেও বহু স্কুলে ২ জনের যায়গায় একজন করে কর্মচারী থাকায় সময়মত কাজকর্ম্ম হচ্ছে না। কাছাড় জেলার রাজ্যিক করণ স্কুলের শিক্ষকরা তাদের গত জুন ৭৭ থেকে সেপ্টেম্বর ৭৭ এর যে এডিশ্যনেল ডি এ তা পায় নি। কেন পায়নি নিশ্চয়ই শিক্ষামন্ত্রী তা বলবেন। তাছাড়া এইসব স্কুলে কন্‌টিন্‌জেন্সির টাকা পয়সা না থাকায় স্কুলে চক নাই, ডাষ্টার নাই, ব্লেক বোর্ড নাই পড়াশুনার হাতিয়ারই নেই। করুণ অবস্থার সৃষ্টি হয়েছে। তাছাড়া শিক্ষামন্ত্রী মহোদয় দশম শ্রেণী পর্যন্ত ছাত্রদের যে মাশুল রেহাই দিয়েছেন তার ফলে যে সব ভেঞ্চার স্কুলের খরচ শিক্ষকের বেতন ছাত্রের মাশুলের উপর নির্ভর করে সেই সব স্কুলের শিক্ষক প্রায় না খেয়ে আছে। এইটাইতো শিক্ষা সংকোচন নীতি। আপ-

নারা ছাত্রদের মাশুল মাপ করে দেওয়ার ফলে স্কুলগুলির অবস্থা এমন হয়েছে ঢাল নেই তলোয়ার নেই নিধিরাম সর্দার। এইভাবে শিক্ষার সম্প্রসারণ হতে পারে না। স্কুলগুলো যাতে মাস শেষ হওয়ার সঙ্গে সঙ্গে ছাত্রদের মাশুল মাসের টাকা কর্তৃপক্ষ পান তার ব্যবস্থা অবশ্যই সরকারকে করতে হবে।

আর একটা ব্যাপারে আমি শিক্ষামন্ত্রীর দৃষ্টি আকর্ষণ করতে চাই যে কাছাড় জেলায় এই ডেড হাইস্কুল রাজ্যিক করণ করার পর ঐসব স্কুলের শিক্ষকদের নাম ডি পি আই অফিসে পাঠানো হয়েছিল। কিন্তু আশ্চর্য্যের বিষয় যে অনেক শিক্ষক যারা ৫-১০ বৎসর পর্য্যন্ত শিক্ষকতা করে এসেছেন তাদের নাম ঐ তালিকা থেকে বাদ পড়েছে।

( ভয়েস্ :— এটা কেবল কাছাড়ে নয়। আসামের সর্বত্র এটা হয়েছে )।

ডি আই, ডি পি আই সকলের দৃষ্টি এই ব্যাপারে বার বার আকর্ষণ করা সত্বেও আজ পর্য্যন্ত এই সমস্ত শিক্ষকদেরে নিয়োগপত্র দেওয়া হলো না। এই ব্যাপারে অসুবিধা কোথায় নিশ্চয়ই শিক্ষামন্ত্রী জানাবেন।

বি টি পাশ যে সব শিক্ষক রয়েছেন তারা সময় মত ইন্ক্রিমেণ্ট পাচ্ছেন না। তাছাড়া পোষ্ট গ্রেজুয়েট যে সব শিক্ষক রয়েছেন তারাও ইন্ক্রিমেণ্ট পাচ্ছেন না।

মহোদয়, এবারে আমি স্কলারশিপের কথা বলতে গিয়ে বলতে চাই যে এই স্কলারশিপ দেওয়ার অর্থ হলো ছাত্রদেরে সাহায্য করা। কিন্তু আমরা দেখছি যে বৎসর শেষ হয়ে যাবার পর এই স্কলারশিপ ছাত্ররা পায়। প্রয়োজনে তারা এই টাকা

পায় না আর আমি আগেও বলেছি এখনও বলছি যে এই স্কলারশিপ দেওয়ার ক্ষেত্রেও নীতি গ্রহণ করা হয়েছে তা শিক্ষাকে সংকোচিত করার নীতি। কারণ, সময়মত স্কলারশিপের টাকা না দেওয়ার অর্থ প্রয়োজনীয় পুথিপত্র সময়মত সংগ্রহ করতে পারবেন। স্কলারশিপের ব্যাপারে আর একটি নীতি হলো যে যেসব অভিবাবকদের বাৎসরিক আয় ৩৬০০ টাকার উপর তাদের আর একটি ছেলেমেয়েয়া এই স্কলারশিপ পাবে না। মহোদয়, আজ টাকার মান কমে গিয়েছে। সরকারী চতুর্থশ্রেণীর কর্মচারী স্কুলের শিক্ষক আসামের কেরানীদের ছেলে মেয়েরাও এই স্কলারশিপ এই নীতি থাকলে পাবে না। আমি আশা করবো এই ব্যাপারটা শিক্ষামন্ত্রী গভীরভাবে বিবেচনা করবেন কারণ এইসব গরীব শ্রমিক কর্মচারী বা অন্যান্য নিম্নস্তরের কর্মচারী যারা আছেন তারা তো আর ফল্‌স্‌ ইনকাম সার্টিফিকেট দিতে পারে না। অন্যদিকে যারা চাকুরী করে না অথচ বিত্তশালী তারা ভুয়া ইনকাম সার্টিফিকেট দিয়ে এই স্কলারশিপের সুবিধা আদায় করছে। আশাকরি সরকার এই অর্থের পরিমানকে বৃদ্ধি করবেন যাতে অন্ততঃ নিম্নশ্রেণীর কর্ম্মচারীদের ছেলেমেয়েরা স্কলারশিপের সুযোগ গ্রহণ করতে পারে।

মহোদয়, আমাদের রাজ্যে বহু কলেজ আছে যে গুলোতে গভর্নিং বোডি নাই। আমাদের বদরপুর কলেজে গভর্নিং বোডি নাই। মরিয়ানি কলেজেও গভর্নিং বোডি নাই। মহোদয়, গভর্নিং বোডি ছাড়া একটি কলেজে কি ভাবে শিক্ষা ব্যবস্থা চলতে পারে আমরা বুঝতে পারি না। এই বদরপুর মরিয়ানির মতো আসামে আরও বহু কলেজ আছে যেখানে গভর্নিং বোডি নাই। তাছাড়া, আমাদের করিমগঞ্জ কলেজে বহু শিক্ষকের পদ ২-৩ বৎসর যাবৎ

মঞ্জুরীর অভাবে খালি পড়ে আছে। সেখানকার প্রিন্সিপাল মহোদয় জানিয়েছেন যে ম্যাথামেটিক্সে'র শিক্ষকদের বেতন তারা দিয়ে যাচ্ছেন সরকার থেকে যদি এই পোষ্টের মঞ্জুরী না দেন তাহলে অল্প দিনের মধ্যেই এই শিক্ষককে বাতিল করা ছাড়া আর কোন উপায় থাকবে না। অথচ এই ধরণের শিক্ষকের প্রয়োজন কলেজে খুব বেশী। আমি এই ব্যাপারে শিক্ষামন্ত্রীর দৃষ্টি আকর্ষণ করছি।

মহোদয়, কলেজে অর্নাস খোলার ব্যাপারে ইউনিভার্সিটি যাতে বর্তমান নীতি পরিবর্তন করেণ। আশা করি সরকার এইদিকে দৃষ্টি রাখবেন। কারণ, আমরা দেখতে পাচ্ছি যে এক একটা ভাল ছাত্র যাতে পড়াশুনা না করতে পারে তার জন্য নানা প্রতিবন্ধকতা রয়েছে। আর, যেহেতু আমাদের শিক্ষাক্ষেত্রে চাকুরীর কোন নির্দ্দিষ্ট ব্যবস্থা নাই যেমন পাঠশালা পাশ করিলে অমুক চাকরী পাবে বা হাইয়ার এডুকেশন থাকলে অমুক চাকুরী পাবে ইত্যাদি ব্যবস্থা না থাকার ফলে ছেলেরা স্বভাবতঃই কলেজের দিকে উচ্চ শিক্ষার জন্য ধাবিত হয়। তাই উচ্চ শিক্ষাকে বাধা দেওয়ার জন্য কর্তৃপক্ষ কলেজ খোলার ব্যাপারে নানা বাধা নিষেধ আরোপ করে শিক্ষার সংকোচন নীতি গ্রহণ করেছেন। একটি কলেজ খুলতে গেলে ৫০ হাজার টাকার এন এস সি কিনতে হবে। অথচ সরকারী উদ্যোগে আজ পর্য্যন্ত একটাও কলেজ হয়নি। তবে বৃটিশ সরকারের উদ্যোগে ২।১টা কলেজ স্থাপিত হয়েছিল তারপর আর হয় নি।

উপাধ্যক্ষ মহোদয়, কলেজ ছেলেরা অনাস পড়তে চাইলে, ইউনিভাসিটি আইন করেছে যে তন্ততঃ তিন বৎসর অনাস টিচারের বেতন কলেজকে বহন করতে হবে। এই কলেজগুলি কোথায় পাবে এই টাকা? তারা সরকারের নিকট থেকে নিধারিত টাকা

পান। এই কলেজ গুলিতো আর অতিরিক্ত আয় করার সুযোগ পায় না? ফলে অনার্স খোলা তাদের পক্ষে সম্পূর্ণ অসম্ভব ফলে ভাল ছাত্ররা মনমত শিক্ষার সুযোগ হারায় আশাকরি আমাদের মন্ত্রীমহোদয় এই প্রতিশ্রুতি দিবেন যে আমাদের ছেলেরা যেন অনার্স পড়ার সুযোগ পায়।

উপাধ্যক্ষ মহোদয়, শিলচর মেডিকেল কলেজও রিজিওনেল ইঞ্জিনীয়ারিং কলেজে উপযুক্ত অধ্যাপকের অভাব এবং যারা আছেন তাদেরও বাস ভবন নেই, ছাত্রদের হোষ্টেলও অপ্রতুল। তাছাড়া এই কলেজগুলি বিশ্ববিদ্যালয়ের অনুমোদন পাওয়ার জন্য যে সব শত পূরণ করা প্রয়োজন তার অনেকটা এখনো অপূর্ণ রয়ে গেছে। যার ফলে যে কোনও মুহূর্ত্তে অনুমোদন বাতিল হয়ে যেতে পারে। আশাকরি মন্ত্রী মহোদয় এই মেডিকেল কলেজ ও ইঞ্জিনীয়ারিং কলেজর সর্বাঙ্গীন উন্নতির জন্য দৃষ্টি দিবেন।

মহোদয়, বি টি কলেজ সম্পর্কে ও আমি কিছু বলতে চাই যে আসামের দুইটি অত্যন্ত গুরুত্বপূর্ণ বি টি কলেজ ১। শিলচর বিটি কলেজ এবং ২। বানীকান্ত বি টি কলেজী গৌহাটী। ঐ দুইটি কলেজ সরকার থেকে বার্ষিক ১৫ হাজার টাকা দেওয়া শিক্ষকদেরে প্রশিক্ষন দেওয়ার জন্য। আর শিলচর কলেজে কেবল আমাদের রাজ্যের নয় ত্রিপুরা এবং মিজোরামথেকেও শিক্ষকদেরে ট্রেইনিংর জন্য পাঠানো হয়। তাছাড়া বিগত ১৬ বৎসর যাবৎ এই কলেজগুলি সমস্ত যোগ্যতা থাকা সত্বেও ডেফিসিট গ্রাণ্ট পায় নি এর থেকে এই কথা যানা যায় শিক্ষার মান নামিয়ে দাও। আশাকরি শিক্ষামন্ত্রী গুরুত্ব সহকারে এই কলেজগুলির কথা বিবেচনা করবেন যাতে উপযুক্ত প্রশিক্ষন দিয়ে শিক্ষকরা কর্মক্ষেত্রে নিয়ে

কাজ করতে পারেন।

মহোদয়, প্রাপ্ত বয়স্ক শিক্ষা সম্পর্কে আর একটা কথা আমি বলতে চাই। বই খুলে নিজের অঞ্চলের দিকে সর্বদাই আগে চোখ যায়। প্রাপ্তবয়স্কদের শিক্ষার কর্মদক্ষতা খুলে দেখি আমাদের করিমগঞ্জের নাম নাই। আমি ভাবলাম ভুগোল থেকেও করিমগঞ্জের নাম বাদ পড়লো নাকি? দেখলাম নাকিযাই থাকে শুধু শিক্ষামন্ত্রীর পণ্ডিত ব্যক্তিদের খাতা যে কেনাম বাদপড়েচে আমি এ সম্পর্কে শিক্ষামন্ত্রীর দৃষ্টি আকর্ষন করে বলতে চাই যে করিমগঞ্জ মহকুমায় এমন সব গ্রাম আছে যেখানে একটি লোকও নাম দস্তখত করতে পারে না। আমার কর্ম জীবনের প্রথমে দিকে কানিসাইল নামে একটি গ্রামে কাজ করতে নিয়েছিলাম সম্ভবত ১৯৫৪ ইংরাজীতে। তখন সেখানে গিয়ে দেখলাম সেই গ্রামের একটি লোকও নাম দস্তখত করতে জানেন না। সেখানে আমরা একটি স্কুলও তৈরী করেছিলাম। কিন্তু গ্রামের জমিদার সেই স্কুল পুড়িয়ে দিয়েছিল। আমরা তিনবার স্কুল করেছিলাম তিনবারই ঐ অঞ্চলের জমিদার তা পুড়িয়ে দিয়েছিল। এখনো ঐ অঞ্চলে শতকরা ৭২ ভাগ মানুষ নিরক্ষর। কাজেই আমি বলতে চাই যে করিমগঞ্জ মহকুমার সবাই শিক্ষিত নয় এবং সেই অঞ্চলেও শিক্ষার সম্প্রসারনের জন্য যেন এডাল্ট এডুকেশন সিস্টেম চালু করার ব্যবস্থা করা হয়। আরও বলতে চাই এই এডাল্ট এডুকেশনের নামে যেন পার্টিবাজী যেন না হয়। তাছাড়া আমার রাজ্যের বি টি কলেজ, টেকনিক্যাল কলেজ ইত্যাদির ব্যাপারে সরকারকে বিশেষ দৃষ্টি দেওয়ার অনুরোধ জানিয়ে আমি এই কর্তন প্রস্তাব এই সদনেরেখে আমার বক্তব্য শেষ করছি।

শ্রীনেপাল চন্দ্র দাস :— উপাধ্যক্ষ মহোদয়, আজকে যে কর্তন প্রস্তাব তুলে ধরা হয়েছে সে সম্বন্ধে আমি কয়েকটি বিশেষ অভিযোগ তুলে ধরবো। মাননীয় সদস্যরা আজকে শিক্ষার যে হাহাকার, শিক্ষার যে দুরাবস্থা চলছে তার সুন্দর বর্ণনা দিয়েছেন। জনতা সরকার ক্ষমতায় প্রতিষ্ঠিত হবার পর যে প্রতিশ্রুতি দিয়েছিল তা পালন করতে পারেননি। আমার পূর্ববর্তী বক্তরা তার একটা সুস্পষ্ট চিত্র এই সদনে তুলে ধরেছেন। আমি তার সঙ্গে আর কিছু শুধু যোগ দিতে চাই। আজ জনতা সরকারের এই রাজ্যে ১ বৎসর কাল অতিক্রান্ত হয়ে গেল। এই আসামে আমরা কংগ্রেস আমলে দেখেছি যে প্রতিবৎসর শিক্ষা বিস্তারের জন্য অন্ততঃ প্রাইমারী স্কুল, ভেঞ্চার এম ভি, এম ই স্কুল প্রত্যেক সাব ডিভিশনে ৬০-৭০ বা ১০০ টা পর্যন্ত নেওয়া হত। কিন্তু গত ১ টা বৎসরে ১ টা স্কুলও এই সরকার গ্রহণ করেন নি। যেসব যায়গায় স্কুল নাই সেখানে জনসাধারন, শিক্ষিত যুবকরা স্কুল গড়ে ৬-৭-১০ বৎসর যাবৎ বিনা বেতনে স্কুল গুলি চালাচ্ছে। কারো কারো চাকরীর বয়স পর্যন্ত অতিক্রান্ত হয়ে গেছে। কিন্তু আজ পর্যন্ত তাদের কোন সুরাহা সরকার থেকে করা হয়নি। তারা শিক্ষামন্ত্রীর কাছে এই ব্যাপারে ধরনা দিয়েছিল। শিক্ষামন্ত্রীর কাছ থেকে কিছুদিন আগে তারা একটা আশ্বাসও পেয়েছিল যে তাদের স্কুলগুলি অতি শীঘ্রই নেওয়া হবে কিন্তু আজ পর্যন্ত সেই স্কুলগুলি নেওয়া হয় নাই। মন্ত্রী মহোদয় এ বিষয়ে কি বিবেচনা করছেন আশাকরি তা এই সদনে তুলে ধরবেন। কারন, এল পি স্কুল, এম ই এবং এম ভি স্কুলগুলি ৫-৬ বৎসর যাবৎ এইভাবে চলছে। আছাড়া, আজ যে সব প্রাইমারী স্কুল প্রভিনসিয়েলাইজ করা হয়েছে সেদিকে লক্ষ্য দিলে দেখা যায় শতকরা ৬০-৭০ ভাগ স্কুলেই বেড়া নাই, বেঞ্চ নাই, চাল নাই। আমার আগে মাননীয় সদস্য শ্রীঅতুল

গোস্বামী মহোদয় এ বিষয়ে বলেছেন যে তিনি যে স্কুলে পড়েছেন সেখানে চট ছিল আর আজ ৪০ বছর পরে সেখানে ধারী হয়েছে। এই হলো আমদের এল পি স্কুল গুলির উন্নতির লক্ষন। মহোদয়, আমাদের রাজ্যে মুসলীম এরিয়ার যে সব স্কুল হয় তা সাধারনত মসজীদে ঠাই নেয়। আর হিন্দুদের স্কুল অন্য কোন বিশেষ জায়-গায় ঠাই নেয়। এই সব স্কুল কোন বিল্ডিং গ্রাণ্ট পায় না, কোন বেঞ্চের গ্রাণ্ট পায় না। সুতরাং এই স্কুলগুলির ব্যাপারে জনতা সরকার কি ব্যবস্থা নিয়েছেন তার একটা স্পষ্ট ইঙ্গিত আমরা মন্ত্রী মহোদয়ের কাছ থেকে চাই।

উপাধ্যক্ষ মহোদয়, আজকে প্রভিনসিয়েলাইষ্ট এম ই, এম ভি স্কুলে হে সব হিন্দি এবং অসমীয়া মাষ্টার আছে তারা ৩-৪ বৎসর বিনা বেতনে মাষ্টারী করছেন। সরকারেব কাছে তারা বার-বার আবেদন নিবেদন করেছে। কিন্তু আজ পর্যন্ত তাদের কোন ব্যবস্থা হয় নাই। তাদের চাকরীর কোন নিরাপত্তা নাই। বার বার ডি পি আই'র অর্ডার মত স্কুল থেকে তাদের নাম লিষ্ট করে পাঠাবার পরেও দেখা যায় যে তাদের কোন ব্যবস্থা হচ্ছে না। আমি মাননীয় শিক্ষামন্ত্রী মহোদয়কে অনুরোধ করছি যাতে তাদের সম্বন্ধে একটু চিন্তা করেন।

উপাধ্যক্ষ মহোদয়, আমি আমার বাজেট বর্ক্তৃতায় বলেছি যে ন্যাশনেল ভলেণ্টারী অর্গেনাইজেশন স্কীমএ যারা স্কুলে চাকরী পেয়েছিল (৩৫০ জনের মত হবে) তাদেরকে সামান্য বেতন দেওয়া হতো। এর থেকেও তাদেরকে আজ বঞ্চিত করা হয়েছে। তাদেরকে পার্টিকুলার নির্দ্দিষ্ট বেতনে নিযুক্তি করা হয়েছিল। সুতরাং তাদেরকে বঞ্চিত করা অন্যায়। আশাকরি মন্ত্রী মহোদয় তাদের কথা বিবেচনা করে একটা ব্যবস্থা শীঘ্রই গ্রহন করবেন।

মাননীয় সদস্য শ্রীনিশীথ দাস মহোদয় প্রাইমারী স্কুলের শিক্ষকদের কথা বলেছেন। আমিও তার সঙ্গে বলতে চাই যে তাদের যে রিভাইজড বেতন দেওয়া হবে তার এফেক্ট যদি ৫-৯-৭৫ ইং থেকে দেওয়া হয় তাহলে অনেকেরই বেতন ৫ টাকা করে কমে যাবে। রিভাইজও এর ফলে এক পয়সাও বাড়বে না অথচ কমবে। সুতরাং এই যদি অবস্থা হয় তাহলে এটা একটা সাংঘাতিক অবস্থা হবে। সুতরাং আমি মন্ত্রী মহোদয়কে অনুরোধ করছি যাতে তাদের বেতনের এফেক্ট ১-১-৭৩ ইং থেকে দেবার ব্যবস্থা করেন। আর একটা রুল FR. 22/ Clause-A-Artiele (2) যদি প্রয়োজন হয় তবে এই রুল বদলী করেও যেন তাদেরকে এই সুবিধা দেওয়া হয়।

(ভয়েস্ :— ভুল ব্যাখ্যা হয়েছে ?)

ভুল হতে পারে। আইন সম্বন্ধে বেশী ভাল বুঝি না

উপাধ্যক্ষ মহোদয়, আমি বারবার হাইলাকান্দি মহকুমার কথা বলেছি। হাইলাকান্দি হলো সবদিক দিয়ে অনুন্নত মহকুমা। রাস্তার দিকেই হউক বা শিক্ষার দিকেই হউক সব দিক দিয়েই অনুন্নত এলাকা। স্যার, হাইলাকান্দিতে একটা ডি আই অফিস আছে। সেই অফিস বিল্ডিং'র অবস্থা অত্যন্ত শোচনীয়। এই অফিস ঘরের জন্য অনেক কথা বলেছি। বিভাগ থেকেও এষ্টিমেট পাঠানো হয়েছে। কিন্তু আজ পর্যন্ত ডি আই অফিসের কোন পরিবর্ত্তন হয় নাই। আজও এই অফিস টানা পাখার ঘরে চলছে। ভাড়া করা ঘরে এই অফিস চলছে।

( টানা পাখা কি? )

টানা পাখা হলো হাতে টানা পাখা। সুতরাং এই অফিস বিল্ডিংটি কনষ্ট্রাকশনের জন্য যেন অতি শীঘ্র গ্রাণ্টের ব্যবস্থা করা হয় এই অনুরোধ আমি মন্ত্রী মহোদয়কে করছি।

উপাধ্যক্ষ মহোদয়, আর একটা জিনিষ হলো যে আমাদের রাজ্যে দেখা যায় কোন যায়গায় যদি কোন স্কুলে ৩ জন ছাত্র-ছাত্রী ও থাকে তাহলে সেখানে ২ জন মাষ্টার দেওয়া হয়। আবার এমনও স্কুল আছে যেখানে ৭০-৮০ জন ছাত্র-ছাত্রী থাকা সত্বেও সেখানে ১ জন মাষ্টার থাকেন। বিশেষ করে গ্রামে ছাত্র-ছাত্রী বেশী থাকা সত্বেও মাত্র ১ জন করে শিক্ষক থাকে। আর টাউনে ২-৩-৪ জন ছাত্র থাকলেও ২ জন করে শিক্ষক দেওয়া হয়। টাউনে যেখানে যেখানে মাষ্টার বেশী আছে তাদেরকে ট্রেন্সফার করে যে সব স্কুলে ছাত্র ছাত্রী বেশী সেখানে পাঠাবার জন্য আমি মন্ত্রী মহোদয়কে ডি আইদের পরামর্শ দেবার জন্য অনুরোধ করছি। যে সব স্কুলে ছাত্র বেশী থাকে সেই সব স্কুলে একজন শিক্ষকের পক্ষে সমস্ত ক্লাস কণ্ট্রোল করা অসম্ভব।

উপাধ্যক্ষ মহোদয়, আমার পূর্ববর্তী বক্তা মাননীয় সদস্য উল্লেখ করেছেন যে শিলচর এবং গোহাটীর বি টি কলেজ যদিও ১৯৬০ ইং তে স্থাপিত হয়েছিল কিন্তু আজও এই কলেজগুলির ব্যাপারে সরকার টেপআপ করেন নাই। এই ব্যাপারে তারা কংগ্রেস অমোল থেকে বর্ত্তমান জনতা সরকারের আমল পর্যন্ত বার-বার আবেদন নিবেদন করে আসছে। এই সম্পর্কে আমি মাননীয় শিক্ষামন্ত্রীর দৃষ্টি আকর্ষন করছি এবং আশা করি তিনি এ বিষয়ে একটা স্পষ্ট জবাব দিবেন। এই বলে এই কাট মোশনটিকে সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ কথা কব বিচাৰিছো। "শিক্ষা এটা স্বত্ব, সুযোগ নহয়"। গতিকে সকলোকেই এই স্বত্ব পৰিপূৰণৰ বাবে দৃঢ়তা লব লাগে। অৰ্থ-কড়ি, টকা থাকিলেই পঢ়াৰ সুযোগ পাব দুখীয়া হলেই এই শিক্ষাপ্ৰাপ্ত সুযোগ নাপাব এই ব্যৱস্থা চলি থাকিব নালাগিব। আমাৰ এখন স্বাধীন, সাৰ্ব্বভৌম, গণতন্ত্ৰ ৰাষ্ট্ৰত আমি বাস কৰিছো এই ৰাজ্যখনৰ উন্নতি সাধন কৰিবলৈ হলে প্ৰথমতে শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। আমাৰ দেশৰ আঁচনি জনসাধাৰণে বহন কৰিব পৰাকৈ, জ্ঞান অৰ্জন কৰিব পৰাকৈ জনসাধাৰণক দিব লাগিব। ইয়াৰোপৰি আমি দেখিবলৈ পাইছো যে, আমাৰ যিবিলাক পিচপৰা অঞ্চল আছে, সেই অঞ্চল বিলাকত আজি স্কুল প্ৰতিষ্ঠা হোৱা নাই। যিবা একোটা সৰু সৰু স্কুল আছে, তাত কোনো ৰকমৰ সা-সুবিধা নাই। কৰবাত বেৰ আছে চাল নাই, কৰবাত বেৰ নাই লৰা-ছোৱালী পঢ়াৰ কোনো ৰকমৰ সা-সুবিধা নাই। পিচপৰা গাওঁ অঞ্চল বিলাকত বহুতো লৰা ছোৱালীয়ে আজি আনৰ ঘৰত কাম বন কৰি খাব লগা হৈছে। পঢ়াশুনাৰ কোনো ৰকম সুবিধা নোপোৱাৰ কাৰণে। সেই লৰা ছোৱালী বিলাকক ধৰি আনি পঢ়াৰ ব্যৱস্থা কৰি দিব লাগে। আনহাতে যিবিলাক ধনী মানুহ তেওঁলোকে লৰা ছোৱালী পঢ়াৰৰ কাৰণে নানা ৰকমৰ সুবিধা পায়। সেই লৰা ছোৱালী বিলাকে নিজৰ মাক বাপেকৰ টকা পইচাৰে নানা ৰকমৰ সুবিধা কৰি পঢ়া শুনাত আগবাঢ়ি যাবলৈ সুবিধা পায়। গতিকে পঢ়া শুনাৰ ক্ষেত্ৰত এই যিটো প্ৰভেদ সেইটো নাৰাখিবলৈ মই অনুৰোধ কৰিলো। আমাৰ দেশত যিবিলাক লৰা ছোৱালীৰ জন্ম হৈছে সেইবিলাকক উপযুক্তভাবে শিক্ষা দি গঢ়ি তুলিব লাগিব যাতে আমাৰ দেশৰ সকলো ক্ষেত্ৰতে তেওঁলোকে ভৱিষ্যতে সহায় কৰিব

পাৰে। ইয়াৰোপৰি কিছুমান অঞ্চলত আজিও শিক্ষা ব্যৱস্থাৰ কোনো ৰকমৰ উন্নতি হোৱা নাই হেতু সেই অঞ্চলত প্ৰসাৰৰ গুৰুত্ব দিব লাগিব। বৃটিছৰ দিনৰ শিক্ষা ব্যৱস্থাই চলি আছে। গতিকে আজিৰ এই শিক্ষা ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আজি আমি দেখিবলৈ পাইছো যে, আমাৰ গাওঁ অঞ্চল বিলাকত আজি নিৰক্ষৰ লোকৰ সংখ্যাই অতি বেছি। গতিকে দেশৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ হলে প্ৰথমে আমি নিৰক্ষৰতা দূৰ কৰিব লাগিব। আজি যদি আমাৰ প্ৰাইমেৰী স্কুল বিলাক ভালধৰণে গঠন কৰি লব পৰা যায় তেনেহলে আমাৰ দেশৰ তথা আৰু আমাৰ প্ৰাইমেৰী স্কুল বিলাকৰো বুনিয়াদ ৰচনা হব। এই বিদ্যালয় বিলাকেই আমাৰ উঠি অহা কন কন লৰা ছোৱালী বিলাকক সু-শিক্ষা দিব পাৰিব। যদি কেতিয়াবা গাওঁ অঞ্চল বিলাকত ফুৰিবলৈ যোৱা হয়, তেতিয়া হলে প্ৰাইমেৰী স্কুলৰ অৱস্থাই অতি বেয়া দেখিবলৈ পোৱা যায়। বেৰ নাই, চাল নাই আৰু পঢ়াৰ সা-সজুলি আদি হয়তো বহুতেই নাই। গতিকে এই স্কুল বিলাক প্ৰথমে ভালকৈ নিৰ্ম্মাণ কৰিব লাগে। আৰু শিক্ষাৰ ক্ষেত্ৰত যিবিলাক অতি আৱশ্যকীয় আহিলাপাতি সেইবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজিকালি মহকুমাৰ পৰা যিবিলাক ডেস্ক বা বেঞ্চ আদি দিয়া হয় সেইবিলাকৰো হয়তো কিবা নহয় কিবা এটা নাই, যেনে— মেজৰ বা চকীৰ এপাত তক্তা নেথাকে।

অধ্যক্ষ মহোদয়, আজি দেখা গৈছে যে নিয়োগৰ ক্ষেত্ৰতো বহু টকা পইচা খোৱা দেখা গৈছে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত কিমান হাজাৰ টকা দিব পাৰে তাৰহে প্ৰতিযোগিতা চলিছে। গতিকে

এইবিলাক নিশ্চপত্তি কৰাৰ নিতান্তই প্ৰয়োজন হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত একোখন উপদেষ্টা সমিতি গঠণ কৰি দিয়া হৈছে। কিন্তু এই উপদেষ্টা সমিতি বিলাকে যিমানেই কাৰ্য্যবিৱৰণী নলওক কিয় উদ্ধতম মহলে সেইবিলাকত গুৰুত্ব দিয়া দেখা নাযায়। আমি নিজে দেখিছো এজন শিক্ষকে অৱসৰ পোৱাৰ পাছত সেই ঠাইত তিনিজনক নিয়োগ কৰে, কৰবাত এজন শিক্ষক মৰিলে তাত দুজনক নিয়োগ কৰে আৰু এইদৰে শিক্ষকৰ সংখ্যা বাঢ়ি গৈছে আৰু পিছত গৈ তেওঁলোকক চাকৰীৰ পৰা অব্যাহতি দিবলগীয়া হয় আৰু তেওঁলোকেই আহি আন্দোলন কৰিবলগীয়া হৈছে। গভিকে এই ক্ৰুটিমূলক শিক্ষা নীতিত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো। আমি দেখিবলৈ পাইছো আজি এমাহ আগতে অসম চৰকাৰে ৮ কোটি টকা বিভিন্ন শিতানত খৰচ কৰিবলৈ লৈছে আৰু তাৰ পৰা নিশ্চয় শিক্ষা বিভাগেও টকা লৈছে। মোৰ বোধেৰে এই ৮ কোটি টকা এমাহত খৰচ নহয়, মোৰ বিশ্বাস এই টকা কিছুমান মানুহৰ জেপত যাব, বা নষ্ট হব। এই বিভাগ বিলাকত মন্ত্ৰী সকলে নিৰীক্ষণ কৰা প্ৰয়োজন আছে। শিক্ষা-সংস্কৃতি গাওঁ অঞ্চলতো যাতে সম্প্ৰসাৰিত হয় তাৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ প্ৰয়োজন হৈ পৰিছে। চাহবাগান বিলাকক কেন্দ্ৰ কৰি অন্ততঃ সেই বাগান আৰু কাষৰ গাওঁ সমূহৰ মাজত একো-টাকৈ পুথিভঁৰাল তৈয়াৰ কৰি চাহ শ্ৰমিকৰ লৰা-ছোৱালী আৰু গাওঁলীয়া লৰা-ছোৱালীক অন্তত: শিক্ষা বিস্তাৰৰ প্ৰস্তুতি আৰু তেওঁলোকক খেলাধূলাত কিছু অভাস দিয়াৰ প্ৰায়াজন হৈছে। আৰু চাহ শ্ৰমিক আৰু গাওঁৰ লৰা ছোৱালীৰ সৌহাদ্য, সম্প্ৰীতি বঢ়োৱাৰ ব্যবস্থা লব লাগে। আমি দেখিছো আমাৰ প্ৰাইমাৰী

শিক্ষক সকলে ইতিমধ্যে দিছপুৰত তেওঁলোকৰ ধৰ্না আৰম্ভ কৰিছে। স্কুলবিলাক চৰকাৰীকৰণ কৰাৰ পাছত তেওঁলোকক পেঞ্চন গ্ৰেচু-ইটি দিয়াৰ কাৰণে চৰকাৰে স্বীকাৰ কৰিছিল কিন্তু আজিলৈ দিয়া হোৱা নাই। ফলত বাধ্য হৈ ধৰ্না আৰম্ভ কৰিছে। এই ধৰণৰ নীতিত চৰকাৰে আশ্বাস দি ভবিষ্যতে কাৰ্য্যকৰী নকৰা নীতি যাতে নহয় তাত গুৰুত্ব সহকাৰে চিন্তা কৰাৰ প্ৰয়োজন আছে। আমি জনাত কিছুমান লোকে ডক্টৰেট উপাধি পাইছে আৰু থেচিচ লিখিছে। আন আন ৰাজ্যত থেচিচ লিখিলে চৰকাৰে ছপা কৰি প্ৰকাশ কৰে বা বাহিৰত ছপা কৰিও উলিয়াৰ ব্যৱস্থা আছে যদি চৰকাৰে সহায় কৰে কিন্তু আমাৰ চৰকাৰে সেই ব্যৱস্থা লোৱা নাই বা চৰকাৰৰ পৰাও খুব কম সহায়হে পায় আৰু সেয়ে এই বিষয়ত নিতান্ত গুৰুত্ব দিয়া প্ৰয়োজন আছে। সম্পূৰ্ণ কৰিবলৈ বাকী থকা অংশ যুগুতকৰণৰ বাবে আৰ্থিক মঞ্জুৰী দিয়া প্ৰয়োজন।

অধ্যক্ষ মহোদয়, ৰাজ্যখনত শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে। তাৰ কাৰণ কি? পৰ্য্যালোচনা কৰি চোৱাৰ প্ৰয়োজন আছে। তাৰ প্ৰতিকাৰৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ব্যৱস্থা হাতত লব লাগে। তাৰ পিচত কুৰেচন বেংক উলিওৱাৰ ফলত ছাত্ৰ ছাত্ৰীৰ বিষয় বস্তুৰ জ্ঞান অৰ্জনৰ প্ৰতি একাগ্ৰতা কমিছে। কিয়নো কেবল কুৰেচন বেংকত থকা কুৰেচন পঢ়িৰেই ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে পৰীক্ষাত উত্তীৰ্ণ হব পাৰে। তেনেক্ষেত্ৰত কুৰেচন বেংকৰ আবি-ভাবে অধ্যাপক সকলৰ পৰিশ্ৰম যথেষ্ঠ কমাই দিছে। ফলত শিক্ষক সকলে নিজে কিতাপ পত্ৰ নপঢ়ি আন কামত লাগিবলৈ বেছি সুবিধা পায়। ইয়েই বহু সময়ত শিক্ষক আৰু ছাত্ৰৰ মাজত থকা সম্বন্ধ ভালেখিনি বেয়া কৰিছে নেকি তাক পৰ্য্যালোচনা কৰাৰ প্ৰয়ো-জন হৈ পৰিছে। আৰু পঢ়োৱাৰ বোজা কমি যোৱা আৰু সেই

বিষয়াৰ চিন্তা চৰ্চ্চা কমি যোৱা কাৰ্য্যই কলেজৰ শিক্ষক সকলক আত্ম কন্দলত আত্ম নিয়োগ কৰাত কিছু সহায় কৰিছে বুলি সন্দেহৰ থল আছে। তাৰ দুই এটা নমুনা দিব পাৰো। এম এ, এম এচ চি পাছ কৰি যোৱা শিক্ষকৰ বিষয়ে মুঠেও অভিজ্ঞতা নথকা লোক সকলক কলেজ শিক্ষক নিয়োগ কৰা হয় বিশেষকৈ নতুন কলেজত আৰু নতুন বিষয় খোলা অন্যান্য কলেজতো সেই কথা খাটে। নিজ বিভাগ ভালদৰে সংগঠন কৰিব নোৱাৰা আৰু শিক্ষাদানত অৰ্হতা নথকা শিক্ষক সকলৰ নিয়োগে শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱাত সহায়হে কৰে বুলি বিশ্বাস। নতুন শিক্ষক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ডি পি আই, ইলিমেন্টৰি এডুকেচনৰ বিভাগ দুটাত বহুতো অফিছাৰ আছে তেওঁলোকক বিশেষকৈ শিক্ষানুষ্ঠানৰ পৰাই অনা হয় কিন্তু এই দুটা প্ৰধান অফিছৰ বিষয়া সকলে কেবল কেৰানীৰ দৰেই ফাইলৰ কাম কৰে। শিক্ষাৰ মানদণ্ড উন্নয়নৰ কাৰণে এই অফিছ দুটাৰ বিষয়া সকলে কিবা কাম কৰে জানো? এই দুটা অফিছৰ বেছিভাগ কামেই স্কুলীয়া শিক্ষাৰ লগত জৰিত। কিন্তু স্কুলীয়া শিক্ষাৰ কোনো প্ৰত্যক্ষ অভিজ্ঞতা নথকা বিষয়া সকলে স্কুলীয়া শিক্ষাৰ উন্নয়নৰ বাবে প্ৰয়োগ ভিত্তিক আঁচনি যুগুত কৰিব পাৰে বুলি বিশ্বাস হয় জানো? পৰিদৰ্শক সকলৰ ক্ষেত্ৰতো সেই একে কথাকে খাটে। শিক্ষাৰ ধাৰা, শিক্ষাৰ পদ্ধতি, প্ৰশাসন আদিৰ কোনো প্ৰশিক্ষণ বা অভিজ্ঞতা নথকা লোক সকলক পৰিদৰ্শকৰ পদত অধিস্থিত কৰাটো স্কুলীয়া শিক্ষা নিম্নগামী হোৱাৰ এটা প্ৰধান কাৰণ বুলি ধৰিব পাৰি। ভাৰতৰ অন্যান্য ৰাজ্যতো পৰিদৰ্শক, ডিপি আই, ডি ডি পি আই আদি পদলৈ চৰকাৰী কলেজৰ শিক্ষকক নিৰ্ব্বাচিত কৰা হয় জানো? শিক্ষাৰ মান নিম্নগামী হোৱাৰ কাৰণ নিৰুপন

কৰি সেই বিষয়ে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে তাৰ সমাধানৰ ব্যৱস্থা কৰিব নোৱাৰে নে? এই বিষয়ে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে কি দৰে চিন্তা কৰিছে তাৰ এটা অভাস দাঙি ধৰাটো কামনা কৰো। স্কুলীয়া শিক্ষকৰ ক্ষেত্ৰতো গোটেই শিক্ষকতা জীৱনত সাধাৰণতে এবাৰ দিয়া বিটি, বেচিক বা নৰ্ম্মাল ট্ৰেইনিং শিক্ষাৰ মানদণ্ড আৰু শিক্ষাদানৰ মানদণ্ড উন্নতি কৰিছে বুলি ভাবে নে? ৰিফ্ৰেচাৰচ্‌কোৰ্চৰ কোনো ব্যৱস্থা ইয়াত নাই গতিকে ইয়াৰ নতুন পৰিকল্পনা হাতত লব লাগে। ৰাজ্যিক শিক্ষা সন্থা, ৰাজ্যিক বিজ্ঞান শিক্ষা সন্থা আৰু বোৰ্ড অব চেকেণ্ডাৰী এডুকেচনে স্কুলীয়া মানদণ্ড উন্নত কৰাৰ বিষয়ে কি কি কাম কৰিছে? শিক্ষামন্ত্ৰী মহোদয়, ডি পি আই আৰু এলিমেণ্টৰী এডুকেচনে এই অনুষ্ঠান কেইটাৰ আঁচনিৰ লগত জৰিত হৈছে নে? তেওঁলোকৰ কামৰ বুজলৈ কিবা দিহা পৰামৰ্শ কেতিয়াবা দিয়া হৈছে জানো? এই বিষয়ে গুৰুত্ব দিয়া প্ৰয়োজন আছে। গতিকে শিক্ষাৰ আমুল সংস্কাৰৰ নিশ্চয় প্ৰয়োজন আছে। দেশত কংগ্ৰেছৰ দিনতো সমাজবাদী নীতি অবলম্বন কৰাৰ কথা ঘোষণা কৰিছিল। জনতা চৰকাৰৰ দিনতো সমাজবাদী নীতি অবলম্বনৰ ঘোষণা কৰিছে। কিন্তু শিক্ষা পদ্ধতিটো সমাজবাদী শিক্ষা পদ্ধতি হোৱা নাই। বৰঞ্চ আজিও বৃটিশৰ দিনৰে শিক্ষা পদ্ধতি চলি আছে। দেশত যি নীতি গ্ৰহণ কৰিছে সেই নীতি যদি অবলম্বন কৰা নহয় বা সেই নীতিৰ দ্বাৰা যদি শিক্ষা প্ৰদান কৰা নহয় তেনেহলে জনসাধাৰণে কি ধৰণৰ শিক্ষা নীতি পাব সেইটো সহজে অনুমেয়। সেই কাৰণে মই বাস্তৱ শিক্ষা দিয়াৰ পৰামৰ্শ ৰাখিব খুজিছো। আমাৰ এনেকুৱা শিক্ষা নীতি লাগে যি শিক্ষা নীতিয়ে শ্ৰেণী বৈষম্য দূৰ কৰিব পাৰে। সেই শিক্ষা প্ৰদান কৰিবলৈ যাওঁতে যাতে দুখীয়া চহা লোক সকলৰ

প্ৰয়োজন ভিত্তিত হয় সেই আঁচনিও লব লাগিব। এই পৰিবৰ্ত্তণ "এক জাতি, এক দেশ, এক মাতৃভূমিৰ দাবী লৈ শিক্ষাৰ প্ৰতি আগবাঢ়ি যাব পাৰিম আৰু সেই শিক্ষাইহে দেশত সমাজবাদ আনিব পাৰিব"। তাকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীগোলোক কাকতী :— মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষা মঞ্জুৰী সম্পৰ্কে বিভিন্নজনে আমাৰ পূৰ্ব্বৰ চৰকাৰৰ ত্ৰুটিৰ কথা উল্লেখ কৰি অলপ আনন্দবোধ কৰা দেখিছো। ইয়াত ব্যক্তিগতভাবে বিভিন্ন অসুবিধাবোৰ উন্নুকিয়াওতে এই কথাবিলাক আমাৰ মনলৈ অহাত দেখিছো নতুন কথা অকনো হোৱা নাই। যোৱা ৩০ বছৰে শিক্ষাৰ বাবদ অন্যান্য শিতানত এই ধৰণৰ অভিযোগ পোৱা কথাবিলাকেই আজি আকৌ কানত পৰিছে। আমাৰ দেশখনত আমাৰ শিক্ষাবীদ সকলে বিভিন্ন দিশত পৰামৰ্শবোৰ বিভিন্ন সময়ত কমিটি বিলাকৰ জৰিয়তে চৰকাৰৰ ওচৰত দাঙি ধৰিছে। আৰু এই পৰামৰ্শবিলাক চিন্তাশীল লোক সকলেই কৰিছে কাৰ্য্যকৰী ক্ষেত্ৰত অসুবিধাবিলাক যদি বিবেচনা কৰি চোৱা যায় আমাৰ মনলৈ এইটোয়ে আহে যে এখন দেশ গঢ়িবৰ কাৰণে মৌলিক এটা নীতি গ্ৰহণ নকৰাৰ ফলতে এনেধৰণৰ অসুবিধা বিলাক আৰু ভূল ত্ৰুটি বিলাক হৈ আছে। যোৱা বছৰত শিক্ষা বিষয়ত যিবিলাক কাম আমি দেখিছো তাৰ পৰা মনলৈ আহে যে সচাকৈয়ে আমি মূল কথা বিলাক পাহৰিছো। দেশ এখনত এজন মানুহক বহুৱাই থলেই সেই মানুহজন চৰকাৰ নহয় আজি গোপাল বৰবৰাৰ চৰকাৰ চলা নাই। সেইদৰেই শিক্ষা বিষয়ত কেবল লক্ষ্য চৌধুৰীবেই শিক্ষাৰ জগত হব নোৱাৰে। আমি যিকোনো কথাই নকওঁ কিয় সেইকথা দায়িত্ব লৈ কব লাগিব। আৰু সেই দায়িত্বটো দলীয় চৰকাৰৰ সাঁচত হব লাগিব। সেই কাৰণে মই কব খুজিছো যে আমাৰ দেশখনত আদৰ্শ আৰু

বাস্তৱৰ সংঘাট ঘটিছে। এই সংঘাট দূৰ কৰিব নোৱাৰিলে আমাৰ জনসাধাৰণে ভবাৰ কাম হব নোৱাৰে। এই শিক্ষা বিভাগটো আমি এটা নিস্কলঙ্ক অনুস্থান বা প্ৰতিস্থান হিচাবে গঢ়িব লাগিব। দুখৰ বিষয় যে আমি ভুক্তভোগী সকলে দেখিবলৈ পাইছো যে দুৰ্নীতিয়ে জনসাধাৰণৰ বিশ্বাস, মনিষি সকলৰ আকাংশা সকলোবোৰ ধুলিস্যাত কৰিছে। শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে দুৰ্নীতি আহি পৰিছে। এই বিষয়ত আমি বুজিম যে, আমাৰ দেশখনৰ আদৰ্শত এই শিক্ষানুস্থান বিলাক চলা নাই। জনতা চৰকাৰে দেশত সমাজবাদ, গণতন্ত্ৰ প্ৰতিস্থা কৰিম বুলি প্ৰতিজ্ঞা কৰিছে। গতিকে সেই আদৰ্শৰে আমি এই বিভাগবিলাক চলাবৰ কাৰণে প্ৰতিজ্ঞা কৰিব লাগিব। যোৱা বছৰবিলাকত যিবিলাক ঘটিছিল সেইবিলাক কেনেকৈ ঘটিল কোৱাৰ প্ৰয়োজন নাই। কিন্তু অতীতত কৰি অহা কাম বিলাকৰ কিছু পৰ্য্যালোচনা কৰিব লাগিব। অতীতত কৰা কাম বিলাকৰ যিখিনি ভাল সেইখিনি আহৰণ কৰিব লাগে আৰু যিখিনি ভুল হৈছে সেই ভুল নকৰাৰ কাৰণে পৰ্য্যালোচনা কৰি চোৱাৰ দৰকাৰ। অতীতত আমি দেখিবলৈ পাইছো যে ৰাস্তাৰ কাষে কাষে থকা স্কুল বিলাক দেখনীয়াৰ কৰিবৰ কাৰণে কিছুমান টকা পইচা দিয়া হৈছিল। পকা ৰাস্তাৰ কাষে কাষে থকা স্কুলবিলাক দেখিয়েই আমি দেশ এখনৰ প্ৰগতি হৈছে বুলি কব নোৱাৰো। কাৰণ সেইখিনিয়েই অকল দেশ নহয় আৰু সেইখিনিয়েই অকল মানুহ নহয়। দেশৰ ভিতৰত থকা জনসাধাৰণৰ স্বাৰ্থৰ কথা আমি মনলৈ আনিব লাগিব। আগৰ চৰকাৰে জনসাধাৰণৰ স্বাথৰ কথা ভবা নাছিল। জনতা চৰকাৰৰ দিনত জনসাধাৰণে পুৰণা যি দুৰ্গতি ভুগিছিল তাৰ পৰা অব্যাহতি পাব বুলি ভাবিছো। এখন দেশৰ শিক্ষাব্যৱস্থাৰ উন্নতি কৰিবলৈ হলে তলৰ

পৰা গঢ়িব লাগিব। প্ৰাথমিক শিক্ষা ব্যৱস্থাটো আদৰ্শগত ভাবে গঢ়ি তোলাৰ সিদ্ধান্ত হব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাটো সুন্দৰ ভাবে গঢ়িবৰ কাৰণে অসমত কিছুমান প্ৰশিক্ষণৰ ব্যৱস্থা আছে, ট্ৰেইনিং স্কুল আছে। এই ট্ৰেনিং স্কুল বিলাকৰ অৰ্থ কেৱল চাকৰি পাবৰ কাৰণে হব নালাগে। এজন শিক্ষকক প্ৰশিক্ষণ লবলৈ পঠোৱাৰ অৰ্থ হল তেওঁ প্ৰশিক্ষণ লৈ যি জ্ঞান আহৰণ কৰে তাৰ দ্বাৰা শিক্ষা ব্যৱস্থাটো গঢ়ি তুলিব। ময়ো এজন প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক আছিলো। মোৰ অভিজ্ঞতাৰ পৰা কব পাৰো যে প্ৰশিক্ষণ লৈ যি জ্ঞান লাভ কৰা যায় তাক বাস্তবত কাৰ্য্যকৰী কৰিবৰ কাৰণে যি সুযোগ লাগে সেই সুযোগখিনি যোৱা ৩০ বছৰে শিক্ষক সকলক দিয়া নাই মই নকওঁ যে শিক্ষক সকলে পোৱা অভিজ্ঞতা খিনি কাৰ্য্যত প্ৰয়োগ কৰিবলৈ আগ্ৰহ নাই। তেওঁলোকে পাব লগা ন্যুনতম সা-সুবিধা খিনি চৰকাৰে নিদিয়ে। চৰকাৰৰ পৰা ডি, আই লৈ গাইড লাইন পঠিয়াইছে যে নৰ্ম্মান পাছ শিক্ষক সকলেহে চাকৰীৰ সুযোগ পাব লাগিব। এই হুকুম দিয়াৰ অধি-কাৰটো কত পালে মই প্ৰশ্ন কৰিব খুজিছো। প্ৰাথমিক স্কুলৰ শিক্ষক এজনে ট্ৰেইনিং লোৱাৰ পিচত স্কুলত গৈ কি কৰিব সেই-কথা চোৱাৰ দৰকাৰ। সেই কাৰণে মই কব খুজিছো যে আদৰ্শৰ লগত কাৰ্য্যৰ সংহতি হোৱা নাই। হবৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। মহাত্মা গান্ধীৰ আদৰ্শমতে ক্ষমতা বিকেন্দ্ৰীকৰণত প্ৰতি-জ্ঞাবদ্ধ হবলৈ হলে শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত সমাজৰ প্ৰত্যেক স্তৰত কোনো ধৰণৰ বিভেদ নীতি থাকিব নোৱাৰিব। সকলো শ্ৰেণীৰ মানুহে সমানে সুবিধা লাভ কৰিবলৈ অধিকাৰ পাব লাগিব। আজি যি সকলৰ ধন আছে, সমাজত প্ৰতিস্থা লাভ কৰিছে সেই-সকলৰ লৰা-ছোৱালী বিলাকক উন্নত ধৰণৰ শিক্ষা দিবৰ কাৰণে

সুবিধা হৈছে। নগৰ চহৰত তেনেকুৱা ধৰণৰ মণ্টেচৰী স্কুল গঢ়ি উঠিছে। গাওঁত মণ্টেচৰী শিক্ষা লাভ কৰাৰ কি অসুবিধা হৈছে? গাওঁত কিয় মণ্টেচৰী স্কুল হব নোৱাৰে? এজন ধনী মানুহৰ লৰাই যেতিয়া এখন এম্বেচেদৰ গাড়ীত চচমা, হাতঘড়ী আৰু ধুনীয়া চোলা পিন্ধি যায় সেইটো দেখি আমাৰ গাওঁৰ লৰায়ো বেলী চাইকেলত ঘুৰি ফুৰাৰ আকাংখ্যা কৰাতো দোষৰ কথা হব নেকি? নগৰ চহৰত ধুনীয়া পোচাক পিন্ধি লৰা-ছোৱালীক কন্‌ভেণ্টলৈ যোৱা দেখি আমাৰ দুখীয়া-নিচলা লৰা-ছোৱালী বিলাকেও তেনে স্কুলত পঢ়িবৰ আকাংখ্যা কৰাতো পাপ হব নেকি? আমাৰ যি প্ৰায় ৭০ কোটি টকা শিক্ষা ব্যৱস্থাত খৰচ কৰা হব সেই টকা খৰচ কৰোতে চাব লাগিব যাতে সকলো মানুহে সমান সুবিধা পায়।

মই এম, এল, এ, হোৱাৰ পিচত এটা কথা লক্ষ্য কৰিছোঁ যে চৰকাৰে ঘোষণা কৰিলে যে হায়াৰ চেকেন্দাৰী স্কুল কিছুমান নতুনকৈ গঢ়ি তোলা হব আৰু কিছুমান চাইন্স কলেজো খোলা হব। কিন্তু এই দুই তৰপীয়া স্কুল ব্যৱস্থা মই নিজে এজন উচ্চতৰ মাধ্যমিক স্কুলৰ শিক্ষক হিচাবে হোৱা অভিজ্ঞতাৰ পৰা কওঁ যে এই সকলো হায়াৰ চেকেণ্ডাৰী স্কুলবিলাক উঠাই দিব লাগে। কাৰণ এই দুটাৰ মাজত এটা ডাঙৰ ব্যৱধান আছে। হাইস্কুলত দশম শ্ৰেণীলৈকে আছে আৰু বাকী দুটা শ্ৰেণী একাদশ আৰু দ্বাদশ এই শ্ৰেণী দুটা হায়াৰ চেকেন্দাৰীত একে প্ৰসাশন আৰু একেজন প্ৰিঞ্চিপালৰ অধিনতে থাকে। নামত এখন হলেও ইয়াৰ মাজত যি দুইতৰপীয়া শিক্ষা ব্যৱস্থা চলি আছে এই ব্যৱস্থাই শিক্ষক ও ছাত্ৰৰ মাজত এক মানসিক সংঘাটৰ সৃষ্টি কৰিছে। হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষক এজন অনুপস্থিত থাকিলে হাইস্কুলৰ শিক্ষক এজন

যদি সেই ক্লাচলৈ পঠোৱা হয় তেন্তে ছাত্ৰ সকলে আহি আপত্তি কৰে যে তেওঁ ছাত্ৰৰ মাজলৈ যাব নোৱাৰে। এইটো বৰ দুভাৰ্গ্যৰ কথা। আনহাতে প্ৰশাসন একে হোৱাৰ ফলত যদি একে ইউনিফৰ্ম পিন্ধিবলৈ কোৱা হয় তেন্তে হায়াৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ সকলে নিপিন্ধে আৰু কয় আমি কলেজৰ ছাত্ৰ। এনে ধৰণেৰে এটা মানসিক সংঘাটৰ সৃষ্টি হয়। উপাধ্যক্ষ মহোদয়, আন এটা মন কৰিব লগা কথা হৈছে যে হায়াৰ চেকেণ্ডাৰী স্কুলৰ কাৰণে যি কোৱালিফাইদ শিক্ষক বিচৰা হৈছে সেই শিক্ষক পোৱা নাযায়, বিশেষকৈ ইংৰাজী শিক্ষক পোৱা নাযায়। বহু ঠাইৰ পৰা বহুতো আহি আমাক কব যে আপুনি দয়া কৰি কিবা এটা কৰি দিয়ক। বিধায়ক হিচাবে কিবা এটা কৰি দিব নোৱাৰিলেও লেঠা। একেখন স্কুলৰ মাজতে যাতে ছাত্ৰ আৰু ছাত্ৰৰ মাজত আৰু শিক্ষক শিক্ষকৰ মাজত মানসিক সংঘাট নঘটে তাৰবাবে আমাৰ এই পৰামৰ্শ যাতে শিক্ষামন্ত্ৰী মহোদয়ে মনত ৰাখে। মই আগতে কৈছো যে জনতা চৰকাৰৰ যি মুল নীতি সেই নীতিৰ লগত ৰক্ষিতা থুৱাই চৰকাৰে ব্যৱস্থা লয়। সকলো মানুহেই সমান সুযোগ সুবিধা পাব লাগিব। মোৰ দ্বিতীয় দাবী হৈছে এই যে প্ৰাথমিক স্কুলবিলাক একেটা স্তৰতে গঢ়ি তুলিব নোৱাৰিলে আমাৰ মানুহে সমান সুযোগ পাব নোৱাৰিব। কনভেণ্ট স্কুলবিলাক বন্ধ কৰি উঠাই দিব লাগে। এজনীয়া শিক্ষকৰ প্ৰাথমিক স্কুলৰ বিষয়ে আমাৰ কেইবাজনো মাননীয় সদস্যই কৈ গৈছে। ছাত্ৰ সকলক ৰখাৰ বাহিৰে স্বৰূপতে এইবিলাকত আন একো হোৱা নাই। কাৰণ শিক্ষকজনৰ অনুপস্থিতিত মেনেজিং কমিটীৰ সভাপতিয়ে স্কুল চলাব লাগে নাইবা স্কুলৰ কেপ্তেইনজনে ছাত্ৰক পঢ়ুৱাব লাগে। এই ব্যৱস্থা সোনকালে দূৰ কৰিব লাগে।

মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী উভয়ে কৈছে যে ছহেজাৰ শিক্ষক লোৱা হব। এই ঘোষণা শুনাৰ পিচত মোৰ ওচৰলৈ অহাৰ নিচিনাকৈ আন আন মাননীয় সদস্য সকলৰ ওচৰলৈও হয়তো অনেক দৰ্খাস্ত আহিল। উপাধ্যক্ষ মহোদয়, ময়ো এলিমেণ্টৰী বৰ্ডৰ এজন চেয়াৰমেন। মহকুমা পৰিষদৰ চেয়াৰমেন বুলি মোলৈ এখন দৰ্খাস্ত আহিল, মই নোট লিখি সেইখন মহকুমা পৰিষদৰ উপ পৰিদৰ্শকলৈ পঠাই দিলো। কিন্তু তাৰ একো কাম নহল। মানুহে ভাবিছিল ইলেমেণ্টৰী এডুকেশ্যনৰ এডভাইচৰি বৰ্ডৰ চেয়াৰমেন জন শিক্ষা পৰিষদৰ উপপৰিদৰ্শকজনৰ ওপৰৰ বিষয়া। কিন্তু বাস্তৱত সভাপতি জন উপপৰিদৰ্শকৰ তলতীয়া হল। এইদৰে ৰাইজৰ এজন প্ৰতিনিধিক সমাজৰ মাজত কিয় এনেদৰে অৱমাননা কৰা হৈছে? উপাধ্যক্ষ মহোদয়, এইটো অতি পৰিতাপৰ বিষয়। আমি আশা ৰাখিছিলো জনতা চৰকাৰ হোৱাৰ পিচত আগৰ পইচা খোৱা কাহিনীৰ ওৰ পৰিব, কিন্তু দুই তিনি মাহৰ পিচত দেখা গল এই সভাপতিজন ডি, আই আৰু এ চ, আইৰ তলতীয়া কৰ্মচাৰী, এইটো কিয় হৈছে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি কয় যেন। আমাক এডভাচৰি বৰ্ডৰ চেয়াৰমেন নকৰিলেও এই বৰ্ডৰ মেম্বাৰ নহলেও আমি ৰাইজৰ প্ৰতিনিধি হিচাবে তেওঁলোকক পৰামৰ্শ দিয়াৰ অধিকাৰ আমাৰ আছে। কিন্তু চেয়াৰমেন যদি নাপাতিলে হয় তেন্তে এই অধিকাৰৰ পৰা আমি বঞ্চিত নহলোহেতেন। কিন্তু মেম্বাৰ বা সভাপতি পাতি ডেকা ডেকা ল'ৰা বোৰৰ আগত আমাক ডেপুটি ইন্সপেক্টৰৰ তলত ৰখাৰ ব্যৱস্থা কিয় কৰা হয়? বিষয়া সকলৰ ক্ষমতা হ্ৰাস হব, এই ভয়তে এনে কৰা হল নেকি?

(ধ্বনী :— এই নিৰ্দেশ কাহিলীপাৰাৰ পৰা আহিল নেকি?)

বহুতৰ দৰে মই কিন্তু কাহিলীপাৰাৰ বিষয়া সকলক দোষ দিব খোজা নাই। নিশ্চয় মন্ত্ৰী মহোদয়ে জনতা চৰকাৰৰ যি আদৰ্শক বৰ্ত্তমানৰ যি বাস্তৱ অভিজ্ঞতা তাৰ লগত সঙ্গতি ৰাখি কাম কৰিবলৈ চিন্তা কৰিব। এই খিনিতে মোৰ আন এটা দাবী হৈছে এই যে সকলো ছাত্ৰই শিক্ষা লাভৰ সমান সুযোগ পাব লাগে, কিতাপ-পত্ৰ যাতে সময়মতে কিনিব পাৰে তাৰ সুবিধা হব লাগে। কিন্তু এই ব্যৱস্থা আজিও আগৰ স্তৰতে আছে, স্কুলৰ নতুন বছৰ আৰম্ভ হোৱাৰ দুই তিনি মাহৰ পিচতো আমাৰ লৰা-ছোৱালীয়ে নিজৰ অঞ্চলত পাঠ্য পুথি কিনিব নোৱাৰে। বহুতেই কৈছে যে ছাত্ৰ সকলৰ পৰা পইচা লৈ শিক্ষক সকলে এটা বেপাৰ চলাই আছে। কিন্তু তাতো তেওঁলোক ভাগৰিছে। কোনোবা অঞ্চলত কিতাপৰ ব্যৱসায়ী যদি আছেও তেওঁলোকে কয় সেই কিতাপ ছপা হোৱাই নাই। তাৰ ফলত কি হয়, সেই আঢ়ৈ টকাৰ কিতাপ আমাৰ দুখীয়া লৰা-ছোৱালীয়ে ৫ টকাত কিনিব-লগীয়া হৈছে। কিতাপৰ ক্ষেত্ৰতো কলা বজাৰ চলিছে। আৰু তাৰ্লৈ আমাৰ কণ কণ লৰা-ছোৱালী বিলাককো সুমাই লৈ গৈছে। মই আশা কৰো এইধৰণৰ ক্ষেত্ৰত মন্ত্ৰীমহোদয়ে চকু দিয়ে আৰু আদৰ্শৰ লগত সংগতি ৰাখি কাম কৰিবলৈ চেষ্টা কৰে।

আমি এটা প্ৰতিশ্ৰুতি পাইছো যে ক্ষমতা বিকেন্দ্ৰীকৰণ কৰিব। কাহিলীপাৰাৰ পৰা তেজপুৰলৈ ফাৰ্ণিচাৰ দিব লগা নহব। বিশ্বনাথ চাৰিআলিতে পাব। যোৱা বছৰ কাহিলীপাৰাতেই আছিল নে বিশ্বনাথত আছিল মই নাজানো। কিন্তু এটা কথা শুনিছো, শুনা কথা মিছা হলে মোক ক্ষমা কৰিব কাৰণ মোৰ হাতত তথ্য নাই। দিছপুৰৰ আশে-পাশে লাখ টকাৰ চকী বেঞ্চ কৰাৰ কাৰণে অৰ্ডাৰ দিয়া হৈছে সমগ্ৰ অসমৰ কাৰণে। যদি সচাকৈয়ে এইটো

কৰা হৈছে। তেন্তে এইটো বেয়া হৈছে আৰু আমি সমৰ্থন কৰিব নোৱাৰো। মই এলিমেন্টৰী বোৰ্ডৰ সদস্য হিচাবে বহুতো স্কুলক কৈছিলো যে চকী বেঞ্চ দিব পাৰিম। মই মন্ত্ৰীৰ প্ৰতিশ্ৰুতি পাই এডভাইচৰী বোৰ্ডৰ চেয়াৰম্যান হিচাবে গাৱেঁ ভুৱেঁ কৈছিলো যে নিজ অঞ্চলতে চকী বেঞ্চ কৰিবলৈ দিম। আমাৰ প্ৰতিটো ব্লকতে প্ৰাথমিক শিক্ষকসকলৰ একোটা কেন্দ্ৰ আছে। এই কেন্দ্ৰই কেন্দ্ৰই আমি ফাৰ্ণিচাৰ কৰাম আৰু যিবিলাক ডেকা নিবনুৱা আছে যিবিলাকক কুটীৰ শিল্পৰ জৰিয়তে সংস্থাপন কৰিব পাৰিম তেওঁলোকক আমি সংস্থান দিম। তেওঁলোকৰ দ্বাৰা ডেস্ক, বেঞ্চ কৰাম। কিন্তু মই আজি ৰাইজৰ ওচৰত মিছলীয়া হলো। তাৰ উত্তৰ কোনে দিব? কাৰ দোষত মিছলীয়া হলো?

(ভইচেচ: অহা বছৰলৈ দিব)

অহা বছৰলৈ দিব পাৰিলেও ৰক্ষা। সাধাৰণ নিৰ্বাচনৰ পিচৰে পৰা ৰাইজৰ মোৰ প্ৰতি যিটো মৰম আৰু বিশ্বাস আছিল সেইটো নোহোৱা হৈ গৈছে। মই তিনি হাজাৰ টকা খৰচ কৰি ১২ হাজাৰ ভোট পাইছো কিন্তু মন্ত্ৰীয়ে ৬০ হাজাৰ টকা খৰচ কৰিও হাৰি গৈছে। তিনি হেজাৰ টকাৰে ১২ হাজাৰ ভোট পোৱাৰ যিটো মৰম সেইটো আজি নষ্ট হৈছে।

(সদনত হাঁহিৰ ৰোল)

আন এটা কথা, জনতা চৰকাৰ অহাৰ পিচত আমি সমাজৰ সেৱক হিচাবে শিক্ষক সকলৰ লগত আমাৰ সম্বন্ধ আছে। মই গোটেই জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ সভাপতি আছিলো। ষ্টেট কমিটিতো ১২ বছৰ একে লেঠাৰিয়ে মেম্বাৰ আছিলো। আমিও

আন্দোলন কৰিছিলো। দুখৰ বিষয় আজি যি আন্দোলন হৈছে এই আন্দোলনৰ দ্বাৰা শিক্ষকসকলৰ সন্মান সেই সন্মান ৰাখিব পৰা নাই। আজি তেখেত সকলে ইনক্লাব জিন্দাবাদ ধ্বনি দি ৰাস্তাত ঠিয় হৈছে। মই ভাবো তেখেত সকলৰ এইটো ভুল হৈছে।

( সদনত হাঁহিৰ ৰোল সদস্যৰ কথা লিপিবদ্ধত কৰাত অসুবিধা হয় )

কিন্তু এই ভুল কালিৰ নহয়। তেখেত সকলে ধৰ্না দিবলৈ বাধ্য হৈছে। তেখেত সকললৈ মোৰ সহানুভূতি জনাইছো। যদিও তেখেত সকলে ৰাস্তাত থিয় হৈ ইনক্লাব জিন্দাবাদ ধ্বনী দিয়াটোত সমৰ্থন কৰা নাই। এইটো যোৱা এক বছৰত আমাৰ যি শিক্ষা পৰিষদ আছে, আমাৰ যি শিক্ষা মন্ত্ৰণালয় আছে এই সকলৰ কুচক্ৰৰ ফলত তেওঁলোক আজি ৰাস্তাত থিয় হব লগা হোৱা নাই। আজি ৩০ বছৰে যি কুচক্ৰ শিক্ষা বিভাগত হ'ল তাৰ ফলতেই শিক্ষক সকলে বাধ্য হৈ ৰাস্তত ধৰ্না দিবলগীয়া হৈছে। এইটো দুৰ্ভাগ্যৰ বিষয়।

( ভইচ : আৱাজ ভাল হোৱা নাই। )

আৱাজ ভাল হোৱা নাই। তেওঁলোকৰ নাৰ্য্য প্ৰাপ্য পোৱাৰ যি অধিকাৰ সেইটো আমি দিব লাগিব। এই ক্ষেত্ৰত মই এটা কথা কম আজি দেশৰ শিক্ষকসকল, ছাত্ৰসকল, চৰকাৰী বিষয়া সকল, চৰকাৰী যিসকল ডাঙৰ ডাঙৰ বিষয়া আছে, যিসকলে হাজাৰ হাজাৰ টকা দৰমহা পায় তেওঁলোকৰ ক্ষেত্ৰতো এইটো হৈছে। কাৰণ তেওঁলোকে বিচৰাখিনি পোৱা নাই। এইটো চালি জাৰি চাই এটা কথালৈ আহিব পাৰো। বহুত টকা খৰচ কৰি গাড়ী ভাৰা কৰি দিছপুৰলৈ আহি কেইজনমানে ধৰ্না দি স্বাৰ্থ পূৰণ কৰিব

কিন্তু যিসকল মানুহ দিছপুৰলৈ আহি অনশন কৰিব নোৱাৰে, গাওঁতে তিল তিলকৈ মৰিছে ঘৰতে অনশন কৰি আছে এই শ্ৰেণীৰ মানুহৰ কাৰণে কওঁতা কোনো নাই। এই চাম মানুহৰ কাৰণে কোৱা মানুহ ওলাব লাগিব। যি চাম মানুহে ইয়াত আহি অনশন কৰিব নোৱাৰে, সেই চাম মানুহে নিজৰ ঘৰতে অনশন কৰি আছে। আজি লাখ লাখ শিক্ষিত ডেকাই ঘৰতে অনশন কৰিছে। গাওঁত খেতিয়কে অনশন কৰিছে। সেই সকলৰ কথা ভাবিব লাগিব। গতিকে আমি আদৰ্শৰ লগত ৰজিতা খুৱাই কাম কৰিব লাগিব। এখন গাওঁত যদি এজন উপযুক্ত মেট্ৰিক পাছ লৰা থাকে আৰু তেওঁৰ ঘৰত যদি কোনো চাকৰীয়াল নাথাকে তেতিয়াহলে গাওঁৰ স্কুলৰ খালি হোৱা পদটো তেওঁকেই দিব লাগিব। কিন্ত যিখন ঘৰত চাৰি জন মানুহে শিক্ষকতা কৰে, সেইখন ঘৰৰ লৰাক শিক্ষকৰ পদ যচাটো সমৰ্থন কৰিব নোৱাৰো। আজি ডি, পি, আই, মহোদয়ৰ গাইড লাইন পুৰি পেলোৱা দৰকাৰ। যিখন ঘৰত চাৰিজনে শিক্ষকতা কৰিছে এই গাইড লাইনৰ দ্বাৰা সেই ঘৰৰে এজনে চাকৰী পোৱা সুবিধা হব। এখন ঘৰৰ গিৰিয়েক শিক্ষক, ঘৈণিয়েক শিক্ষক, ভনীয়েক শিক্ষক। তেওঁলোকৰে ভায়েকঃকো নিযুক্তি দিব লাগিব কাৰণ তেঁৱো নৰ্ম্মাল বা বেচিক পাচ কৰি আছে। কিন্তু যিখন ঘৰত এজনো শিক্ষক বা আন চাকৰী কৰা লোক নাই অত্যন্ত গৰীৱ তাত এজন মেট্ৰিক পাচ লৰা আছে তেওঁক চাকৰী দিয়াৰ অধিকাৰ আমাৰ নাই। তেনে লৰাৰ দৰ্খাস্ত ডি আই ডাওৰীয়াই দলিয়াই পেলায়।

( ভইচ : চেম চেম। )

গতিকে ইয়াত আদৰ্শৰ সংকট ঘটিছে। আমি আদৰ্শৰ লগত ৰক্ষিতা খুৱাই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। শিক্ষা বিভাগত যিবিলাক ত্ৰুটি আছে সেইবিলাক গুচাই নিকা কৰিব লাগিব। আমাৰ শিক্ষা বিভাগটো যাতে সকলো প্ৰকাৰে দুৰ্নীতি মুক্ত হয় তাকে শিক্ষামন্ত্ৰীৰ ওচৰত অনুৰোধ জনাই আৰু শিক্ষা সম্পৰ্কত যিটো মঞ্জুৰী দাবী আহিছে এইটোক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীনৰেণ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত শিক্ষা খিতানত যি গ্ৰাণ্টৰ দাবী আমি দেখিবলৈ পাইছো তাৰ ওপৰত এটা সমালোচনা আগবঢ়াব বিচাৰিছো। যোৱা বাজেট অধি-বেশনত ৰাজ্যপালৰ ভাষণ আৰু বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাতো স্পষ্ট ভাৱে লিখা হৈছিল যে প্ৰতি খন স্কুল নথকা গাওতে অন্ততঃ একোখনকৈ প্ৰাথমিক স্কুল খোলা হব। কিন্তু আজি এটা বছৰ পাৰ হৈ গ'ল ৰাজ্যৰ কোনো ঠাইতে এখনো স্কুল খোলা উদা-হৰণ আমি দেখিবলৈ নাপালো। অতি দুখৰ কথা। ষষ্ঠ বিধান সভাৰ এটা বছৰ পাৰ হৈ গল। পাচ ভাগৰ এভাগ বছৰ পাৰ হৈ গৈছে আৰু ঘোষিত নীতিৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত যিটো ব্যৰ্থতা দেখিবলৈ পাইছো সেইটোৱে জনসাধাৰনক হতাশাগ্ৰস্ত কৰিছে আৰু শিক্ষাৰ ক্ষেত্ৰত জনতা চৰকাৰে কি ধৰণৰ পদক্ষেপ লব তাৰ এটা হতাশ ব্যঞ্জক ছবিহে ৰাইজৰ সকলোৱে লবলৈ বাধ্য হৈছে। অতি দুখ লগা কথা হৈছে এইটো যে: "Study and programme for 1978-80,"

পেজ চল্লিশত লিখা আছে During the year 1978-79 unties emphasis has been given for all round

improvement of rural elementary schools and also reduction in mushroom growth of new schools.

দুয়োটা সম্পূর্ণ বিপৰীত উক্তি। এফালে কোৱা হৈছে গ্ৰাম্য প্ৰাথমিক শিক্ষা সম্পৰ্কে উন্নয়ণত জোৰ দিয়া হব আৰু গুৰুত্ব দিয়া হব আৰু লগে লগে কৈছে যে বেংছাটাৰ নিচিনা যাতে স্কুল বৃদ্ধি হব নোৱাৰে তাৰ ব্যৱস্থা কৰা হব। কি অৱস্থা? যিখন দেশত তিনিজন লোকৰ ভিতৰত দুজন নিৰক্ষৰ সেইখন দেশত বেংছটাৰ নিচিনা স্কুল বৃদ্ধি হোৱাৰ কথা কৈ নতুন স্কুল প্ৰতিস্থা হোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা হব। এইটো কথা উল্লেখ কৰা মানেই হল প্ৰকৃততে নতুন স্কুল নিৰ্ম্মাণ কৰাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা হাতত লোৱা নহয়। লগতে লিখা হৈছে। "either been decided in principle to cover all schoole and colleges, atleast one primary school on priority basis."

এবছৰ পিচত প্লান এচিভম্যাণ্টত দেখুৱা হৈছে যে নীতি-গত ভাৱে একোখন স্কুল অন্ততঃ স্কুল নোহোৱা গাওঁত নিৰ্ম্মাণ কৰা হব। এইটোও নীতিগত হিচাবেহে গ্ৰহণ কৰিছে। এই নীতিগত হিচাবে গ্ৰহণ কৰিব এই কথাটো ইয়াতেই সীমবদ্ধ হল যে ইয়াৰ দ্বাৰা চৰকাৰৰ বিঘোষিত নীতি বা কৰ্ত্তব্য পালন নকৰাৰ অজু-হাতহে এই শব্দ দুটা সোমাই দিয়া হৈছে। কিন্তু যোৱা বাজেট অধিবেশনত ৰাজ্যপালৰ ভাষণ বা বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত এই নীতিগত কথাটো সোমাই দিয়া হোৱা নাছিল। তাত সন্নিবিষ্ট কৰা হোৱা নাছিল। এই বছৰৰ ভিতৰত দেখিলো যে কেৱল নীতিগত কথাটোহে সোমাই দিয়া হ'ল আৰু ইয়াৰ দ্বাৰা শিক্ষা

বিভাগত যে চূড়ান্ত ভাৱে ব্যৰ্থ হৈছে আৰু বিঘোষিত নীতি কাৰ্যাকৰি কৰিবলৈ ব্যৰ্থ হৈছে সেইটো ঢাকি ৰাখিবলৈ এই শব্দ দুটা সোমাই দিয়া হৈছে। কিন্তু এটা কথা মই উল্লেখ কৰিব খোজো যে আমাৰ সংবিধানৰ ৰাষ্ট্ৰ নিৰ্দ্দেশিকা নীতিত লিখা আছেঃ—
"Provision for principal and compulsory education for children is specially devoted only to provide for a period of 10 years from the commencement of this Constitution for free and compulsory education for Children untill they complete the age of 14 years".

সুন্দৰ ধুনীয়া কথা। ১৯৫০ চনত সংবিধান গৃহীত হল। ১৯৬০ চনৰ ভিতৰত চৈধ্য বছৰীয়া লৰা-ছোৱালীক বিনামূলীয়া বাধ্যতামূলক শিক্ষা দিয়াৰ কাৰণে সংবিধানত অনুচ্ছেদ সন্নিবিষ্ট কৰা হৈছে হয় কিন্তু বৰ কৌশলেৰে কেৱল সোমাইহে ৰখা হৈছে। লিপিবদ্ধ কৰি ৰখা হৈছে ডিৰেকটিভ প্ৰিন্সিপ'ল অব ষ্টেট পলিচিত। যি নীতি কাৰ্য্যকৰী নকৰিলে কিন্তু কোনো চৰকাৰ দায়ী নহয়। যি নীতি কাৰ্য্যকৰী নকৰিলে আইনৰ দ্বাৰা তাৰ সুফল লাভ কৰিবলৈ কোনো ব্যৱস্থা নাই। আৰু এই ৰাষ্ট্ৰ নিৰ্দ্দেশিকা নীতিৰ তলত এই অনুচ্ছেদ সোমাই দিয়াৰ দ্বাৰা প্ৰকৃত কৰ্ত্তব্য বা দায়িত্ব পালনৰ পৰা আঁতৰি গৈছে। যদি এইটো মৌলিক অধিকাৰত সংশ্লিষ্ট কৰিলেহেতেন যদি মৌলিক অধিকাৰত অন্তৰ্ভুক্ত কৰিলেহেতেন তেনেহলে প্ৰাথমিক শিক্ষা দিবলৈ চৰকাৰ বাধ্য থাকিলহেতেন আৰু প্ৰাথমিক শিক্ষা নিদিলে চৰকাৰ দায়ী হলহেতেন। কিন্তু ৰাষ্ট্ৰ নিৰ্দ্দেশিকা নীতিত লিপিবদ্ধ হোৱা কাৰণে চৰকাৰ আঁতৰি যাবলৈ সুৰুঙা পাইছে। ঠিক একেই সুৰঙা ৰাজ্যিক চৰ-

কাৰে নীতিগত ভাবে স্কুল নোহোৱা গাওঁত একোখনকৈ স্কুল প্ৰতিস্থা কৰা হব বুলি কৈ সুন্দৰ ভাবে পুলুকা মৰাৰ ব্যৱস্থা কৰিছে। ভাবিছে যে জনসাধাৰনৰ বোধশক্তি সীমিত, জ্ঞানশক্তি সাধাৰণ। তেখেতসকলৰ মেৰপাক বুজি পোৱাৰ পৰা বহুত দূৰত আছে। আজি একত্ৰিশ বছৰ ধৰি এই ধৰণে কাম কাজ কৰি আহিছে। জনতা চৰকাৰেও সুন্দৰ সুন্দৰ কথা কৈছে। প্ৰতিশ্ৰুতি আছিল। প্ৰতিশ্ৰুতি পালন কৰাৰ কিন্তু বাস্তৱ ক্ষেত্ৰত ব্যৱস্থা হাতত লোৱা নাই।

অধ্যক্ষ মহোদয়, মই অসমৰ স্বাক্ষৰতাৰ হিচাব দাঙি ধৰিব বিচাৰিছো। অৰ্থনৈতিক পৰিসংখ্যা ডিচেম্বৰ ১৯৭৮ চন। লোক পিয়ল অনুসৰি ১৯৬০-৬১চনত ২৬'৯৮ শতাংশ, ১৯৭৭-৭৮ চনত গৈ হৈছে ২৮'14 জন। ১৯৭৮-৭৯ চনৰ হিচাব পোৱা নাই। ১৯৬০-৬১ চনৰ পৰা আজি যোল্ল সোতৰ বছৰৰ ভিতৰত মাত্ৰ বাঢ়িছে ১'১৬ শতাংশ। স্বাক্ষৰতাৰ এয়েই নজীৰ। পাচটা পৰিকল্পনা অতিক্ৰম হোৱাৰ পিছত ষষ্ঠ পৰিকল্পনাৰো এটা বছৰ অতিক্ৰম হোৱাৰ পিচত আজি ৰাজ্যৰ সাক্ষৰতাৰ ছবি হৈছে এইখন। অৰ্থাৎ বেংছাটাৰ নিচিনা যাতে স্কুল নিৰ্ম্মিত হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা চৰকাৰে হাতত লৈছে। ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ স্কুল প্ৰতিস্থা কৰি জনসাধাৰণক স্বাক্ষৰ কৰা মৌলিক দায়িত্বৰ দ্বাৰা চৰকাৰ আঁতৰি থকাৰ বাহিৰে আন একো নহয়। বিভিন্ন বিভাগত বিষয়া সকল বহি আছে। শিক্ষা বিভাগৰ নিচিনা এটা পবিত্ৰ বিভাগ। চাৰিওপিনে কেৱল ওজৰ-আপত্তি। চুড়ান্ত অপবিত্ৰতাত পৰিণত হৈছে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত কোনো নীতি নিয়ম নাই। নীতি নিয়ম মানি চলা নাই। কিছুমান ন্যস্ত স্বাৰ্থ,

অৰ্থনৈতিক স্বাৰ্থ, আঞ্চলিক স্বাৰ্থ, জ্ঞাতি কুটুম্বৰ স্বাৰ্থত মন্ত্ৰী সকলৰ পৰা আৰম্ভ কৰি বিষয়া সকলকো ধৰি বিভিন্ন ৰাজনৈতিক দলৰ স্বাৰ্থ পৰিপূৰণ কৰাকে কেন্দ্ৰ কৰি এই নিয়োগ ব্যৱস্থা কাৰ্য্যকৰী কৰা হৈছে কিন্তু বাস্তৱ ব্যৱস্থাত নিয়োগ নীতিৰ ক্ষেত্ৰত বিঘোষিত নীতিৰ কাষেদিও চুই যোৱা নাই।

এনেকুৱাই হৈছে যে বিভিন্ন গুণৰ দ্বাৰা যদি কৃপা লাভ কৰিবলৈ সক্ষম হয় আৰু টকা পইচা দি বিভিন্ন উপায়েৰে ওচৰ চাপিব পাৰে তেতিয়াহে নিযুক্তি পোৱাৰ যুক্তি থাকে। সেয়েহে বাটকুৰি বাই আমাৰ শিক্ষক সকলে, বিভিন্ন মানুহ বিলাকে ইয়ালৈ আহি বিভিন্ন কামত ঘূৰাঘুৰি কৰি হতাশ হৈ পৰিছে। স্কুল ভাঙি গৈছে সেইবিলাক নিৰ্ম্মাণ কৰা কোনো ব্যৱস্থা নাই। সমগ্ৰ ৰাজ্য-জুৰি-মোৰ নলবাৰী মহকুমাৰ কথাই কওঁ অন্যান্য ঠাইতো তেনে-কুৱাই হৈছে, নলবাৰীত প্ৰাথমিক স্কুলৰ অৱস্থা দুখ লগা। শত-কৰা ৯০ ভাগ স্কুলঘৰ ভাঙি পৰি আছে। ওপৰত চাল নাই থাকিবলৈ বেৰ নাই, ব্লেকবৰ্ড নাই, শিক্ষক বহিবলৈ চেয়াৰ নাই, আচঁবাব পত্ৰ একো নাই। এই অৱস্থা দেখিলে স্বাধীনতা যে ৩১ বছৰ পাৰ হৈ গল সেইটো কল্পনা কৰিব নোৱাৰি। চৰকাৰৰ নীতি আছে, স্কুল ঘৰ বিলাক মেৰামতি কৰিব লাগে। কিন্তু যোৱা ১ বছৰৰ ভিতৰত এটা স্কুলো মেৰামতিৰ কাৰণে চৰকাৰে টকা মঞ্জুৰ কৰা নাই। ধুমুহাত ঘৰ নষ্ট হৈ গৈছে। সেইবোৰ নিৰ্ম্মাণ কৰাৰ কাৰণে আবেদন কৰা স্বত্বেও কোনো মেৰামতি ব্যৱস্থা কৰা নাই। অন্যানা মহকুমাতো তেনেকুৱাই হৈছে। এনে-বিলাক কামৰ কাৰণে দিশপুৰলৈ আহি বহুত টকা পইচা নষ্ট হৈ গৈছে। কিন্তু একো ব্যৱস্থা এতিয়ালৈকে হোৱা নাই। এই নীতিৰ দ্বাৰা শিক্ষাৰ উন্নতি কেনেকৈ হব পাৰে, শিক্ষাৰ প্ৰসাৰতা কেনেকৈ

হব পাৰে সেইটো কল্পনা কৰিব নোৱাৰি। গোটেই ৰাজ্যত প্ৰাথমিক স্কুল নোহোৱা গাওঁ আছে। তিনিহাজাৰৰ বেছি এজনীয়া শিক্ষক থকা স্কুল আছে। তাৰ উপৰিও ভেন্সাৰ স্কুল আছে। নলবাৰী মহকুমাত ২১২ খন এজনীয়া শিক্ষক থকা স্কুল আছে। ১০ খন ভেন্সাৰ স্কুল আছে। ১৫০ খন গাওঁত প্ৰাথমিক স্কুল নাই। আজি এবছৰে কি ব্যৱস্থা কৰা হল? অথচ নিবনুৱা সমস্যা সমাধান কৰাৰ কথা ঘোষনা কৰিছে কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে। মোৰাৰজী দেশায়ে ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰাৰ কথা ঘোষনা কৰিছে। তেনেকুৱা যদি নীতিয়েই চলি থাকে আৰু এনেধৰণৰ স্কুলেই পৰিচালনা কৰি থাকে তেতিয়াহলে নিবনুৱা সমস্যা সমাধান কেনেকৈ কৰা হব। ২ বছৰৰ ভিতৰত ১২ লাখ নিৰনুৱা বাঢ়িল। ৰাজ্য চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বাস্তৱ অৱস্থা থকা স্বত্বেও যদি মনোযোগেৰে কাৰ্য্য ব্যৱস্থা হাতত নলয় তেতিয়াহলে এই নিবনুৱা সমস্যা সমাধান কৰা কথাটো প্ৰহসনহে আন একো নহয়। আজি কামৰূপ জিলাৰ জনসংখ্যাতকৈ কম জনসংখ্যা থকা ত্ৰিপুৰা ৰাজ্যত ১৮ লাখ জনসংখ্যাৰ ভিতৰত ৪ হেজাৰ শিক্ষক নিয়োগ কৰিছে। ইমান সৰু ৰাজ্য খনত এবছৰত ৪ হেজাৰ নিযুক্তি দিব পাৰে, দ্বাদশ মান শ্ৰেনীলৈ বিনামুলীয়া শিক্ষা অৱলম্বন কৰিব পাৰে অথচ আজি অসমত এবছৰেও ঘোষিত নীতি লোৱাৰ পিচতো এজনো শিক্ষকক নিয়োগ কৰিব পৰা নহল। এইটো জানো দুৰ্ভাগ্য আৰু পৰিতাপৰ কথা নহয়? এই অৱস্থাৰে আজি ভবিষ্যতৰ পদক্ষেপ জনতা চৰকাৰে শিক্ষাৰ ছবি দাঙি ধৰিছে। সেইকাৰণেই আজি জনতাদলৰ পক্ষৰ পৰা চাঁফহুইপেও আক্ষেপ কৰিবলৈ বাধ্য হৈছে বৰ দুখৰ কথা। আমি জানো যেতিয়ালৈকে আৰ্থ, সামাজিক

ব্যৱস্থাৰ মৌলিক পৰিবৰ্ত্তন নহয় তেতিয়ালৈকে বৃহত্তৰ জনসাধাৰণৰ স্বাৰ্থ আৰু শিক্ষাৰ প্ৰসাৰণ কেতিয়াও হব নোৱাৰে। কাগজে পত্ৰে যিমানেই ভাল ভাল কথা প্ৰচাৰ নহওঁক লাগে আৰ্থ, সামাজিক ব্যৱস্থা নতুন ৰূপত ৰূপায়ণ নোহোৱা পৰ্য্যন্ত ইয়াৰ দ্বাৰাই উপ-কৃত নহব। এতিয়ালৈকে যি শিক্ষা নীতি চলিছে সেইটো উপনি-বেশিক শিক্ষা নীতিৰ ধাৰাবাহিকভাৱ বাহিৰে একো নতুন বুলি কব নোৱাৰি। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাচত ডঃ ৰাধা কৃষ্ণ বিশ্ব বিখ্যাত দাৰ্শনিক ভাৰতবৰ্ষ ৰাষ্ট্ৰপতিৰ সভাপতিত্বত এখন কমিচন গঠন হয়। সেই কমিচনে ৰিপৰ্ট দাখিল কৰিছিল। এই ৰিপৰ্ট গ্ৰহন কৰা নাই বুলিলে বঢ়াই কোৱা নহব। ১৯৫২ চনত লক্ষন স্বামী মুদালিয়াৰ কমিচন গঠন হয়। এই কমিচনৰ ৰিপৰ্ট ১৯৫৬ চনত প্ৰকাশিত হয় আৰু ইয়াক কাৰ্য্যকৰী কৰিবলৈ লোৱা হৈছিল ১৯৫৮ চনত যে সকলো স্কুলকে উচ্চ মাধ্যমিক স্তৰলৈ উন্নত কৰা হব। আৰু এই কামটো ১৯৬৩ চনৰ ভিতৰত সমাপ্ত কৰা কথা আছিল। কিন্তু সেই ৰিপৰ্ট ৰূপায়ণ কৰা নহল। কৰবাত যদিও দুই এটা হল বাকী সম্পূৰ্ণ বাকী থাকিল। তাৰ পিচত আহিল কুঠাৰি কমিচন। এই কমিচনৰ ৰিপৰ্ট প্ৰকাশ হল ১৯৬৪ চনত এই ৰিপৰ্টৰ মৰ্ম্মে শিক্ষাৰ ব্যৱস্থা পুণৰ নিৰ্দ্ধাৰণ কৰিবলৈ লোৱা হল। ১৯৭৩ চনত ১০+২+৩ ফৰমুলা উলিওৱা হল। ফৰ-মুলা কেৱল ফৰমুলা। টনে টনে কাজজ ছপা হৈ ওলাল কিন্তু কথা কাৰ্য্যত পৰিণত কৰা নহল। ৰিপৰ্টৰ পৰামৰ্শ কামত পৰি-কৰা নহল। এইদৰে কমিচন গঠন কৰি কমিচনৰ ৰিপৰ্ট বিলাক ছপাই ছপাই লাখে লাখে টকা খৰচ কৰি কেনেকৈ শিক্ষাৰ ব্যৱস্থা গঢ় দিব পাৰি? আজি আমি কি দেখিবলৈ পাইছো। এই কুঠাৰি কমিচনৰ ৰিপৰ্ট শিক্ষা ব্যৱস্থা প্ৰকৃত পৰিচালনা কৰিবৰ কাৰণে কোনো ব্যৱস্থা চৰকাৰে লোৱা নাই।

বৃটিছ চৰকাৰৰ দিনতো কেইজন মান মুষ্টিমেয় মানুহক শিক্ষিত কৰি উপনিবেশিকতাৰ ভেটি সুদৃঢ় আৰু কটকটীয়া কৰিবৰ কাৰণেই এনে শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছিল, যাৰ ফলত পদলেহীৰ সৃষ্টি কৰিছিল। আজি স্বাধীনতাৰ পিচতো কংগ্ৰেছ চৰকাৰে শিক্ষা ব্যৱস্থাৰ গণতান্ত্ৰীক বিকাশক বাধা দিয়াৰ যি নীতি গ্ৰহণ কৰিছিল, বৰ্ত্তমান চৰকাৰেও তাকেই অনুসৰণ কৰিছে বুলি কলে বেছি কোৱা নহয় আৰু ধনতান্ত্ৰীক ব্যৱস্থাক অনুসৰণ কৰা বুলি কলে বঢ়াই কোৱা নহয়। ভাৰতবৰ্ষত শতকৰা ৭০ জন লোকেই অশিক্ষিত আৰু শতকৰা ৭০ জন লোকেই ভূমিহীন দৰিদ্ৰ। আজি ভূমিৰ ক্ষেত্ৰত ৫ জন মানুহৰ হাতত শতকৰা ৪০ ভাগ ভূমি কেন্দ্ৰীভূত হৈছে। শিক্ষাৰ ক্ষেত্ৰত আজি কেইজনমান লোকেহে নিজক নিজে প্ৰতিষ্ঠা কৰাৰ কাৰণেহে সুবিধা লৈছে। আৰু সেই শিক্ষাৰ সুবিধবোৰৰ ভাগ এচাম মানুহৰ লৰা-ছোৱালীয়েহে ভোগ কৰিবলৈ পাইছে অথচ লাখ লাখ কোটি কোটি জনসাধাৰণৰ কাৰণে শিক্ষা সংকোচন নীতি চলাই যোৱাৰ চেষ্টা কৰা আমি দেখিবলৈ পাইছো। আমি এই শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন ঘটাবলৈ চৰকাৰক দাবী জনাইছোঁ। আমি জানো এই শিক্ষা নীতি চলাই থাকিলে, এই সমাজ ব্যৱস্থা তুলি দিব নোৱাৰিলে শিক্ষাৰ সামগ্ৰীক বিকাশ হ'ব নোৱাৰে আৰু যেতিয়ালৈকে এই শিক্ষাৰ সামগ্ৰীক বিকাশ সাধন নহয়, তেতিয়ালৈকে শিক্ষাক এটা মৌলিক অধিকাৰ হিচাবে গ্ৰহণ কৰিব পৰা নহ'ব। আৰু সেয়ে যদি নহয়, আমাৰ চৰকাৰে বাইজক যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সক্ষম নহ'ব আৰু ৰাজ্যখনক উন্নতিৰ পথত আগুৰাই নিয়াত অসুবিধা হ'ব। শিক্ষা ব্যৱস্থা আৰু শিক্ষিত লোকৰ আজি যি কৰুণ অৱস্থা হৈছে তাক দুৰ কৰিব পাৰিলেহে দেশক উন্নতিৰ পথত আগবঢ়াই

লৈ যাব পাৰিব। এই খিনিতে মই কব খুজিছোঁ যে আজি কালি শিক্ষক সকলৰ এটা দুখৰ কথা হৈছে এই যে গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ কথা কোৱা হৈছে যদিও শিক্ষক সকলৰ কাৰণে সেইটো প্ৰযোজ্য হোৱা নাই। কাৰণ এইটো দেখা গৈছে যে চৰকাৰে যি নীতি ঘোষনা কৰিছে শিক্ষকে ন্যায্য দাবী প্ৰতিপন্ন কৰাৰ কাৰণে, কাৰ্য্যত তাৰ বিপৰীতটোহে দেখা গৈছে। উদাহৰণ স্বৰূপে আজি দৈনিক অসম আদি কাকতত বাতৰি পোৱা গৈছে যে মঙ্গলীয়া এম, ভি স্কুলৰ শিক্ষক সকলে বিভিন্ন দাবীৰ পৰিপ্ৰেক্ষিতত ২১ তাৰিখে অনশন ধৰ্ম্মঘট কৰিবলৈ সিদ্ধান্ত লৈছে। গতিকে আমি চৰকাৰক নিবেদন কৰিছোঁ যাতে এই বিলাক হোৱাৰ আগতেই শিক্ষক সকলৰ লগত এটা সু-মীমাংশা কৰি, আলোচনা-বিলোচনা কৰি দাবী পূৰণৰ যি প্ৰতিশ্ৰুতি দিছিল সেই কেইটা দাবীৰ পৰি-প্ৰেক্ষিতত অনশন যাতে কৰিব লগীয়া নহয়, তাৰ এটা আশু ব্যৱস্থা হাতত লব লাগে। এই খিনিতে মই আৰু এটা বিশেষ বিষয়ৰ প্ৰতি দৃআযাৰ কব খুজিছোঁ। সেইটো হৈছে আমাৰ সংস্কৃত টোল বোৰৰ সম্পৰ্কে। মাননীয় অধ্যক্ষ মহোদয়, এই টোল বিলাক যি ধৰণে পৰিচালনা কৰিব লাগিছিল সেই ধৰণে কৰা হোৱা নাই। এই টোলত যি সকল অধ্যাপকক নিযুক্তি দিছে সেই সকলৰ ভিতৰত ৮০ বছৰৰ ওপৰ বয়সৰো অধ্যাপক আছে। অথচ আমাৰ ৰাজ্যত বহুতো শিক্ষিত নিবনুৱা যুৱক আছে যি সকলৰ এই টোলত কাম কৰিবৰ জোখাৰে অৰ্হতা আছে। কিন্তু এই সকল যুৱকক চাকৰি দিব পৰা নাই। এই ধৰণৰ ব্যৱস্থা যাতে ৰোধ কৰিব পাৰি তাৰ এটা কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগে।

অধ্যক্ষ মহোদয়, এই টোল বিলাকত যি বিলাক চতুৰ্থ

শ্ৰেণীৰ চাকৰিয়াল নিযুক্তি দিয়া হৈছে সেই সকলৰ চাকৰি চৰকাৰীকৰণ কৰিব লাগে। কাৰণ তেওঁলোকে মত্ৰ এশ টকা দৰমহাত চাকৰি কৰি থাকিব লগীয়া হৈছে। এই চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ সংখ্যা হ'ল ৭২ জন। গতিকে মই চৰকাৰক আবেদন কৰিছোঁ যাতে এই ৭২ জন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক আন স্কুলৰ কৰ্ম্মচাৰীয়ে পোৱা সকলোখিনি সুবিধা দিয়া হয়। আৰু এটা বিষয় হৈছে মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই আৰু অন্যান্য সদস্যই এই বিষয়ে কৈছে যে কাৰোবাক এডভাইজৰী কমিটিৰ সদস্য কৰা হৈছে আৰু কোনোবা এজনক চেয়াৰমেন কৰিছে। আমাৰ প্ৰশ্ন হ'ল এই সদস্য বা ছেয়াৰমেন সকলৰ কাম কি? এইটো আমি বুজি পোৱা নাই। আজি এবছৰ হল তেওঁলোকে একো কাম কৰিব পৰা নাই। ডিৰেক্টৰ এলিমেণ্টৰী এজুকেচন আৰু ডি, পি, আইৰ অফিচলৈ শিক্ষক সকলে অহা-যোৱা কৰি থাকিব লগীয়া হয় আৰু ঘণ্টাৰ পিছত ঘণ্টা জুৰি বহি থাকিলেও অফিচাৰ সকলৰ পৰা তেওঁলোকে কোনো মাত নেপায়। মই বৰ দুখীত যে মন্ত্ৰী সকলে ৰিকমেণ্ড কৰি পঠিওৱা কাগজ-পত্ৰ বিলাকো এই অফিচাৰ সকলে নাকচ কৰি দিয়ে। আমি অৱশ্যে অফিচাৰ সকলক সন্মান কৰোঁ, শ্ৰদ্ধা কৰোঁ, তেখেত সকলৰ ওপৰত আমাৰ কোনো আক্ৰোশ নাই। কিন্তু তেখেত সকলে আমোলাতান্ত্ৰীক মনোভাব ত্যাগ নকৰিলে দেশৰ তথা জনসাধাৰণৰ উন্নতি নহ'ব। শিক্ষা বিকাশ এইদৰে দেশত হ'ব নোৱাৰে। এখন মাধ্যমিক স্কুলৰ ৰিকগনেচনৰ কাৰণে দিনৰ পিছত দিন ধৰি অপেক্ষা কৰাৰ পিছতো কোনো সুফল নেপায়। পইছা নিদিলে আজি কালি কোনো স্কুলে ৰেজিষ্ট্ৰিকগনিচন নেপায় পাৰ্মিচন নেপায়। পইচাৰ ফালে লক্ষ্য ৰাখে বেছি। অনেক সময়ত

মন্ত্ৰীৰ নিৰ্দ্দেশো অমান্য কৰা দেখা যায়। এনে ধৰণৰ ব্যৱস্থা চলি থাকিলে ভবিষ্যতে জনতা চৰকাৰকো কোনেও ক্ষমা নকৰিব।

একেখন স্কুলৰ ৰিকগনেচনৰ কাৰণে ১০-২০ দিন ধৰি আহি মানুহ অতিষ্ঠ হৈ পৰে। তাতো আকৌ পইচা নিদিলে আমি শুনিছোঁ ৰিকগনেচনৰ কাৰণে ইন্সপেক্সন কৰিবলৈ নাযায়। মই শুনিছোঁ, সচাঁ নে মিছা মন্ত্ৰী মহোদয়ে বিচাৰ কৰিব। এই ধৰণৰ যদি শিক্ষাৰ নীতি হয় তেনেহলে জনতা চৰকাৰৰ ভবিষ্যতৰ প্ৰতি আমি সন্দিহান আৰু শিক্ষাৰ নামত যদি এনেকৈ প্ৰহসন চলে শিক্ষাৰ মূল নীতিৰ পৰা আতৰি যায় তাৰ ব্যৱস্থা ভৱিষ্যতে হব। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

* শ্ৰীএ, এন, আক্ৰাম হুচেইন:— মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইষাৰ মান কব খুজিছোঁ। শিক্ষা বিভাগৰ দুৰ্নীতি সম্পৰ্কে শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই আমাৰ আগত দাঙি ধৰিছিল। এতেকে তাৰ পুনৰাবৃত্তি নকৰোঁ আৰু লগতে মই ভাবো যে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই কথা বিলাক মনোযোগেৰে নোট কৰি লৈছে আৰু তাৰ ব্যৱস্থা কৰিব। মই এইখিনিতে কব খোজো যে আমাৰ এল, পি স্কুল বিলাক যি অৱস্থাত আছে, সেই অৱস্থাত দেখি সচাঁকৈয়ে আমাৰ ভাব হয় আমাৰ এই সমাজ ব্যৱস্থা কেনেকৈ চলিছে? তাৰ কাৰণ হল হয়তো শিক্ষা ব্যৱস্থাক আওকান কৰি দৈত প্ৰাথমিক শিক্ষা ব্যৱস্থাক অগ্ৰাধিকাৰ দিয়া হৈছে আৰু বাধ্যতামূলক কৰা হৈছে। আগৰ যি শিক্ষা তাক অৱহেলা কৰা হৈছে কিন্তু এই অৱহেলা কিয় কৰা হৈছে আমি তাক বুজি পোৱা নাই। বহুতো গাওঁত স্কুলেই

* Speech not corrected

নাই আৰু যত স্কুল আছে তাত আমি দেখা পাওঁ বেছি ভাগ স্কুল-ৰেই চাল-বেৰ নাই, বৰষুণ আহিলে স্কুল বন্ধ, লৰাছোৱালীক ছুটী দিয়ে। আকৌ কিছুমান স্কুলত আচবাব পত্ৰ নাই, কাহিলীপাৰাৰ পৰা যি বিলাক ফার্নিচাৰ যায় সেই বিলাকবো বেছিভাগৰে খুটা আদি ভগা। কোনোবা এখন মেজৰ এটাহে খুটা থাকে আৰু ডেস্ক বিলাকৰো এটা বা দুটাহে খুটা থাকে এনেকৈয়ে আমাৰ প্ৰাথমিক শিক্ষা ব্যৱস্থা চলি থাকে। আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰেই সচাকৈয়ে কাহিলীপাৰা আজি দুৰ্নীতিৰে ভৰপূৰ হৈ পৰিছে। সিদিনা আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই সদনত কৈছিল যে মন্ত্ৰী সকলেই আটাইতকৈ সৰু-তেখেতে বোধহয় এই ছবিখন দেখিয়েই অলপ হতাশ হৈছে। গতিকে মই তেখেতক অনুৰোধ কৰিছোঁ এই শিক্ষা ব্যৱস্থাৰ অলপ সংস্কাৰ কৰি নতুনকৈ পুনৰ গঠন কৰক। লগতে আজি অসমত যি দুহাজাৰ গাওঁ আছে যত আজিলৈকে শিক্ষাৰ বন্তি জ্বলা নাই, শিক্ষা মন্ত্ৰী মহোদয় আৰু তেখেতৰ বিভাগে জ্বলাব পৰা নাই-সেই দুহাজাৰখন গাওঁত যত এখনো প্ৰাথমিক স্কুলেই নাই তাত যাতে শিক্ষাৰ জ্যোতি পৰে তাৰ ব্যৱস্থা কৰিবৰ বাবে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ। প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ কথা কবলৈ যাওঁতে চৰ অঞ্চলৰ কথাই মনলৈ আহে— চৰ অঞ্চলৰ শিক্ষা ব্যৱস্থা অবৰ্ননীয়।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে চাহ বাগান অঞ্চলত থকা স্কুল বিলাক চৰকাৰীকৰণ কৰিব। কিন্তু এতিয়া দেখা গল যে এই চাহ বাগানৰ স্কুলবিলাক চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত মাত্ৰ শিৱসাগৰ আৰু কাছাৰ জিলাৰ কিছুমান স্কুলহে চৰকাৰীকৰণ কৰা হৈছে। আৰু আজি এই ডেৰবছৰে দেখা গল

এই ডুথন জিলাৰ বাহিৰে অন্যান্য চাহবাগানৰ এখনো স্কুল চৰকাৰীকৰণ হোৱা নাই। কাহিলীপাৰাৰ শিক্ষা বিভাগৰ অৱহেলা বা ইচ্ছাকৃত ভাৱ আৰু শিক্ষামন্ত্ৰী হতাশ হোৱাৰ বাবেও এনে অৱস্থা হব পাৰে। প্ৰাথমিক শিক্ষানুষ্ঠান বিলাকত আমাৰ যি বিলাক কন কন লৰা-ছোৱালী আছে সেই সকলক দুপৰীয়াৰ আহাৰ দিব বুলি আমাৰ চৰকাৰে প্ৰতিশ্ৰুতি দিছিল, বাস্তৱি কাকতত‌ো পঢ়িবলৈ পাইছিলোঁ। কিন্তু এতিয়া দেখা গল ইয়াত খৰাং বতৰ চলিছে, মানুহৰ ঘৰত খাবলৈ চাউল নাই, আজি সদনত এই বিষয়ে আলোচনাও হৈছে যে ইয়াত আজি খাদ্যসংকটে দেখা দিব ধৰিছে। চৰকাৰে আজিলৈকে এই স্কুল বিলাকত এমুঠিও খাদ্যৰ আহিলা যোগাব ধৰিব পৰা নাই। অথচ বাজেটত দেখিছোঁ যে তেখেত-সকলে আপেল কিনি কিনি ফিডিং প্ৰগ্ৰেম কৰি লাখ লাখ টকা খৰছ কৰিছে। মোৰ বোধেৰে আচলতে এই টকা বিলাকৰে আপেল কিনাৰ পৰিবৰ্ত্তে ৩১ মাৰ্চৰ 'ককটেখল পাৰ্টি'তহে খৰছ কৰিলে। গতিকে মই শিক্ষা মন্ত্ৰীৰ এই বিষয়ে দৃষ্টি আকৰ্ষন কৰিব খুজিছোঁ এই বিলাক আৰু যাতে নচলে। অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছোঁ। সেইটো হল ৫ চেপ্তেম্বৰ তাৰিখে গোটেই দেশতে শিক্ষক দিৱস পালন কৰা হয়। আৰু সেই বাবে গোটেই দেশৰ লগতে অসমতো লৰা ছোৱালীসকলে ১০ পইচাকৈ শিক্ষক দিৱসৰ পতাকা বিক্ৰী কৰি আৰু এই দৰেই হাজাৰ হাজাৰ টকা সংগ্ৰহ হয় আৰু শিক্ষকৰ কল্যানৰ পুজিলৈ এই টকা যায়। চৰকাৰৰ ফালৰ পৰা এই পুজিলৈ যি টকা দিয়ে এতিয়া সেইখিনিহে আছে কিন্তু গোটেই অসমৰ ছাত্ৰ-ছাত্ৰীয়ে ১০ পইচাকৈ পতাকা বিক্ৰী কৰি যি পইচা সংগ্ৰহ কৰিলে তাৰ হিচাব কিন্তু শিক্ষা বিভাগৰ হাতত নাই।

এই পইচা সংগ্ৰহ কৰাৰ উদ্দেশ্যেই হৈছে যি সকল দুখীয়া আৰু কেন্সাৰ আদি ৰোগত ভোগা শিক্ষকসকলক আৰ্থিক সাহায্য দি সহায় কৰা। এই টকা কলৈ গল আমি নাজানো। তাৰ কোনো হিচাবো নাথাকে ফলত আজিলৈকে কেন্সাৰ আদি দুৰাৰোগ্য ব্যাধিত ভোগা কোনো শিক্ষকেই এই ফালৰ পৰা কোনো সাহায্য পোৱা নাই। এতিয়া শুনিছোঁ এই ১০ পইচাৰ পতাকা বিক্ৰী কৰাৰ টকাৰ হিচাপৰ বহীখনো বোলে কাহিলীপাৰাৰ পৰা নাইকীয়া হল। গতিকে আমাৰ ভয় হৈছে এইখনো কাহিলীপাৰাৰ ভুতৰ ঘৰত্তে নাইকীয়া হল নেকি? সেয়ে কই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰোঁ তেখেতে এইবিলাক সংস্কাৰ কৰি কাহিলীপাৰাৰ লগতে অসমকো এই ভুতৰ পৰা ৰক্ষা কৰক। লগতে হাইস্কুল আৰু হায়াৰ-চেকেণ্ডাৰী স্কুলৰ শিক্ষক নিযুক্তি দিয়াৰ যি এটা অৱস্থা হৈছে সি আৰু ভয়াবহ। শিক্ষক নিযুক্তি দিয়াৰ ক্ষেত্ৰত চৰকাৰী কিছুমান আইন কানুন আছে এই আইন কানুন বিলাক আমাৰ উচ্চ মহলত চৰকাৰী বিষয়া সকলে জলাঞ্জলী দিছে। চৰকাৰী নিয়ম মতে চিলেক্‌চন লিষ্টৰ পৰা নাম লৈ শিক্ষক নিয়োগ কৰিব লাগে। কিন্তু এতিয়া দেখা গৈছে যে লিষ্টত নাম থকা শিক্ষক নিয়োগ নকৰি লিষ্টত নাম নথকা বহুত শিকক্ষক নিয়োগ কৰা হৈছে। হাইস্কুল আৰু বহুতো হায়াৰ চেকেণ্ডাৰী স্কুলত লিষ্টত নাম নথকা শিক্ষকক নিয়োগ কৰা হৈছে। সেয়ে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছোঁ যাতে এই বিষয়ত অলপ লক্ষ্য ৰাখে।

মই সাংস্কৃতিক বিভাগৰ সম্পৰ্কত কওঁ যে এই বিভাগে কি কাম কৰিছে আমি একো দেখা নাই। এই সম্পৰ্কত মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই আজি ৰাতিপুৱা আলোচনা কৰি

গৈছে। গতিকে মই এই সম্পৰ্কত আলোচনা নকৰো। মই কেৱল কব বিচাৰিছো যে এই বিভাগটো বেলেগ বিভাগ হিচাবে নাৰাখি শিক্ষা বিভাগৰ লগত লগ লগাই দিয়ক। অসমত এখন সংগীত বিদ্যালয় কৰাৰ কথা আছিল। কিন্তু আজিলৈকে এই বিদ্যালয় হৈ উঠা নাই। ইয়াৰ ফলতেই আজি অসমীয়া সঙ্গীতৰ সুৰ বেসুৰা হৈ গৈছে। ফলত অসমীয়া সঙ্গীতৰ মান হ্ৰাস হৈছে। আশাকৰো সঙ্গীত বিদ্যালয়ৰ কাৰণে সোনকালে ব্যৱস্থা কৰিব।

কাহিলীপাৰাত যিটো জ্যোতিচিত্ৰবন ফিল্ম ষ্টুডিও আছে এইটোৱে কি কাম কৰিছে কোনেও কব নোৱাৰে। আনকি ফিল্ম প্ৰডিউচাৰেও ইয়াত কি কাম হয় বুজিব নোৱাৰে। অসমীয়া ফিল্মৰ চুটিংৰ কাৰণে আহিলে এক সপ্তাহ চুটিং হোৱাৰ পিচত কেমেৰা বেয়া হোৱাৰ কাৰণে ৩ সপ্তাহ বহি থাকিব লাগে। চাউণ্ড ৰেকৰ্ডিঙৰ ক্ষেত্ৰতো বহুত অসুবিধা থকাৰ কাৰণে কলিকতালৈ যাবলগীয়া হয়। চাউণ্ড ৰেকৰ্ডিং আৰু কেমেৰা মেৰামতিৰ কাৰণে বোম্বাইৰ পৰা কাৰিকৰ অনা হয় যদিও অৱস্থাৰ কোনো দিনেই উন্নতি নহল। এই ফিল্ম ষ্টুডিওত বছৰি ১৬ লাখ টকাকৈ এনেয়ে ভৰিব লগীয়া হৈছে। এতেকে আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক কওঁ যে, নিজৰে দুখ লাগিছে, তথাপিতো এই বিভাগৰ সমালোচনা কৰিবলগীয়া হৈছে। তেখেতক মই বৰ শ্ৰদ্ধা কৰো। কিন্তু উপায় নাই। এতেকে কাহিলীপাৰা সংশোধন কৰি লওঁক আৰু ফিল্ম ষ্টুডিঅৰ ভূতটো নাইকিয়া কৰক আৰু তাৰ দোষী জনক অপসাৰণ কৰি নিকা কৰক। এবাৰ মই শিক্ষামন্ত্ৰীৰ লগত গৈ চৰঅঞ্চল পৰিভ্ৰমণ কৰোতে তেখেতে চৰ অঞ্চলৰ স্কুলৰ অৱস্থা দেখি দুখ কৰিছে। গতিকে মই এইখিনিতে তেখেতক উনুকিয়াই দিওঁ যে এই অৱহেলিত চৰ অঞ্চল আৰু ছয়গাওঁ অঞ্চলৰ অৱস্থা উন্নত কৰিবলৈ

তেখেতে ব্যৱস্থা কৰে। আৰু তেখেতে ছয়গাওঁ স্কুলক হায়াৰ চেকে-ণ্ডাৰী কৰাৰ কাৰণে যি আশ্বাস দিছে সেইটো কাৰ্য্যত পৰিণত কৰিব বুলি মোৰ বিশ্বাস। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ :—** মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত শিক্ষা-মন্ত্ৰী মহোদয়ে শিক্ষাৰ শিতানত ৭০ কোটি ৭৫ লাখ ৭৭ হাজাৰ ৩০০ টকাৰ যিটো মঞ্জুৰী দাখিল কৰিছে তাৰ কৰ্তন প্ৰস্তাৱটো সমৰ্থন জনাই মই দুআষাৰ কবলৈ ওলাইছো।

অধ্যক্ষ মহোদয়, শিক্ষা বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয়। কেৱল সমালোচনাৰ মাজেদিয়েই নহয়। ইয়াক যাতে বাস্তৱত ৰূপ-দান দিব পৰা যায় এই বিষয়ে সমালোচনা থাকিব। অসমৰ লেখিয়া এখন ৰাজ্যত, যিখন ৰাজ্যত বৰ্ত্তমান তথ্য মতে ১ কোটি ৭৭ লাখ ২৫ হাজাৰ জনসংখ্যা আছে যিখন ৰাজ্যত ১ কোটি ৫৯ লাখ, ৬০ হাজাৰ মানুহ গাওঁত বসবাস কৰিছে, যিখন ৰাজ্যত কেৱল ১৭ লাখ ৬৫ হাজাৰ মানুহ নগৰত বাস কৰিছে আৰু যিখন ৰাজ্যত এতিয়ালৈকে মাত্ৰ শতকৰা ২৮ জন মানুহে শিক্ষা লাভ কৰিছে সেই-খন ৰাজ্যৰ নিশ্চয় শিক্ষা হব লাগিব গাওঁমুখী। এই শিক্ষাৰ সম্প-ৰ্কত ডাঙৰ ডাঙৰ মনীষি সকলে বিভিন্ন সুত্ৰ দি গৈছে। স্বামী বিবেকানন্দই কৈছে Education is the manifestation of purification which is already in men. অৰ্থাৎ শিক্ষা মানুহে জন্মতে লভি অহা অন্তনিহিত কথাখিনি প্ৰকাশ কৰিব পৰাটো-ৱেই হৈছে শিক্ষা। শিক্ষাই মানুহৰ পুৰ্ণ নাগৰিকত্ব গঢ়ি তুলিব পাৰে। যি শিক্ষাই মানুহৰ নৈতিক দৃষ্টিলৈ মনৰ উৎকৰ্ষতা সাধন কৰিব পাৰে, যি শিক্ষাই দুবেলা দুমুঠি খুৱোৱাৰ ব্যৱস্থা দিব পাৰে

সেইটোৱেই শিক্ষা। চমুকৈ কবলৈ গলে স্কুলত শিক্ষকে যি শিক্ষা দিয়ে, ঘৰুৱা পৰিৱেশত লৰা ছোৱালীয়ে যি শিক্ষা লাভ কৰে সেয়েহে শিক্ষা। গতিকে এই গুৰুত্বপূৰ্ণ দিশটো মাননীয় সদস্যসকলে আলোচনা কৰিছে আৰু ইয়াৰ ওপৰত বিভিন্ন ৰকমে পৰামৰ্শ দিছে। এতেকে এই শিক্ষা যেতিয়া আমি প্ৰথম দৃষ্টিত চাওঁ তেতিয়াই আমি দেখিম প্ৰাথমিক স্কুল।

অধ্যক্ষ মহোদয়, আজি অকল প্ৰাথমিক স্কুলতেই নহয়, আজি অন্যান্য স্তৰতো শিক্ষাৰ মানদণ্ড কমি গৈছে। মানদণ্ড কমাৰ কাৰণ কি? প্ৰথমতে প্ৰাথমিক স্কুললৈ চালে আমাৰ অসমত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা কম নহয়। অসমত ২১ হাজাৰ ৬৫৪ খন প্ৰাথমিক বিদ্যালয় আছে। এই স্তৰত শিক্ষালাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম নহয়। এই স্তৰত ১৫ লাখ ৫৯ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিছে। মই এই স্তৰত ছাত্ৰ-ছাত্ৰীসকলৰ এটা উদাহৰণ দিব খুজিছো। দ্বিতীয়, তৃতীয়মান শ্ৰেণীত পঢ়া ছাত্ৰ ছাত্ৰীক "শুশ্ৰূষা" বানান লিখিবলৈ কলে শতকৰা ৮০ জনেই লিখিব নোৱাৰে। আৰু পূৰণৰ মাজু নেওঁতাৰ ১৩ ৰ ভাগটো বা ১৭ ৰ ভাগটো মুখস্থ মাতিবলৈ কলে মাতিব নোৱাৰে। আজি এইটো কিয় হৈছে? ইয়াৰ কাৰণ হৈছে আমাৰ যিবিলাক স্কুলত এজনীয়া শিক্ষক আছে অথচ ৬০-৭০ টা লৰা ছোৱালী আছে এই ৬০-৭০ টা লৰা ছোৱালীৰ যেনে ভাবে মনোযোগ দিব লাগে তেনে ভাবে মনোযোগ দিব নোৱাৰে।

দুই নম্বৰ ইয়াৰ কাৰণে হব পাৰে আমাৰ লৰা-ছোৱালীক বিদ্যালয়লৈ পঠোৱাৰ পিচত আমাৰ অভিভাবকে তেওঁলোকৰ দায়িত্ব নাই বুলি ভাবে। তেওঁলোকৰ যে লৰা-ছোৱালীক পূৰ্ণ নাগৰিক কৰি তুলিব লাগিব দেশৰ সম্পত্তি কৰি তুলিব লাগিব সেই চেতনা-

খিনি তেওঁলোকৰ নাই। সেইখিনি যে তেওঁলোকৰ দায়িত্ব থাকিব লাগে সেই চেতনা তেওঁলোকৰ নাই। তৃতীয় কাৰণ হল বান-প্ৰপীড়িত অঞ্চলত ৬ মাহ ৭ মাহ লৰা-ছোৱালী স্কুললৈ নাহে স্কুল বন্ধ হৈ থাকে। তেতিয়া তেওঁলোকে পঢ়া শুনাৰ পৰা আঁতৰত থাকিব লগীয়া হয়। চতুৰ্থতে শিক্ষাৰ মানদণ্ড এনে অৱস্থা হোৱাৰ কাৰণ এইটোও হব পাৰে মানুহৰ সামাজিক ব্যৱস্থা শিক্ষকৰ লৰা-ছোৱালী শিক্ষাদান দিয়াৰ প্ৰতি ধাউতি। আৰু সেই পৱিত্ৰ কৰ্ত্তব্যৰ প্ৰতি মনোযোগ নথকাই এই অৱস্থা হব পাৰে। অকল অসম বুলি-য়েই নহয়, ভাৰতবৰ্ষতো আজি শিক্ষাৰ ক্ষেত্ৰত এটা বিপৰ্য্যয় ঘটিছে। মাইনৰ স্কুলত সেই একেই অৱস্থা। আমি দেখিছো ষষ্ঠ মানৰ পৰা অষ্টম মানলৈ জপিয়ায়। প্ৰাইমেৰী স্কুলৰ দ্বিতীয় শ্ৰেণীৰ পৰা পঞ্চমমান শ্ৰেণীলৈ জপিয়াই যোৱাৰ কাৰণে তেওঁলোকে বহুখিনি শিক্ষা লাভৰ পৰা বঞ্চিত হব লগীয়া হৈছে। আগৰ তৃতীয় শ্ৰেণী দ্বিতীয় শ্ৰেণীৰ পৰা যিখিনি লৰা-ছোৱালী পঞ্চমমান শ্ৰেণীলৈ গল তেওঁলোকৰ বহু কথা শিকিবলৈ বাকী থাকিল। চৰকাৰৰ এই ক্ষেত্ৰত তৎপৰতা নাই। আচলতে মাইনৰ স্কুলত তলখাপৰ শ্ৰেণী-বোৰত ২৫-৩০ জনহে থাকিব লাগে। আকৌ দ্বিতীয় শ্ৰেণীৰ পৰা পঞ্চমমান শ্ৰেণীলৈ পাচ কৰা পিচত তাত চেকচন খুলিবৰ কাৰণে পাৰমিচন লাগে আৰু তাৰ লগে লগে এপইনমেন্ট দিয়াৰ ক্ষেত্ৰত যিটো তৎপৰতা অৱলম্বন কৰিব লাগিছিল যিখিনি কথা সেইখিনি সময়ত কৰা দৰকাৰ আছিল সেই সেই ঠাইত নকৰা কাৰণে সময়ৰ অপচয় ঘটিছে। লৰা-ছোৱালীৰ শিক্ষা হোৱা নাই। এইটো দেশৰ বিমঙ্গল হৈ পৰিছে। অসমীয়াতে কথা এটা আছে 'পঢ়াই পঢ়ে ৰুৱে পান এই তিনিয়ে নিচিন্তে আন' এখন মটৰ গাড়ীত 4 টা চকা থাকে, তাৰে এটা চকা অচল হৈ গলে গাড়ীখন চলিব নোৱাৰে। ঠিক

তেনেকৈয়ে তিনি কথা যে কোৱা হৈছে ছাত্র, শিক্ষক, অভিভাৱক তাৰ লগত আৰু এটা আৱশ্যক বিভাগটো। অৰ্থাৎ 8 নং চকাটো হৈছে শিক্ষা চৰকাৰৰ শিক্ষা বিভাগ। এই বিভাগটোৱে যদি তৎপৰতাৰে সময়োপযোগী ব্যৱস্থা নকৰে তেতিয়াহলে শিক্ষাৰ ত্রুটি বিচ্যুতি আঁতৰাব পৰা নাযাব। আমি ইংৰাজী শিক্ষা বিদায় দিবলৈ বিচাৰিছো ঠিক কথা কিন্তু সেইটো ইংৰাজী নিশিকিলেও আমি মেট্রিক পাচ কৰিব নোৱাৰো। ব্যকৰণৰ বিষয়টো আজিকালি বৰ অৱহেলা কৰা হয়। ক্লাচ টেনৰ লৰা এটাক হেড মাষ্টৰলৈ এখন দৰ্খাস্ত লিখিবলৈ কলে তাত অনেক ভুল কৰে। নাউন, প্রনাউন, ভাৰ্ব, টেন্স, এনালাইচিচ, মুদ, ভইচ ইত্যাদিত কোনো জ্ঞানেই নাই। এইদৰে অপচয় হৈছে। সেইদৰে ইংৰাজীটো এটা কঠোৰ বিষয় হৈ পৰিছে। আকৌ কোনোটো শ্ৰেণীত ৫০-৬০ জন ছাত্র ৰাখিব লগীয়া হয়। গতিকে শিক্ষাদানত নানা ধৰণৰ অসুবিধা আহি পৰে। আকৌ প্রথম পিৰিয়দত 8০-8৫ মিনিট সময় দিয়া হয়, তাৰ পাচত ৩০-৩৫ মিনিটত এজন শিক্ষকে ইমান বিলাক ছাত্রক পঢ়োৱাবলৈ সময় নেপায়। গতিকেই আজি গোটেই বিষয়টো থ'ৰ' ষ্টাদী কৰাটো দৰকাৰ হৈ পৰিছে। গতিকে শিক্ষক ছাত্র আৰু আমাৰ মাজত এটা ভাল সমন্বয় সাধন কৰিবলৈ হলে সময়ৰ মাপকাঠিৰে আগবাঢ়ি যাব লাগিব। ইতিমধ্যে মাননীয় সদস্য গোলোক কাকতীয়ে উল্লেখ কৰিছে যে যিবিলাক মাইনৰ স্কুল আছিল সেইবিলাক চৰকাৰৰ পৰ্য্যায়লৈ নিয়া হল। হাইস্কুলও চৰকাৰী পৰ্য্যায়লৈ নিয়া হল। মই কব বিচাৰিছো যে আমাৰ হাইস্কুল বিলাকৰ একোখন মেনেজিং কমিটি আছে আৰু মাইনৰ স্কুল বিলাকৰো একোখন মেনেজিং কমিটি আছে, কিন্তু দুইখন স্কুলৰে একেটা ঘৰতে চলি আছে। আজি এই স্কুলবিলাক এমালগেমেচন কৰিবৰ কাৰণে কোনো তৎপৰ ব্যৱস্থা লোৱা হোৱা

নাই। মাইনৰ স্কুলত পঢ়ি থকা লৰা-ছোৱালীৰ হেডমাষ্টৰ আৰু মেনেজিং কমিটি বেলেগ হোৱা কাৰণে তেওঁলোকৰ শাসন পদ্ধতিও বেলেগ বেলেগ। এমালগেমেচন নোহোৱাৰ কাৰণে একেটা ঘৰতে হেড মাষ্টৰ আৰু ষ্টাফ বহে বেলেগ বেলেগ। এখন স্কুলত ৰাতিপুৱা ক্লাছ আৰম্ভ হয়, আনখনত ১০ বজাৰ পৰা হয়। এখন স্পর্টচ্ চলিলে আনখনত সংগীত চলে। এখনত তিথি পাতিলে আন এখন তিথি নেপাতি ওলাই যায়। এনেকুৱা পৰিবেশত স্কুল বিলাক চলি আছে। সেইকাৰণে অনতিপলমে এমালগেমেচন কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আকৌ বহুতে ভাবে হেড মাষ্টৰৰ পদটো তেওঁলোকৰ ভিতৰতেই এজন হওঁক। মাইনৰ স্কুল বিলাকে তেওঁ-লোকৰ মৰ্য্যদা হানী হব বুলিয়েই এমালগেমেচন হোৱাত সমৰ্থন নকৰে। মোৰ সময় যেতিয়া কম আৰু বেছি কবলৈ থাকিলেও কব নোৱাৰিম। মই এটা কথা কৈ শেষ কৰিম যে শিক্ষাৰ বাজে-টত এটা কথা দেখুৱাইছে যে ট্ৰাইবেল চাব প্লেনত শিক্ষাৰ কাৰণে মঞ্জুৰ কৰা হৈছে। কিন্তু সেইটো জেনেৰেল বাজেটৰ লগতে দেখু-ৱাইছে। মই ডিৰেক্তৰ চাহাবক সোধো যে ট্ৰাইবেল চাব প্লেনত কিমান টকা দিয়া হৈছে। কিমান টকা ধৰা হৈছিল। তেতিয়া উত্তৰ দিব ২০ লাখ টকা। কিন্তু কোন কোন স্কুলত কেনেকৈ খৰচ কৰা হ'ল সেইটো হলে দিব নোৱাৰিব। গতিকেই টকাটো জেনেৰেল বাজেটত ট্ৰাইবেলৰ চাব প্লেনৰ নামত লোৱা হয় যদিও ট্ৰাইবেলৰ কাৰণে কাম হৈছে নে নাই? গতিকে চাব প্লেনত ট্ৰাইবেলৰ কাৰণে চেপাৰেটফ্ৰি থাকিব লাগে। কিন্তু আমাৰ ইয়াত জেনেৰেল বাজেটতেই ইয়াক ধৰা হৈছে। এটা কথা কব বিচাৰিছো সেইটো হল অসমৰ শিক্ষাৰ ছবিখন যদি চোৱা হয় তেতিয়াহলে দেখা যায় যে অসমত এতিয়ালৈকে মাত্ৰ ১১'০৬ পাৰচেন্ট অনুসুচিত জাতিৰ লোক শিক্ষিত

হৈছে। আৰু জনজাতীয় ক্ষেত্ৰত ১৯'৪৬। অনুসূচিত সম্প্ৰদায়ৰ ১১ লাখতকৈ বেছি মানুহে বসবাস কৰি আছে অসমত। তাৰ মাত্ৰ শতকৰা ১১'০৬ মানুহেহে শিক্ষিত হৈছে।

আজি যদি অসমৰ শিক্ষাৰ ছবিখন চাবলৈ যায় তেনেহলে দেখিবলৈ পোৱা যায় যে অসমত অনুসুচিত জাতিৰ মানুহ মাত্ৰ ১১'-০৬ শতাংশ শিক্ষিত হৈছে। এতেকে আমি দেখিবলৈ পাওঁ যে অস-মত অনুসুচিত সম্প্ৰদায়ৰ ১১ লাখ মানুহ বসবাস কৰিছে আৰু তাৰ ভিতৰত মাত্ৰ ১১'০৬ শতাংশ মানুহে শিক্ষিত হৈছে। হয়তো অন্যান্য পিচপৰা শ্ৰেণীৰ কাৰণে অধিকতৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লব কিন্তু কাম হব নে নহব সেইটো বুজা নাই। আমি শুনিবলৈ পাই-ছিলো যে কেন্দ্ৰীয় চৰকাৰৰ পৰা এখন চাকুৰীৰ অনুসুচিত সম্প্ৰ-দায়ৰ কাৰণে এটা চাব পেনৰ নিৰ্দ্দেশনা দিছিল। কিন্তু এই ক্ষেত্ৰত আমাৰ শিক্ষা মন্ত্ৰীয়ে যিখিনি টকা দেখুৱাইছে ইয়াতে তেনে ধৰণৰ আঁচনি কৰিব বুলি ইঙ্গিতৰ আভাস আমি পোৱা নাই। আমি পাৰ্লিয়েমেন্টেৰী কমিটিৰ ৰিপোৰ্টত ওলোৱা দেখিছো যে এই মানুহ বিলাক চাকৰি বাকৰিৰ পৰাও বঞ্চিত হৈ আছে। তেনে মানুহখিনিক শিক্ষিত কৰাৰ দায়িত্ব অসম চৰকাৰ, অসমৰ নেতাৰ আছে। সেই কাৰণে মই কবলৈ বিচাৰিছো যে এই কথা বিলাকত মনোযোগ দিব আৰু পিচপৰি থকা লোকসকলক সামূহিক প্ৰচেষ্টাৰে আগবঢ়াই লৈ যাব। ইয়াকে কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্ত-ব্যৰ সামৰণী মাৰিলো।

শ্ৰীদেবানন্দ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, আমি এইষাৰ কথা স্বীকাৰ কৰিব লাগিব যে ৩০ বছৰে আমাৰ যি শিক্ষা ব্যৱস্থা চলি আহিছে জনতা চৰকাৰেও আজি এটা বছৰে এই একেটা শিক্ষা নীতিকেই

চলাই আছে। স্বাধীন হোৱাৰ পিচতেই আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ এক আমূল পৰিৱৰ্ত্তণ হব লাগিছিল। আমি আশা ৰাখিছিলো জনতা চৰকাৰ শাসনত অধিষ্ঠিত হোৱাৰ পিচত শিক্ষাৰ ক্ষেত্ৰত এটা নতুন নীতি গ্ৰহণ কৰিব। আমি জনসাধাৰণক এনে হব বুলি প্ৰতিশ্ৰুতিও দিছিলো। কেন্দ্ৰত জনতা পাৰ্টিয়ে ঘোষণা কৰিছে যে এই বছৰ মাৰ্চ মাহৰ ভিতৰতে এটা নতুন শিক্ষা নীতি ঘোষণা কৰা হব বুলি আৰু সেইদৰে আমাৰ অসমতো এক নতুন শিক্ষা নীতি ঘোষণা কৰিব। এইযাৰ কথা কব লাগিব যে বিগত বছৰবোৰত যি শিক্ষা ব্যৱস্থা চলি আহিছে সেই শিক্ষা ব্যৱস্থাই আমাৰ সাধাৰণ মানুহক সহায় কৰিব পৰা নাই। আনহাতে যি এমুঠি মানুহে প্ৰচলিত শিক্ষা লাভ কৰিছে তেওঁলোকো সমাজৰ বাবে একো কামত অহা নাই। সেইকাৰণে যি নতুন শিক্ষা নীতি ঘোষণা কৰা হব আমাৰ চৰকাৰে এই কথা লক্ষ্য ৰাখিব লাগিব যাতে এই নতুন নীতিয়ে এহাতেদি আমাৰ দেশৰ নিৰক্ষৰতা দূৰ কৰাত সহায়তা কৰে আৰু লগতে তেওঁলোকে এই শিক্ষা লৈ তেখেত সকলৰ জীৱন নিৰ্ব্বাহৰ আৰু আত্ম নিযুক্তিৰ কাৰণে সুযোগ, সুবিধা গ্ৰহণ কৰিব পাৰে। সেই কাৰণে মই আশা ৰাখিছো যাতে আমাৰ শিক্ষা নীতি ঘোষণা কৰোতে এইকেইটা কথালৈ মনোযোগ দিয়ে। আমি এইকথাও স্বীকাৰ কৰিব লাগিব যে আজি কেন্দ্ৰত দুবছৰ আৰু আমাৰ অসমত জনতা চৰকাৰৰ এবছৰ অতিবাহিত হল। আমাৰ জনতা চৰকাৰে এইবছৰ শিক্ষাৰ ক্ষেত্ৰত কিছু বেচি টকা ধৰিছে। যোৱা বছৰ এই শিতানত প্ৰায় ৫৫ কোটি টকা ধৰা হৈছিল। এই বছৰ সেই টকা বৰ্দ্ধিত কৰি প্ৰায় ৭০ কোটি টকা কৰা হৈছে। সেইফালৰ পৰা আমি দেখিবলৈ পাওঁ যে যোৱা বছৰতকৈ এই বছৰ

প্ৰায় ১৫ কোটি অধিককৈ ধৰা হৈছে। এই বাজেট পৰীক্ষা কৰি চালে এটা কথা প্ৰতীয়মান হব যে জনতা চৰকাৰে শিক্ষা নীতিৰ আমূল পৰিৱৰ্ত্তণ কৰিব পৰা নাই সচাঁ কিন্তু আমাৰ ইয়াত কাৰিকৰী আৰু বিজ্ঞান শিক্ষাত প্ৰসাৰ কৰাত আগৰ বাজেটতকৈ যথেষ্ট বেচি টকা ধাৰ্য্য কৰিছে আৰু যোৱা বছৰ বহুখিনি টকা বিজ্ঞান আৰু কাৰিকৰী শিক্ষা প্ৰসাৰৰ কাৰণে খৰচ কৰা হৈছে। যোৱা বছৰ কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত আমাৰ এনেধৰণৰ কলেজ সমূহত আসন বৃদ্ধি কৰা হৈছে, বিজ্ঞান শিক্ষা প্ৰসাৰৰ কাৰণে কেইখনমান উচ্চ মাধ্যমিক স্কুলত চৰকাৰে অনুদান আগবঢ়াইছে। আমি আশা ৰাখিছো এই বছৰ আমাৰ গাওঁ অঞ্চলত থকা উচ্চ মাধ্যমিক স্কুল সমূহত বিজ্ঞান শিক্ষা প্ৰসাৰৰ কাৰণে চৰকাৰে অধিক টকা ব্যয় কৰিব। এইটো কথা ঠিক যে প্ৰাথমিক স্তৰত শিক্ষাৰ বিশেষ উন্নতি কৰিবৰ কাৰণে জনতা চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। বিশ্ববিদ্যালয়ৰ মঞ্জুৰী আয়োগৰ হাতত কলেজ শিক্ষকৰ বৰ্দ্ধিত দৰমহা আৰু বানচ দিয়াৰ আমাৰ কাৰণে বহুখিনি টকা অতিৰিক্ত ভাবে দিব লগা হৈছে। যোৱা বছৰ স্কুল বিলাকত যিসকল চকিদাৰ আছিল তেওঁলোকক চতুৰ্থ শ্ৰেণীৰ চাকৰীৰ হাৰত দৰমহা দিয়া হৈছে আৰু স্কুলত যিসকল মাডাৰ আছিল তেওঁ-লোকৰ দৰমহা ৫০ টকাৰ পৰা ১৯০ টকালৈকে বৃদ্ধি কৰা হৈছে। গতিকে সীমিত বাজেট ব্যৱস্থাৰ যোগেদি চকিদাৰ বা মাডাৰ সকলৰ অৱস্থা টনকিয়াল কৰি যোৱা বছৰ জনতা চৰকাৰে যথেষ্ট টকা খৰচ কৰিছে। আমি আশা কৰো এই বছৰ বিশেষকৈ প্ৰাথমিক স্তৰত যথেষ্ট গুৰুত্ব দিয়া হব আৰু প্ৰাথমিক শিক্ষা প্ৰসাৰৰ কাৰণে বাজেটৰ বেছি টকা খৰচ কৰি আমি দিয়া প্ৰতি-শ্ৰুতি কিছু অংশ হলেও পালন কৰিব পৰা হব। মই এইখিনিতে

বিভিন্ন বিদ্যালয় সমূহৰ নিয়োগ সম্পৰ্কত চলি থকা কিছুমান খেলি মেলিৰ কথা কব খুজিছো। চৰকাৰীকৰণ কৰাৰ পিচত এই স্কুল সমূহৰ নিয়োগ নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই। চৰকাৰীকৰণ কৰা স্কুল সমূহৰ ঘৰ-তুৱাৰ সাজিবৰ কাৰণে টকা পইচা দিয়াৰো একো ব্যৱস্থা নাই। চৰকাৰীকৰণ কৰা স্কুলৰ শিক্ষক সকলে কেনে ধৰণে গ্ৰেচুইটি বা পেন্সন পাব সেই নীতিও চৰকাৰে এতিয়ালৈকে গ্ৰহণ কৰা নাই।

**মাননীয় অধ্যক্ষ :—** আপুনি কাইলৈ কব।

## MISCELLANEOUS

**মোঃ ছামচুল হুদা :—** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমৰ চাব্-ইঞ্জিনিয়াৰ সকলে বহুদিন ধৰি তেওঁলোকৰ বিভিন্ন দাবীৰ সম্পৰ্কত আন্দোলন কৰি আহিছে আৰু চৰকাৰৰ ওচৰত দাবী উৎথাপন কৰি আহিছে। সেই দাবীবিলাকৰ প্ৰতি মন-কান দিয়া নাই। বাধ্য হৈ সিদিনা চাব্ ইঞ্জিনীয়াৰ সকলে সভা পাতি সিদ্ধান্ত কৰিছে যে তেওঁলোকৰ দাবী বিলাক যদি চৰকাৰে এমাহৰ ভিতৰত পুৰণ নকৰে তেনেহলে তেওঁলোকে চৰম পন্থা হাতত লব। চৰম পন্থা হাতত ললে আমি জানো যে ৰাস্তা পতুলিৰ ক্ষেত্ৰত এটা আচল অৱস্থাৰ সৃষ্টি হব। আৰু শিল্প বানিজ্যৰ সকলো পথ বন্ধ হব আৰু বেমেজালিৰ সৃষ্টি হব। প্ৰথমতে দেখা যায় তেওঁলোকৰ দৰমহাৰ হাৰ বৃদ্ধি কৰি পুনৰ নিৰ্দ্ধাৰণ কৰাৰ বাবে আপত্তি আনিছে। আৰু অন্য হাতে চাবৰডিনেট ইঞ্জিনীয়াৰৰ পৰা এচিচটেণ্ট ইঞ্জিনীয়াৰলৈ প্ৰমোচনৰ যি ন্যাৰ্য্য কোটা, সেইটো পোৱা নাই বুলি আপত্তি অনা হৈছে। তদুপৰি দেখা গৈছে,

যে, চাবৰ্ডিনেট ইঞ্জিনীয়াৰৰ যোগ্যতা নিৰ্ণয় কৰাত খেলি মেলি আছে। সেইবিলাক ঠিকমতে নিৰ্দ্ধাৰণ কৰা নাই। সেই কাৰণে তেওঁ-লোকৰ ফালৰ পৰা তেওঁলোকে বিক্ষুব্ধ হৈ এই সিদ্ধান্তত উপনীত হয়। গতিকে সোনকালে যদি চৰকাৰে এটা সু-মীমাংসাৰ সিদ্ধান্ত নকৰে এই বিষয়টোত তেনেহলে চাবৰ্ডিনেট ইঞ্জিনিয়াৰ সকলে গোটেই অসমতেই অচল অৱস্থাৰ সৃষ্টি কৰিব। আৰু সেই কাৰণেই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়লৈ প্ৰতিকাৰৰ দাবী জনাইছো।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অস-মীয়াত এটা কথা আছে, চলচাই চাপৰি বন। মই অত্যন্ত দুখীত যে মই নিজেই অত্যন্ত আন্তৰিকতাৰে সৈতে তেওঁলোকৰ দাবী সমূহ বিবেচনা কৰি থকা স্বত্তেও তেনেকুৱা এটা সিদ্ধান্ত লৈছে। মই সদনত আপোনাৰ জৰিয়তে সদনত সদৰি কৰিব খুজিছো যে, দৰমহা সংক্ৰান্তত তেওঁলোকে যি দাবী কৰিছিল ৪০০ পৰা ৯০০ টকালৈ, ইতিমধ্যে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰি দিছে। কেবল পে এডজাচমেণ্ট সম্পৰ্কত ব্যৱস্থা কৰিবলৈ বিচৰা হৈছে আৰু বিত্ত বিভাগৰ ইতিমধ্যে আলোচনা বিলোচনা হৈ আছে। এই ক্ষেত্ৰত এইটো তেওঁলোকৰ মেজৰ দাবী। সেই মৰ্ম্মে তেওঁলোকক জনোৱা হৈছে। তেওঁলোকৰ প্ৰমোচন কোটা মতে দিয়া হোৱা নাই বুলি কিয় উলিয়াছে মই নিজেই কব নোৱাৰো। চাৰ্ভিচ ৰুল সংক্ৰান্তত কব বিচাৰিছো যে, যদিও এই বিভাগটো পুৰণা বিভাগ আছিল তথাপি এই বিভাগটোৰ সংগঠনৰ ক্ষেত্ৰত চৰকাৰী কৰ্ম্মচাৰী সকলৰ চাৰ্ভিচ কণ্ডিচনৰ যিখিনি ব্যৱস্থা লব লাগিছিল সেইখিনি লোৱা

* Speech not corrected

নাছিল। কাৰণ কিছুমান সমস্যাই দেখা দিছে। এটা বছৰৰ ভিতৰত অকল সেই সন্থাই নহয় বাকী যিমান বিলাক সন্থা আছে সেই সকলৰ ক্ষেত্ৰত চৰকাৰে তৎপৰ ব্যৱস্থা হাতত লৈছে আৰু তেওঁলোকৰ যিখিনি প্ৰাপ্য সেইখিনি চৰকাৰে দিছে। আমাৰ নবেন দত্ত ডাঙৰীয়াই এটা ভাল কথাই কৈছে, কৰ্ম্মচাৰী সকলৰ লগত মই নিজেই আৰু হুদা ডাঙৰীয়াক আৰম্ভ কৰি ভালে কেইজন সদস্য ৰাজনৈতিক জীৱনৰ ক্ষেত্ৰত জৰিত আছিলো। মই নিজেই কৰ্ম্মচাৰী সকলৰ মাজৰ পৰা ওলাই আহিছো আৰু তেওঁলোকৰ চেন্টিমেণ্ট সম্পৰ্কত খুব ভালকৈ জানো। সেই মৰ্ম্মে সকলো ক্ষেত্ৰত বিৰোধী দলত থাকোতে তেওঁলোকৰ হকে কৈ আহিছো। বিৰোধী দলত থাকোতে যিখিনি কথা কৈছিলো ক্ষমতা লৈ অহাৰ পাচত সেই খিনি পাহৰি যাম সেইটো নহয়। আমাৰ অৰ্থনৈতিক অৱস্থা অত্যন্ত বেয়া যদিও বিৰোধী দলত থাকোতে যিখিনি কমিটমেণ্ট কৰিছিলো সেইখিনি ৰখাৰ ব্যৱস্থা কৰিছো। অকল গড়াকাপ্তানী বিভাগেই নহয় অন্যান্য বিভাগতো কৰিছো। তিনি চাৰি জন সহকৰ্ম্মী বন্ধু গোট খাই সেই মৰ্ম্মে সিদ্ধান্ত কৰি দিছো। লগতে এচিটেণ্ট ইঞ্জিনিয়াৰক বি গ্ৰেডৰ কথা কৈছে। যিখিনি দৰ্কাৰ আৰু কাৰিব পৰা যায় কৰিব লাগিব। মাননীয় সদস্য নবেন দত্তৰ লগত এক মত যে চৰকাৰী চাকৰিয়াল সকলক যিখিনি দিব লাগে নিশ্চয় দিম কিন্তু তেওঁলোকৰ পৰা ৰাইজে পাবলগীয়া খিনিও পাব লাগিব। কিবা কাৰণত যদি দাবী বিলাক সোনকালে পূৰণ নকৰো তেনেহলে ৰাইজৰ পৰা সহানুভূতি পাবলৈ ৰাইজৰ সেৱা আগ বঢ়াব লাগিব। ৰাইজৰ সেৱাক বাদ দি দাবী কৰি থাকিলে নহব। শ্ৰীগোলক কাকতি কোৱাৰ দৰে যি সকলৰ সংগঠন আছে, সেই সংগঠনৰ ফালৰ পৰা চেপা দি ধৰিব আৰু আমি নিদিও বুলিও কোৱা

নাই। যিখিনি প্ৰাপ্য অৰ্থনৈতিক অৱস্থালৈ চাই নিশ্চয় দিম আৰু বিৰোধী দলত থাকোতে যি প্ৰতিশ্ৰুতি দিছিলো, ৰাইজক প্ৰতাৰণা নকৰো কিন্তু এটা কথা যি সকলে মাত মাতিব পাৰে সেই সকলক চাম আৰু মাত মাতিব নোৱাৰা সকলক নাচাম সেইটো নহয়। চৰকাৰে প্ৰথমতে এওঁলোকক সুবিধা দিবলৈ বন্দবস্ত কৰিছে তাৰ কাৰণে সমালোচনাৰ ভাগি হব লগীয়া হৈছো। ইমানখিনি কৰা স্বত্তেও মই বৰ দুখী হও যে তেওঁলোকে এনেকুৱা কৰিব বিছাৰিছে। ৰাজহুৱা স্বাৰ্থত ব্যঘাট নোহোৱাকৈ যাতে তেওঁলোকে কাম কৰে সেই আশা মই ৰাখিছো তেওঁলোকৰ প্ৰাপ্যখিনি আদায় কৰাতো সংবিধানিক অধিকাৰ। কিন্তু যি সকলে মাতিব নোৱাৰে তেওঁ-লোকক সকলোৰে পৰা বঞ্চিত কৰি ৰাখিম আৰু সংগঠন কৰি থকা সকলক দি দিম এই কথাটো বিছাৰ কৰি চাব লাগিব। প্ৰাপ্যখিনি দিম। কিন্তু ইমানখিনি টকা কৰ পৰা আহিব। এই টকা খিনি হাৰ ওলোৱা মানুহৰ পৰা আহিব। যিখিনি মানুহে মুখেৰে মাতিব নোৱাৰে ইনক্লাব জিন্দাবাদ কৰিব নাজানে সেই সকলৰ প্ৰতি লক্ষ্য ৰাখি কৰ্ম্মখিনি কৰিব। আমাৰ ফালৰ পৰা যি খিনি আযুআহ আছে সেই খিনি চাম।

শ্ৰীবীরেশ মিশ্র— মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনের সামনে কোনও সুখবর দেবার মতো আমার উপায় নাই। এবারে আমি আরও তিনটি অনাহারে মৃত্যুর সংবাদ বহন করে এনেছি। আপনি হয়তো লক্ষ্য করে থাকবনে যে গত ২-৩ দিন ধরে আমি সদনে উপস্থিত হতে পারিনি। তার কারণ হলো আমার সমষ্টিতে তিনিজন লোকের অনাহারে মৃত্যুর খবর পেয়ে আমাকে সেখানে ছুটে যেতে হয়েছিল। আর সেই ডেরাপাথার সম্পর্কে আমাদের মাননীয় রাজস্ব মন্ত্রী মহো-দয় সেদিন যে ষ্টেটমেণ্ট দিয়েছিলেন সেই ষ্টেটমেণ্ট আমি সরকারী

ষ্টেটমেন্ট হিসাবে নিয়েছি। আর আমি যা নিজে তদন্ত করে পেয়েছি সেটাই আমি সদনে সেদিন তুলে ধরেছিলাম। আজ আমি সেই একই ডেরাপাথারের আরও তিনটি অনাহারে মৃত্যুর খবর আপনাদের সামনে তুলে ধরছি। আমি তাদের নাম, মৃত্যুর তারিখ এবং বয়স এখানে উপস্থিত করছি।

১। ৺নীরাজ ডালু। ৩নং ডেরাপাথার। বয়স-৪৮ বৎসর। মৃত্যুর তারিখ ১-৩-৭৯ ইং।

২। ৺মদন সরকার। বয়স ৪০। তার মৃত্যুর তারিখ-৬-৩-৭৯ ইং

৩। ৺নারায়ন বিশ্বাস। বয়স-৩৫। মৃত্যুর তারিখ-১৮ ফেব্রুয়ারি। এর এবং মদন সরকারের নিবাস ৪নং ডেরাপাথারে।

মহোদয়, এই সম্পর্কে আমি আপনার মাধ্যমে সরকারকে বলতে চাই যে আমাদের রাজস্ব মন্ত্রী এবং বন বিভাগের মন্ত্রী মহোদয় যখন ডেরাপাথারে গিয়েছিলেন কয়েক মাস আগে তাঁরা যদি আজ সেখানে যান তাহলে দেখবেন যে এই লোকগুলির ঘর শূণ্য। ২-১ মাইল এলাকা জুড়ে রাস্তার দুইধারের শূণ্য ঘরগুলি দেখে মনে হয় সেখানে শ্মশানের নীরবতা বিরাজ করছে। এই লোকগুলির কেউ কেউ হয় গরমপানীতে বা কেউ কেউ হাফলং-এ বা আরও দূরে কোথাও কাজের সন্ধানে চলে গিয়েছে। এই বিষয়ে অত্যন্ত দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে এই ব্যাপারে যতটা গুরুত্ব দেওয়া সরকারের পক্ষে উচিত ছিল সেই গুরুত্ব তারা দিচ্ছেন না। সেই অঞ্চলে এখন যে অবস্থা চলছে এতে প্রয়োজন হলে সেখানকার যেসব লোক কর্মক্ষমতা হারিয়ে ফেলেছে তাদেরে গ্র্যাটুাটাস রিলিফ না দিলে আর বাঁচানো সম্ভব নয়।

যে ৭ হাজার টাকার কাজ রেভিনিউ মিনিষ্টার দিয়েছেন তার কাজ মাত্র তিন দিন হলো শুরু হয়েছে। তাও সেখানে আজ কাজ করার লোকের অভাব হচ্ছে। কারণ, গ্রাম ছেড়ে মানুষ কাজের সন্ধানে দূর দূরান্তরে চলে গিয়েছে। বাকী যারা রয়েছে তাদের তাদের কাজ করার ক্ষমতা অত্যন্ত সীমাবদ্ধ। সুতরাং এই অবস্থায় গত পরশুদিন আমি নওগাঁর ডি সির সঙ্গে সাক্ষাৎ করে সমস্ত বিষয় তাকে আমি জানিয়েছি। তিনি অত্যন্ত সহানুভূতির সঙ্গে সমস্ত কথা শুনেছেন। কিন্তু একজন ডি সি কি করতে পারেন যদি উপরের স্তর থেকে কোন ব্যবস্থা না নেওয়া হয়। তাই আমি বিশেষভাবে অনুরোধ করবো যে আপনারা শুধু সরকারি দৃষ্টি নিয়ে যদি এইভাবে অনাহারে মৃত্যুর কথা এড়িয়ে যাবার চেষ্টা করে তাহলে ইতিহাস আপনাদেরও ক্ষমা করবেনা। যে লোকগুলি মারা গেল তারাতো গেলই কিন্তু যারা বেঁচে আছে তারা শ্মশানের উপর বেচে আছে। তাদের বাঁচাবার দায়িত্ব সরকারের। আশা করবো এই জনতা সরকার তাদের এই দায়িত্ব থেকে পিছপা হবেন না। এবং এজন্য আমি সরকারের কাছে তিনটি সাজেশন রাখছি।

প্রথম হলো যে এই ব্যাপারে বিশেষভাবে পর্য্যবেক্ষণ করে অতি সত্বর সেখানে যেন গ্র্যাটু্যটাস রিলিফ পাঠাবার ব্যবস্থা গ্রহণ করা হয়।

দ্বিতীয়তঃ ঐ সাত হাজার টাকার উপর নির্ভর না করে যেন অতি সত্বর ফুড ফর ওয়ার্ক প্রগ্রাম চালু করা হয়। এই জন্য ডেরা পাথারের জন্য ৯০ হাজার টাকা মঞ্জুর করার সুপারিশ হয়েছে। কবে এই ৯০ হাজার টাকার কাজ আরম্ভ হবে তার

জন্য অপেক্ষা করে থাকলে আর মানুষকে খাদ্যের বিনিময়ে কাজ করতে আসতে হবে না। দা-কোদাল নিয়ে আর মানুষকে কাজে আসতে হবে না। এর আগেই তারা শেষ হয়ে যাবে। সুতরাং এই অবস্থার মধ্যে আমাদের রিলিফ বিভাগ থেকে টেষ্ট রিলিফ হলেও সাময়িক ভাবে অন্ততঃ ৪০-৫০ হাজার টাকার কাজ যেন দেওয়া হয়। কারণ, কাজ করতে তারা প্রস্তুত আছে। তারা বসে বসে খাবার লোক নয়। অত্যন্ত আত্মসন্মান জ্ঞান সম্পন্ন কৃষক এরা। তাদেরে কাজ দিতে পারলে তারা কাজ করবে।

তৃতীয়তঃ আমি অত্যন্ত জোর দিয়ে বলছি যে, যে-কথাটা আমাদের দুইজন মন্ত্রী প্রায় ২ হাজার লোকের সামনে ৬ মাসের মধ্যে করে দেবেন বলে প্রতিশ্রুতি দিয়ে এসেছেন আমি বুঝতে পারিনা কেন তারা আজ পর্যন্ত গুরুত্ব সহকারে সেই কাজটি হাতে নিচ্ছেন না। আমি তাই আশা করবো যে এই হতভাগ্য লোকদেরে মরণ যাত্রা থেকে অব্যাহতি দেবার জন্য যে প্ল্যান আমাদের মাননীয় মুখ্যমন্ত্রী বন বিভাগের মন্ত্রী এবং রাজস্ব মন্ত্রী মহোদয়গণ দিয়েছিলেন যে এই ১৪০০ টি পরিবারকে অন্যত্র সরিয়ে নেওয়ার সিদ্ধান্ত নিয়েছিলেন তার ব্যবস্থা যেন তারা অবি-লম্বে করেন। আর এই কাজ অতি সত্বর হাতে না নিলে একটা খেলিমেলির সৃষ্টি হওয়ার সম্ভাবনা আছে। সরকারের মণ্ডল আছে, কানুনগো আছে অ র আমরাও সরকারকে সাহায্য করবো যাতে এই হতভাগ্যদেরে কপালকাটায় বসানো যায়।

মহোদয়, আমি সদনকে এই খবর দেবার জন্যই নোটিশ দিয়েছিলাম এবং আমি সেখানে নিজে গিয়ে দেখে এসেছি যে সেখানে কি রকম শ্মশানের নীরবতা বিরাজ করছে। আশা

করবো আমাদের মাননীয় মন্ত্রী শ্রীগোহাঁই মহাশয়ও যেন নিজের চোখে সেখানকার অবস্থা দেখে আসেন। এই বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬-৩-৭৯ তাৰিখে অনাহাৰত মৃত্যু হোৱা সম্পৰ্কে মই সদনত এটা বিবৃত্তি ডাঙি ধৰিছো আৰু সেইটো আমাৰ ৰাজহ বিভাগৰ বিষয়া সকলে পোৱা ৰিপৰ্টমতে দিছো। এতিয়া তেখেতে যি তিনিজন মৃতকৰ নাম কৈছে সেই সকলৰ বিষয়ে অনুসন্ধান কৰি চাম। ডেৰা পথাৰ অঞ্চলৰ বিষয়ে তেখেতে যিটো কথা কৈছে যে কিছু-মান মানুহৰ কাম কৰিব পৰাৰ ক্ষমতা নোহোৱা হৈছে। সেই সকলৰ বিষয়েও অনুসন্ধান কৰি অতি সোনকালে সাহায্য দিয়াৰ ব্যৱস্থা লম আৰু লগতে যিখিনি কাম কৰিব পৰা অৱস্থাত কোনো কাম বন নোহোৱাকৈ আছে তেওঁলোকৰ ক্ষেত্ৰতো পৰীক্ষামূলক আঁচনিৰ দ্বাৰা কাম দিয়াৰ ব্যৱস্থা লম বুলি ভাবিছো।

তেখেতৰ শেষৰ প্ৰশ্নটোৰ উত্তৰত কওঁ যে তেখেতে ইয়াত যিটো কথা উঠাইছে সেই সম্পৰ্কে মই আমাৰ বন বিভা-গৰ মন্ত্ৰীৰ লগত যোগাযোগ কৰিছো আৰু তেখেত সকলৰ লগত আলোচনা কৰি সোনকালে এটা সিদ্ধান্তত আহিম বুলি ভাবিছো। তাৰ পাছত কপিলতোলা ফৰেষ্ট ৰিজাৰ্ভত তেখেতে বহুখিনি মানুহ বহুৱাইছে কিন্তু সেইটো খেতিবাতিৰ বাবে উপযোগী মাটি নহয়। কিন্তু ৰেভিনিউ বিভাগলৈ বসতি দিয়াৰ প্ৰস্তাৱ চলি আহিছে। সেইটোৰ সিদ্ধান্তও সোনকালে কৰিবলৈ চেষ্টা কৰিছো।

* Speech not corrected

শ্রীবীৰেশ মিশ্ৰ :— সেইটো সোনকালে হব লাগে। যিমান পাৰি সোনকালে হলে জনতা চৰকাৰ ধন্যবাদৰ পাত্ৰ হব।

শ্রীপ্ৰেমধৰ বৰা :— অধ্যক্ষ মহোদয়, এই খবৰ কাগজত আমাৰ মজলীয়া শিক্ষক সকলৰ অনশন সম্পৰ্কে কিছু কথা ওলাইছে। মই এই বিষয়ে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। শিক্ষক সকলে অনশন কৰাটো যদিও বৰ ভাল কথা নহয়। গতিকে এনেকুৱা এটা পৰিবেশ সৃষ্টি হলে সেইটো শিক্ষা বিভাগে বিচাৰ কৰি সমাধান কৰিব চেষ্টা কৰিব লাগে। ইয়াত তেওঁলোকৰ পেনচন গ্ৰেচুইটি ইত্যাদিৰ কথা আছে। চৰকাৰে বয়স কম হৈ থকা অৱস্থাতেই চৰকাৰীকৰণৰ নামত তেওঁলোকক যাবলৈ দিলে। কিন্তু তেওঁলোকে আজি পৰ্য্যন্ত পেনচন গ্ৰেচুইটি আদি পোৱা নাই। সেইবিলাক কথা চৰকাৰে কিয় শিক্ষক সংগঠনৰ লগত আলোচনা কৰি ইমান দিনলৈকে এটা ভাল সিদ্ধান্তত আহিব পৰা নাই। মই চৰকাৰক অনুৰোধ কৰিছো চৰকাৰে তেওঁলোকক সন্তুষ্ট কৰিব পৰাকৈ এটা ভাল সিদ্ধান্তত আহক আলোচনাত বহক।

জই জনাত গোটেই শিক্ষা বিভাগটো ভালদৰে গঢ়ি উঠিছে। গতিকে শিক্ষা বিভাগে আলোচনা বিলোচনাৰ মাধ্যমেৰে সৌহাদ্য পূৰ্ণ মধুৰ সম্বন্ধ গঢ়ি তেওঁলোকৰ অভাৱ অভিযোগৰ কথা স-হৃদয়েৰে বিবেচনা কৰিব লাগে আৰু যিখিনি দিব নোৱাৰে সেইখিনি নিদিওঁ বুলি খাটাংকৈ কৈ দিব লাগে। তেওঁলোক যদি অসন্তুষ্টও হয় তথাপিও সুস্থ পৰিবেশ ঘূৰাই আনিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

এম, ভি স্কুলৰ শিক্ষকৰ ক্ষেত্ৰত হিন্দী শিক্ষকৰ কথাটো নীতিগত ভাবে চৰকৰে মানি লৈছে আৰু কিছুমান স্কুলত চৰকাৰে

টকা পইচাও দিছে। কিন্তু কিছুমান স্কুলত হিন্দী শিক্ষক নিযুক্তি নিদিয়াত হিন্দী ছাত্র-ছাত্রী দেখা নাযায়। যদি হিন্দী শিক্ষক দিয়াৰ কথাটো চৰকাৰে নীতিগত ভাবে মানি লৈছিল, তেতিয়া-হলে হিন্দী বিষয়ত ছাত্র-ছাত্রী সকলেও পাছ কৰিব লাগে। অসমৰ গোটেই এম, ভি স্কুল বিলাকত হিন্দী শিক্ষকৰ ওপৰিও চৌকীদাৰ আদিৰ কথা আছে। গতিকে মই শিক্ষামন্ত্রীক জনাৰ বিচাৰিছো যে এই শিক্ষক সন্থাৰ লগত কথা বতৰা পাতি সকলো কথা আলোচনা কৰক। কিন্তু কথা পাতিম বুলি তাৰিখ দি আলোচনা কৰিবলৈ আগবাঢ়ি নোযোৱাটো বৰ দুখৰ কথা। গতিকে সকলো বিলাক কথা সহৃদয়তাৰে দৃষ্টিভঙ্গিৰে আলোচনা কৰি এটা ভাল সিদ্ধান্ত গ্রহণ কৰিবলৈ শিক্ষামন্ত্রীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্রীলক্ষ্যধৰ চৌধুৰী (মন্ত্রী):— মাননীয় অধ্যক্ষ মহোদয়, আজি বাতৰি কাকতত এই বাতৰিটো পাইছো, কিন্তু গণতান্ত্রিক পদ্ধতিত আন্দোলন চলালেও এটা সময়ত নটিচ বা কথোপকথনৰ দ্বাৰা কথা দিয়া হয়। তথাপিও এওঁলোকৰ কি সমস্যা সমাধান নোহোৱাৰ কাৰণে অনশন কৰিবলৈ আহিছে এই সম্পৰ্কে সময়মতে বিবেচনা কৰি চোৱা হব। যিহেতুকে এই সম্পৰ্কত কোনো সিদ্ধান্ত লোৱা হোৱা নাই, সেই কাৰণেই সকলো শিক্ষানুষ্ঠানৰ শিক্ষক সকলে প্রাইমেৰী স্কুলৰ পৰা আৰম্ভ কৰি এইটো কৰিবলৈ আছে। এতেকে এই বিষয়ে আজি এটা সিদ্ধান্ত কৰিব নোৱাৰো। অৱশ্যে আমাৰ ফালৰ পৰা তেওঁলোকৰ লগত আলোচনা কৰিবলৈ সন্মতি জনাইছে।

## CALLING ATTENTION

Shri Nishit Ranjan Das :— Sir, I beg to draw the atten-

tion of the Minister, Supply to the news item appearing in the Kushiyara, dated 18th January, 1979 under the caption "তেল না বিষ? শষ্য তেল গায়ে মেখে গৃহবধূ মরণাপন্ন"।

* Shri Dulal Chandra Baurah ( Minister ) :— Mr. Speaker Sir, the matter has been enquired through S.D.O., Karimganj and also by the Health Department. The facts as revealed from the enquiry are as follows :—

One Mrs. Nilima Roy, W/O Pradip Roy, an employee of the State bank of India, Karimganj purchased 250 grams of Mustard Oil from a small retailer who had a shop in the vicinity of her house. After applying the oil on her body before taking bath, she developed irritation which gradually increased. She however, felt it not necessary to take help of any doctor immediately. After 7 or 8 days she took treatment of Dr. A. B. Choudhury, Karimganj and Dr. S. Dutta, Civil Hospital, Karimganj. The date on which the Area Food Inspector who personally visited the residence of Sri P. Roy on 24-2-79 to enquire about the inci-

* Speech not corrected

dent till then she was under treatment. Mrs. Nilima Roy gave the statement in writing wherein she admitted that she took the help of doctors for her ailment after 7 or 8 days from the date she suffered from the ailment. She also admitted that the oil purchased by her was also used by the other members of her family and none of them hed developed any symptom of itching or burning sensation for the same. According to her own statement she was a pregnant women of advance stage at the time. She further disclosed that no left over oil was available in her residence. She also stated that she is not aware of the Brand of the oil she purchased. The Area Food Inspector who tried to locate the shop keeper could not do so. Mrs. Roy disclosed that the shop keeper from whom she purchased the oil hed gone somewhere else and his where about was not known to her. She also at the same time reported that 10 to 12 days back she had similar itching and rush on her body, but she dose not remember the details of her ailment she suffered then, Report obtained from the attending physician reveals that Mrs. Nilima Roy consulted the Supdt. of Civil Hospital, Karimganj in the 2nd

week of December, 1978. It was confirmed by him that Mrs. Roy was in the stage of advance pregnancy with anaemia and developed Allergic Dermatities. The attending physician also confirmed that the same oil was consumed by the other members of the family but none of them developed any kind of symptom like Mrs. Roy. The consulting physician also confirmed that her condition was not so serious to justify her admission in the Hospital. On the date of submission of her report, she was almost cured. It was also confirmed by the attending physician that Mrs. Roy was treated for Allergic Dematities and severe anaemia due to her advance stage.

From the investigation report, it is clear that if the mustard oil was really toxic, it would have affected many other persons besides Mrs. Roy. Never the less the Eood Inspector concerned was requested to find out the source of the oil form where the family had purchased it for consumption. As stated above they could not find any clue because the consumer of the oil i.e. Mrs. Roy or Mr. Roy could not give the information about the source of the oil. As no part of the oil remained unused in the residance of Mrs. Roy,

no sample could be coalected for examination. The Inspector and the accompanying doctors tried to asoertain from the neighbouring areas of that locality and also in the hospital whether any such case of itching, irrigation or burning etc. which might have developed due to application and consumption of the oil. But no such case was confirmed by the investigation Officers. Our investigating officers contacted the editor of the 'Kushiyara' and came to know from him that the news 'Tel na bish ? Sashya tel gaye mekhe grihabadhu maranapanna' was published on the basis of report supplied by one of his staff reporters only. The editor neither ascertained the actual position from Mrs. Roy nor from the local Health Authority or the attending physician.

Mr. Speaker :— Now the House stands adjourned till 10 a. m. tomorrow 21-3-79.

## ADJOURNMENT

The House then rose at 6.26 P. M. and stood adjourned till 10 A. M. on Wednesday, the 21th March, 1979.

DISPUR :
The 20th March, 1979.

P. D. BARUA.
Secretary,
Assam Legislative Assembly